
● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



এটা শব্দই যেতিয়া যথেষ্ট তেতিয়া দুটা শব্দ ব্যৱহাৰ নকৰাটোৱে সকলো বুদ্ধিমত্তাৰ ভিতৰত সৰ্বাধিক মূল্যবান।

থমাছ জেফাৰছন
*ভূতপূৰ্ব মাৰ্কিন ৰাষ্ট্ৰপতি*

www.dainikagradoot.in

৭ কৰ'নাই বিশ্বত ১২ কোটি লোকক কৰিলে দৰিদ্ৰ
১৩ নেদাৰলেণ্ডক হৰুৱালে আয়াৰলেণ্ডে
৪ অন্তহীন ৰাহুগ্ৰাসত কংগ্ৰেছ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১২ তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ১ কাতি ১৪২৮ ভাস্কৰাব্দ ১৯ অক্টোবৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 19 October 2021 মূল্য ঃ ৭.০০ টকা

■ পুনৰ জ্বলালে হিন্দুৰ ২০টা বাসগৃহ, কমেও ৬৬টা লণ্ডভণ্ড কৰিলে ■ চৰম উত্তেজনাৰ মাজতে চাৰি হেজাৰ লোকক আটক ■ এই ঘটনাক পূৰ্ব পৰিকল্পিত আখ্যা স্বয়ং বাংলাদেশৰ গৃহমন্ত্ৰীৰ

# বাংলাদেশত সাম্প্ৰদায়িক হিংসাৰ জুই



■ নিউজ ব্যুৰ'
ঢাকা/নতুন দিল্লী, ১৮ অক্টোবৰ ঃ বাংলাদেশত দুৰ্গাপূজাৰ সময়ত সংঘটিত সাম্প্ৰদায়িক হিংসাৰ অন্ত পৰা নাই। বিগত সপ্তাহত দুৰ্গাপূজা মণ্ডপত পৱিত্ৰ কোৰানক অপমান কৰা বুলি সামাজিক মাধ্যমত চলোৱা অপপ্ৰচাৰৰ আঁত ধৰি উন্মত্ত কঠোৰপন্থীয়ে বাংলাদেশৰ কে'বা স্থানতো পূজা মণ্ডপ-মন্দিৰত আক্ৰমণ কৰি তাণ্ডৱ চলোৱাৰ পাছত কালি পুনৰ হিন্দু ধৰ্মাৱলম্বী লোকৰ ৬৬টা ঘৰ লণ্ডভণ্ড কৰাৰ লগতে কমেও ২০টা বাসগৃহত অগ্নিসংযোগ কৰে। বাংলাদেশৰ সংখ্যালঘু হিন্দু ধৰ্মাৱলম্বী লোকসকলে বিগত সপ্তাহত দুৰ্গাপূজাৰ সময়ত মন্দিৰত আক্ৰমণ চলোৱাৰ ঘটনাৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত ৰখাৰ সময়তে পুনৰ হিংসাত্মক ঘটনা সংঘটিত হয়। ৰাজধানী ঢাকাৰ পৰা ২৫৫ কিলোমিটাৰ নিলগৰ ৰংপুৰ জিলাৰ পীৰগঞ্জ উপ-জিলাৰ এখন গাঁৱত যোৱা নিশা পলমকৈ এই ঘটনা সংঘটিত হয় বুলি স্থানীয়ভাৱে প্ৰকাশিত হৈছে। এজন হিন্দু যুৱকে ফেচবুক প'ষ্টত 'ধৰ্মক দুই পৃষ্ঠাত চাওক



*কাতি বিহুৰ বন্তি প্ৰজ্বলন ঃ কমাৰগাঁৱত কৃষিমন্ত্ৰী অতুল বৰাৰ আৰু গোসাঁইগাঁৱত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ।*

## সপোন-কল্পনা-বাস্তৱ (২) (নিঅ' নৰ্মেল)

■ সঞ্জীৱ সভাপণ্ডিত



**মায়ে** মোক খুব গালি পাৰিলে। মই তোক আগেয়েই কৈছিলো—চিনেমা কৰাৰ কথা মুখলৈ নানিবি। কোনো ভাল মানুহৰ ঘৰৰ ল'ৰা-ছোৱালীয়ে চিনেমা কৰিবলৈ নাযায়। এতিয়া এইবোৰ নাভূত-নাশ্ৰুত কথা ঘটিবই। মানুহৰ আগত এতিয়া কেনেকৈ মুখ উলিয়াম!
— ৰহচোন, তই ইমানকৈ গালি নাপাৰিলেও হ'ল নহয়। সৰুকৈ ক, সি শুনিব। ১০ পৃষ্ঠাত চাওক

## সোণোৱালী শস্য নদন-বদন হোৱাৰ কামনা কৃষিমন্ত্ৰী বৰাৰ

দিহিঙীয়া মহুৰা পথাৰত কাতি বিহু উদ্‌যাপন

**খুমটাই, ১৮ অক্টোবৰ ঃ** কৰ'নাৰ আতংক, বান-খৰাং বতৰ আৰু মূল্যবৃদ্ধিয়ে জৰ্জৰিত কৰা অসমীয়া চহা সমাজে সকলো বাধা নেওচি আজি উদ্‌যাপন কৰে তিনি বিহুৰ অন্যতম কাতি বিহু। কাতি বা কঙালী বিহু উপলক্ষে পৰম্পৰাগতভাৱে প্ৰতিঘৰ অসমীয়াৰ চোতালত ৰোৱা তুলসীৰ তলত আৰু ১০ পৃষ্ঠাত চাওক

■ চৰকাৰক অস্তিত্বহীন কৰি বজাৰত লাগিছে জুই ■ ডিজেলৰ অভাৱনীয় মূল্যৰ প্ৰত্যক্ষ প্ৰভাৱ সামগ্ৰীৰ মূল্যত ■ পিঁয়াজৰ মূল্য ক্ৰমে ঊৰ্ধ্বমুখী ■ দায়সৰাৰ চেষ্টা কেন্দ্ৰীয় চৰকাৰৰ

## খোৱা তেলৰ মূল্য নিয়ন্ত্ৰণৰ দায়িত্ব ৰাজ্যক

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৮ অক্টোবৰ ঃ** মূল্যবৃদ্ধিৰ জুয়ে গ্ৰাস কৰিছে সমগ্ৰ দেশক। চৰকাৰৰ অস্তিত্বৰ প্ৰতিয়েই প্ৰশ্নচিহ্নৰ উদ্ৰেক কৰি প্ৰতিদিনে বৃদ্ধি হৈছে ইবিধৰ পাছত সিবিধ সামগ্ৰীৰ মূল্য। আনকি অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যও ক্ৰমে সৰ্বসাধাৰণে ঢুকি নোপোৱা পৰ্যায়লৈ গতি কৰিছে। ইয়াৰ প্ৰভাৱ পৰিছে বজাৰৰ ওপৰত। গোটেই বজাৰ ব্যৱস্থাটো নিয়ন্ত্ৰণহীন হৈ পৰাৰ ফলত শ'লঠেকত পৰিছে কেন্দ্ৰীয় চৰকাৰ। সামগ্ৰীৰ মূল্য বৃদ্ধি ৰোধৰ প্ৰতিশ্ৰুতি দি চৰকাৰ গঠনৰ পাছত পৰিস্থিতি ওলোটাহে হোৱাত চৌদিশৰ পৰা তীব্ৰ গৰিহণাৰ সন্মুখীন হোৱা কেন্দ্ৰীয় চৰকাৰে সেয়েহে ৰাজ্যবোৰক মূল্য নিয়ন্ত্ৰণৰ বাবে হেঁচা দি আত্মৰক্ষাৰ কৌশল লৈছে। তাৰে অংশৰূপে যোৱা ১৩ অক্টোবৰত কেন্দ্ৰীয় চৰকাৰে সকলো ৰাজ্য চৰকাৰলৈ প্ৰেৰণ কৰা এখন জৰুৰী পত্ৰৰ জৰিয়তে খোৱা তেলৰ মূল্য হ্ৰাস কৰাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। পত্ৰত উল্লেখ কৰা হৈছে যে চৰকাৰে অহা ২২ মাৰ্চলৈ ১০ পৃষ্ঠাত চাওক

■ বিজেপিৰ মিত্ৰতাৰ আলোচনা সম্পূৰ্ণ হৈছে ঃ দাবী মহিলাৰীৰ

## ৪০ লাখ টকা দি বিজেপিত যোগদান কৰিছে বিপিএফৰ দুই পাৰিষদে



**অগ্ৰদূত বাৰ্তা**
**ফকিৰাগ্ৰাম, ১৮ অক্টোবৰ ঃ** 'বিটিচিৰ বনৰগাঁও আৰু সুবাইঝাৰ পৰিষদীয় সমষ্টিৰ পাৰিষদদ্বয় ক্ৰমে ৰাজীৱ ব্ৰহ্ম আৰু প্ৰভাত বসুমতাৰীয়ে বৃহৎ পৰিমাণৰ নগদ ধন আদায় দিহে বিজেপিত যোগদান কৰিছে। পৰিষদীয় সদস্য দুজনে বিগত ছমাহ ধৰি বিজেপিত যোগদানৰ চেষ্টা চলাই আহিছে যদিও বিজেপিয়ে তেওঁলোকক কোনো গুৰুত্ব দিয়া নাছিল। শেষত উপায় নাপাই দুয়ো বিজেপিৰ এজন নেতাক নগদ ৪০ লাখ টকা আদায় দি বিজেপিত যোগদান কৰিছে। দুটা কিস্তিত এই ধন প্ৰদান কৰা হৈছে।' এই ভাষ্য বিপিএফৰ সভাপতি তথা বিটিচিৰ প্ৰাক্তন মুৰব্বী হাগ্ৰামা ১০ পৃষ্ঠাত চাওক

## আছাৰ প্ৰয়াত দুই সভাপতিৰ সমাধিক্ষেত্ৰত শ্ৰদ্ধাঞ্জলি মুখ্যমন্ত্ৰী শৰ্মাৰ

**অগ্ৰদূত বাৰ্তা**
**শ্ৰীৰামপুৰ/গোসাঁইগাঁও, ১৮ অক্টোবৰ ঃ** গোসাঁইগাঁও বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ দুদিনীয়া কাৰ্যসূচী লৈ আজি বিয়লি গোসাঁইগাঁৱত উপস্থিত হয় ড° হিমন্ত বিশ্ব শৰ্মা। সমষ্টিটোৰ মিত্ৰজোঁটৰ ইউপিপিএলৰ ১০ পৃষ্ঠাত চাওক

■ মহানগৰীৰ সহকাৰী উচ্চায়ুক্তৰ কাৰ্যালয়ত বিক্ষোভ প্ৰদৰ্শন

## বাংলাদেশৰ প্ৰধানমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰি প্ৰতিবাদ অসমৰ সংগঠনৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/গৌৰীপুৰ, ১৮ অক্টোবৰ ঃ** বাংলাদেশত মন্দিৰত আক্ৰমণ তথা হিন্দু ধৰ্মাৱলম্বী লোকৰ ঘৰ-বাৰী জ্বলাই দিয়া ঘটনাৰ প্ৰতিবাদ অসমতো পৰিলক্ষিত হৈছে। কুটুম্ব সুৰক্ষা মিছন নামৰ সংস্থাটোৱে প্ৰধানমন্ত্ৰী শ্বেখ হাছিনালৈ এক পত্ৰ প্ৰেৰণ কৰি বাংলাদেশত বসবাস কৰা হিন্দুসকল আৰু হিন্দু সংস্কৃতিৰ সুৰক্ষা তথা মৰ্যাদা ৰক্ষাৰ দাবী জনায়। পত্ৰত কোৱা হয় যে বাংলাদেশৰ দুই পৃষ্ঠাত চাওক



*বাংলাদেশৰ সহকাৰী উচ্চায়ুক্ত কাৰ্যালয়ত প্ৰতিবাদৰ সময়ত পহৰা।*

## নিৰ্বাচনী বিধি ভংগ কৰি ধন সৰবৰাহ, ২.৭ লাখ টকা জব্দ

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ১৮ অক্টোবৰ ঃ** আগন্তুক উপ-নিৰ্বাচনৰ বাবে নিৰ্বাচনী বিধি বলৱৎ হৈ থকাৰ সময়তে আজি মৰিয়নিত বৃহৎ পৰিমাণৰ নগদ ধন ফ্লাইং স্কোৱাডে জব্দ কৰে। এই অভিযানত এজন ১০ পৃষ্ঠাত চাওক

ধন জমা কৰা একাধিক উৎসৰ সন্ধান লাভ

## ৰৌণক-কন্যাৰ একাউণ্টত বৃহৎ পৰিমাণৰ ধন জমা দিয়া দুজনলৈ আৰক্ষীৰ চমন



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৮ অক্টোবৰ ঃ** বৈধ আয়ৰ স'তে সামঞ্জস্যহীন সম্পত্তি আহৰণৰ গোচৰত গ্ৰেপ্তাৰ হোৱা অসম আৰক্ষীৰ নিলম্বিত উপ-মহাপৰিদৰ্শক ৰৌণক আলী হাজৰিকাৰ নিজৰ লগতে আত্মীয়ৰো বেংক একাউণ্টত বিভিন্ন সময়ত জমা হৈছিল বৃহৎ পৰিমাণৰ ধন। সম্প্ৰতি ন্যায়িক জিম্মাত থাকিলেও মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাই জেৰা ১০ পৃষ্ঠাত চাওক

## আৰক্ষীক আক্ৰমণ কৰি পলায়নৰ চেষ্টা চলাই গুলিবিদ্ধ ড্ৰাগছ মাফিয়া



**অগ্ৰদূত বাৰ্তা**
**গৌৰীপুৰ, ১৮ অক্টোবৰ ঃ** ধুবুৰী জিলাৰ ঝগৰাৰ পাৰ অঞ্চলত যোৱা নিশা সংঘটিত হয় আৰক্ষীৰ 'এনকাউণ্টাৰ'ৰ ঘটনা। আৰক্ষীৰ গুলিত আহত হয় ১০ পৃষ্ঠাত চাওক

## ডাক বিভাগৰ পাৰ্চেল কঢ়িওৱা বাহনৰ পৰা চোৰাং গৰু জব্দ

**অগ্ৰদূত বাৰ্তা**
**গৌৰীপুৰ/বগৰীবাৰী, ১৮ অক্টোবৰ ঃ** বহিঃৰাজ্যৰ পৰা গোপনে চোৰাং গৰু সৰবৰাহ কৰা দুখন কণ্টেইনাৰ ট্ৰাক আজি আৰক্ষীয়ে জব্দ কৰে। এই গাড়ী দুখনৰ পৰা ২৬টাকৈ উন্নত জাতৰ গৰু উদ্ধাৰ কৰা হয়। কোকৰাঝাৰ ১০ পৃষ্ঠাত চাওক

'ভিলেজ ৰকষ্টাৰ'ৰ পাছত একাডেমী বঁটাৰ দৌৰত

## অস্কাৰৰ বাবে নিৰ্বাচিত ভাৰতীয় ছবিৰ তালিকাত অন্তৰ্ভুক্ত অসমীয়া 'ব্ৰীজ'





**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৮ অক্টোবৰ ঃ** 'ভিলেজ ৰকষ্টাৰ'ৰ পাছত পুনৰ একাডেমী বঁটাৰ দৌৰত অৱতীৰ্ণ হ'ল আন এখন অসমীয়া ছবি। অস্কাৰৰ দৌৰত অৱতীৰ্ণ হৈ অসমীয়া চলচ্চিত্ৰৰ বাবেই আশাৰ বতৰা কঢ়িয়াই আনিলে পৰিচালক কৃপাল কলিতাৰ 'ব্ৰীজ' নামৰ ছবিখনে। আগন্তুক অস্কাৰ বঁটাৰ বাবে ভাৰতৰ পৰা নিৰ্বাচিত হোৱা ১২খন ছবিৰ ভিতৰত স্থান লাভ কৰিছে এই ছবিখনে। যি খবৰে ১০ পৃষ্ঠাত চাওক

## বোৱাৰীৰ ৰহস্যজনক মৃত্যু ঃ হাজোত থানা ঘেৰাও

**অগ্ৰদূত বাৰ্তা**
**হাজো, ১৮ অক্টোবৰ ঃ** এগৰাকী ন-বোৱাৰীৰ ৰহস্যজনক মৃত্যুৰ ঘটনাক কেন্দ্ৰ কৰি আজি উত্তপ্ত হৈ পৰে হাজো অঞ্চল। হাজোৰ ন-বোৱাৰী কংকণা মজুমদাৰৰ চিপ লোৱা মৃতদেহ ডিমা হাছাওৰ ৰেলৱে কোৱাৰ্টাৰত উদ্ধাৰ হোৱাৰ ছদিন উকলি যোৱাৰ পাছতো হত্যাকাৰীক ১০ পৃষ্ঠাত চাওক

■ আইপিএল জুৱাৰ বিৰুদ্ধে আৰক্ষীৰ অভিযানত নগদ ২৬ লক্ষাধিক টকা জব্দ মহানগৰীত

## গুৱাহাটীৰ পৰাই নিয়ন্ত্ৰণ বিভিন্ন ৰাজ্যৰ জুৱা



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৮ অক্টোবৰ ঃ** দেশৰ কে'বাখনো ৰাজ্যত বিয়পি থকা অসমকেন্দ্ৰিক আইপিএল জুৱাত জড়িতসকলৰ বিৰুদ্ধে অব্যাহত থকা আৰক্ষীৰ অভিযানত আজি বৃহৎ পৰিমাণৰ নগদ ধন জব্দ হয়। মহানগৰ আৰক্ষীৰ অপৰাধ শাখাই আজি অসমত এই জুৱাৰ নেতৃত্ব দিয়া সকলৰ অন্যতমৰূপে চিহ্নিত কৰা মহানগৰীৰ আঠগাঁৱৰ বাসিন্দা ভ্ৰাতৃদ্বয় অশোক জৈন আৰু মনোজ জৈনৰ গৃহত ১০ পৃষ্ঠাত চাওক

■ অন্যতম কৰ্ণধাৰ ভ্ৰাতৃদ্বয় অশোক-মনোজ জৈনৰ সন্ধান নাই ■ মহানগৰীৰ আঠগাঁৱৰ ফ্লেটত আৰক্ষীৰ অভিযান ■ বহু প্ৰভাৱশালী লোক জড়িতৰ তথ্য উদ্ধাৰ

ইংৰাজৰ দৰে কৃষকৰ ওপৰত কৰ-কাটল লগাইছে বিজেপি চৰকাৰে


## প্ৰথম কৃষক বিদ্ৰোহৰ ১৬০ বছৰ পূৰ্তি, ফুলগুৰি ধেৱা স্মৃতি সৌধ উন্মোচন



**অগ্ৰদূত বাৰ্তা**
**ৰহা, ১৮ অক্টোবৰ ঃ** 'ফুলগুৰিৰ ধেৱা হৈছে ভাৰতৰ প্ৰথম কৃষক বিদ্ৰোহ। এই ধেৱাৰ দ্বাৰাই, কৃষকসকলৰ অযুত শক্তিৰ দ্বাৰাই শোষক ইংৰাজক ভাৰতৰ পৰা খেদি পঠিয়াবলৈ সকলোকে উদ্বুদ্ধ কৰি তুলিছিল।' এই মন্তব্য প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ। নগাঁও জিলাৰ ফুলগুৰিত হোৱা প্ৰখ্যাত কৃষক বিদ্ৰোহৰ ১৬০ বছৰ পূৰ্তি উপলক্ষে আয়োজিত সভাত অংশ লৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতিজনে লগতে কয়, 'যি ১০ পৃষ্ঠাত চাওক

## কলিয়াবৰত কন্যা শিশুক হানি-খুচি হত্যা

**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ১৮ অক্টোবৰ ঃ** কলিয়াবৰ মহকুমাৰ মিছা অঞ্চলত আজি এক হত্যাকাণ্ড সংঘটিত হয়। দুৰ্বৃত্তই চোকা অস্ত্ৰৰে হানি-খুচি হত্যা কৰিলে এটি সাত বছৰীয়া কন্যা শিশুক। এই ঘটনাৰ আজি অঞ্চলটোত স্থানীয় ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৪° | ২৪° |
| ডিব্ৰুগড় | ৩৬° | ২৪° |
| দিল্লী | ২৩° | ১৯° |
| কলকাতা | ২৮° | ২৫° |
| মুম্বাই | ৩৩° | ২৬° |
| চেন্নাই | ৩৫° | ২৮° |
| বাংগালুৰু | ২৫° | ১৯° |
| শ্বিলং | ২৩° | ১৭° |

১৮ অক্টোবৰ, ২০২১

## চেঙা তেল



*হেৰা, ক্ষুধাতুৰৰ তালিকাত ময়ো অন্তৰ্ভুক্ত হৈ আছো বুলি কোৱা! মোৰ কেৱল ধন-ক্ষমতাৰ ক্ষুধা!*

অশৰীৰী শক্তিৰ উপস্থিতিৰ আশংকাত বিনিদ্ৰ ৰজনী গৃহহীন লোকৰ

## ধলপুৰৰ উচ্ছেদস্থলীত নিশা হ'লে কাৰ মৰণকাতৰ চিঞৰ ভাহি আহে!

প্ৰকল্পৰ অধ্যক্ষ পদ্ম হাজৰিকাৰ মন্তব্য ঃ অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱা ঠাই টুকুৰা পৱিত্ৰ কৰিব লাগিব, আজি ভাগৱত পাঠৰ আয়োজন কৰিছো



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৮ অক্টোবৰ ঃ** অসম চৰকাৰৰ প্ৰস্তাৱিত গৰুখুঁটি কৃষি প্ৰকল্প ৰূপায়ণ কৰিবলৈ গৈ দৰং জিলা প্ৰশাসনে ধাৰাবাহিকভাৱে ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ধলপুৰত উচ্ছেদ অভিযান চলায়। যোৱা ২০ আৰু ২৩ ছেপ্টেম্বৰৰ উচ্ছেদ অভিযানত কে'বা হেজাৰ পৰিয়াল গৃহহীন হোৱাৰ লগতে ইয়াৰ প্ৰতিৰোধ কৰিবলৈকো আৰক্ষীৰ গুলিত দুজনকৈ লোক নিহত হোৱাৰ লগতে ২০ ৰো অধিক আঘাতপ্ৰাপ্ত হয়। সম্প্ৰতি জিলা প্ৰশাসনৰ উচ্ছেদ কাৰ্য প্ৰায় সম্পূৰ্ণ হৈছে আৰু সমান্তৰালভাৱে দ্ৰুত গতিত প্ৰকল্পৰ কৃষি কৰ্ম চলি আছে দুই পৃষ্ঠাত চাওক

■ দৈনিক এশ-ডেৰশ বিজ্ঞাপন বিক্ৰী কৰা বিক্ৰেতাই এতিয়া কেৱল বিক্ৰী কৰে এনভেলপ, শাক, কণী ■ কাছাৰীৰ মেঘদূত ভৱনৰ সন্মুখৰ ৭০খন বিজ্ঞাপন দোকান হ্ৰাস পালে ছখনলৈ

## অনলাইন আবেদনে ভাত মাৰিছে বহুতৰে



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৮ অক্টোবৰ ঃ** 'চৰকাৰী চাকৰিতো ভাগ্যত নায়েই এতিয়া চৰকাৰী বিজ্ঞাপনো বিক্ৰী কৰিব নোপোৱা হ'লো। চাকৰিৰ অনলাইন আবেদন প্ৰক্ৰিয়াই আমাৰ ভাত মাৰিলে। এতিয়া আমি ষ্টেণ্ডাৰ্ড ফৰ্ম, চাকৰিৰ বিজ্ঞাপন বিক্ৰীৰ পৰিৱৰ্তে বিক্ৰী কৰো এনভেলপ, শাক, কণী।' ১৭ বছৰে গুৱাহাটীৰ কাছাৰীস্থিত মেঘদূত ভৱনৰ সমীপত চৰকাৰী চাকৰিৰ বিজ্ঞাপন বিক্ৰীৰে জীৱন জীৱিকাৰ পথ মুকলি কৰা নলবাৰী বেলশৰৰ বলেন বৰ্মনৰ বক্তব্য এয়া। বিগত প্ৰায় পাঁচ বছৰমান ধৰি চৰকাৰী চাকৰিসমূহ অনলাইন প্ৰক্ৰিয়াৰে আবেদন কৰাৰ ব্যৱস্থা কৰিছে চৰকাৰে। তাৰ মাজতে অৱশ্যে কেতবোৰ চাকৰি অনলাইন আৰু অফলাইন দুয়োটা পদ্ধতিৰে আবেদন জনাব পাৰি; কিন্তু সেয়া অতি সীমিত। অনলাইন ব্যৱস্থাটো আৰম্ভ হোৱাৰ পাছৰে পৰা আবেদনকাৰীয়ে ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, ১৯ অক্টোবৰ, ২০২১ মঙলবাৰ পৃষ্ঠা তিনি

## গাঁৱৰ মহিলাসকলক আমিহে চিলিণ্ডাৰ দিম ঃ মন্ত্ৰী তেলী

■ বিজেপিৰ সমানে থাওৱাত প্ৰচাৰ কংগ্ৰেছ-ৰাইজৰ দলৰ

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ১৮ অক্টোবৰ ঃ** থাওৱা সমষ্টিৰ উপ-নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে সিমানেই থাওৱাত নিৰ্বাচনী বতাহ গৰম হৈ পৰিছে। ৰাজনৈতিক দলসমূহে এটাই আনটোক বোকা ছটিওৱা ৰাজনীতি ছয় পৃষ্ঠাত চাওক

## লাওখোৱা-বুঢ়াচাপৰিৰ বিলত অবাধে মাছ মাৰিছে চোৰাং মাছমৰীয়াই

■ বন বিভাগৰ বিষয়া-কৰ্মচাৰীৰে চোৰাং মাছমৰীয়াৰ গোপন বুজাবুজি!

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৮ অক্টোবৰ ঃ** বনাঞ্চলৰ ভিতৰৰ বিল-জলাশয়সমূহত মাছ মৰাটো নিষিদ্ধ যদিও নগাঁও বন্যপ্ৰাণী সংমণ্ডলৰ অধীনস্থ লাওখোৱা অভয়াৰণ্য আৰু বুঢ়াচাপৰি অভয়াৰণ্যৰ ভিতৰৰ প্ৰায় ডেৰ কুৰিখন বিলত একাংশ চোৰাং মাছমৰীয়াই অবাধে মাছ মাৰি থকা পৰিলক্ষিত হৈছে। ১৫-২০ জনীয়া চোৰাং মাছমৰীয়াৰ দলে অভয়াৰণ্য দুখনৰ ভিতৰৰ লাওখোৱাসুঁতি, পাভকাটি, ৰৌমাৰী, সুতাকুড়ি, উদমাৰী, লাঠিমাৰী, পলাশতলী, সোণাইকুছি, অৰিমাৰী, মোৰামাৰী, দন্দোৱা, চাপাকুড়ি, চৈধমাইল, খলিহামাৰী, হিজলতলী, খৰনলী, বগনলা, ছাটামাৰী, শিয়ালমাৰী, চেনিমাৰী, কাছধৰা প্ৰমুখ্যে ২৯খন বিলত মাছ মাৰি সেই মাছেৰেই লাখ লাখ টকাৰ ব্যৱসায় কৰি আহিছে। বিশেষ সূত্ৰৰ পৰা জানিব পৰা মতে, চোৰাং মাছমৰীয়াৰ দলসমূহে ৰাতিৰ ভাগতেই নহয় দিনতো অভয়াৰণ্যৰ ভিতৰৰ বিলসমূহত মাছ মাৰে। প্ৰতিখন বিলত মাছ মৰা চোৰাং মাছমৰীয়া দলসমূহৰ নেতৃত্বত থাকে ছয়-সাতজনকৈ ধনৱান আৰু প্ৰভাৱশালী লোক। এওঁলোকেই বন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক মোটা অংকৰ ধনেৰে মেনেজ কৰে। অৱশ্যে বিলত মাছ মৰাৰ অবৈধ বন্দৰস্তিৰ বাবে চোৰাং ছয় পৃষ্ঠাত চাওক

## সোণালী অতীত বিচাৰি ইংলণ্ডৰ পৰা ফিল'বাৰীত ব্ৰিটিছ নাগৰিক

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ১৮ অক্টোবৰ ঃ** জন্মস্থান আৰু অতিবাহিত শৈশৱৰ ঠিকনাৰ সন্ধানত কালি তিনিচুকীয়া জিলাৰ ফিল'বাৰীত উপস্থিত হয়, ইংলণ্ডৰ ব্ৰইটন চহৰৰ চিমন পিটাৰ টুইচ নামৰ ফেশ্বন ডিজাইনাৰৰ স'তে জড়িত ৫১ বছৰীয়া লোকজন। ইংৰাজ পিতৃৰ ঔৰস ছয় পৃষ্ঠাত চাওক

## দেশৰ ভিতৰতে প্ৰথমবাৰৰ জৈৱিক ভিত্তিত কবি বীজ উৎপাদন

■ অৰুণাচলৰ থেম বাং গাঁও-কহিমাৰ খনমাত বিশ্বনাথৰ নীলম দত্তই দেখুৱাইছে আদৰ্শ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৮ অক্টোবৰ ঃ** দেশৰ ভিতৰতে প্ৰথমবাৰৰ বাবে জৈৱিক ভিত্তিত কবি বীজ উৎপাদনৰ আৰম্ভ হৈছে উত্তৰ-পূৰ্বাঞ্চলত। উত্তৰ-পূৰ্বাঞ্চলত প্ৰথমবাৰৰ বাবে কবি বীজ উৎপাদন আৰম্ভ হোৱা বিষয়টোৰে ইতিমধ্যে চৰ্চা লাভ কৰিছে কৃষক মহলত। অসমৰ চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ আৰু নগালেণ্ডৰ দুখন গাঁৱত আৰম্ভ হৈছে কবি বীজ উৎপাদন। ভাৰতৰ ভিতৰত প্ৰথমে কবি গুটি উৎপাদন কৰা কাশ্মীৰত বৰ্তমান কবি বীজৰ উৎপাদন বিভিন্ন কাৰণত বন্ধ হৈ আছে। হিমাচল প্ৰদেশত কবি বীজ উৎপাদন চলি থাকিলেও ই দেশৰ কৃষকৰ চাহিদা পূৰণ কৰিব পৰা নাই। শেহতীয়াকৈ অৰুণাচল প্ৰদেশৰ ইষ্ট কামেং জিলাৰ থেম বাং গাঁৱত যোৱা পাঁচ বছৰৰ পৰা কবি বীজ উৎপাদনৰ আখৰা আৰম্ভ হৈছে। নগালেণ্ডৰ কহিমাৰ খনমা গাঁৱত আৰম্ভ হৈছে ছয় পৃষ্ঠাত চাওক

সোঁতৰ বিপৰীতে



■ কয়লাৰ অভাৱত বন্ধ হৈ পৰিল উৎপাদন ■ ১৯৭৬ৰ পৰা উৎপাদন চলাই অহা উদ্যোগলৈ নামি আহিছে দুৰ্যোগ ■ পাঁচ দিন বন্ধ হৈ আছে উৎপাদন ঃ শংকিত কৰ্মচাৰী

# সংকটত বোকাজান চিমেণ্ট কাৰখানা




**অগ্ৰদূত বাৰ্তা**

**বোকাজান, ১৮ অক্টোবৰ ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ ৰাজহুৱা খণ্ডৰ চিমেণ্ট উদ্যোগ বোকাজান চিমেণ্ট কাৰখানালৈ সম্প্ৰতি নামি আহিছে গভীৰ সংকট। ১৯৭৬ৰে পৰা উৎপাদন কাৰ্য চলাই অহা ভাৰতীয় চিমেণ্ট নিগমৰ অধীনৰ লাভজনক গোট বোকাজান চিমেণ্ট কাৰখানালৈ পৰ্যায়ক্ৰমে নামি অহা দুৰ্যোগৰ পাছতো স্থানীয় শ্ৰমিক-কৰ্মচাৰীৰ তৎপৰতাত উৎপাদনৰ ধাৰাবাহিকতা ৰক্ষা কৰি অহা বোকাজান চিমেণ্ট কাৰখানাৰ উৎপাদন কাৰ্য বিগত পাঁচটা দিনৰো অধিক সময় বন্ধ হৈ আছে প্ৰয়োজনীয় কয়লাৰ অভাৱত। ক'ল ইণ্ডিয়াই কাৰখানাটোত যোগান ধৰিব পৰা নাই কয়লা। বছৰি ১,৯৮,০০০ মেট্ৰিক টন উৎপাদন বহন ক্ষমতা সম্পন্ন বোকাজান চিমেণ্ট কাৰখানাৰ দৈনিক উৎপাদন ছশ মেট্ৰিক টন। কাৰখানাটোত চিমেণ্ট উৎপাদনৰ বাবে প্ৰতিমাহে প্ৰয়োজন হয় তিনি হেজাৰ টনৰো অধিক কয়লা। কিন্তু এই কয়লাৰ অভাৱৰ বাবেই এতিয়া বন্ধ হৈ পৰিছে কাৰখানাটোৰ ক্লীনকাৰ, যাৰ ফলত কাৰখানাটোৰ বৃহৎ ক্ষতিৰ লগতে শংকিত হৈ পৰিছে কৰ্মৰত শ্ৰমিক-কৰ্মচাৰীসকল। উল্লেখ্য যে কাৰখানা কৰ্তৃপক্ষৰ সূত্ৰ অনুযায়ী কাৰখানাটো যদি এঘণ্টাও বন্ধ হৈ পৰে তেন্তে উৎপাদনৰ লগত সংগতি ৰাখি হোৱা লোকচানৰ উপৰি অতিৰিক্তভাৱে খৰচ কৰিবলগীয়া হয় ২৫ হেজাৰ টকা, অৰ্থাৎ দৈনিক বন্ধ হৈ থকা উদ্যোগটোৰ অতিৰিক্ত খৰচ ছয় লাখ টকা। যদিহে অতি শীঘ্ৰে কাৰখানাটোত চাহিদা অনুযায়ী কয়লাৰ যোগান সম্ভৱ হৈ নুঠে তেন্তে বৃহৎ লোকচানৰ সন্মুখীন হ'ব বোকাজান চিমেণ্ট কাৰখানাৰ লগতে ভাৰতীয় চিমেণ্ট নিগম। বোকাজান চিমেণ্ট কাৰখানাৰ সন্মুখত আহি পৰা এনে প্ৰতিকূল পৰিৱেশে অধিক চিন্তিত কৰি তুলিছে তাত নিয়োজিত থলুৱা শ্ৰমিক-কৰ্মচাৰীসকলক। ইয়াৰ অন্যতম কাৰণ হ'ল বিগত বহু সময়ত কেন্দ্ৰীয় চৰকাৰ আৰু ভাৰতীয় চিমেণ্ট নিগমে বোকাজান চিমেণ্ট কাৰখানাক ব্যক্তিগত খণ্ডৰ হাতত গতাই দিয়াৰ প্ৰচেষ্টা চলাইছিল যদিও ৰাইজৰ হেঁচাত সেয়া সম্ভৱ হৈ উঠা নাই। ছয় পৃষ্ঠাত চাওক

## কালিৰাম মেধিৰ অভিভাষণৰ শতবৰ্ষ উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১৮ অক্টোবৰ ঃ** কালিৰাম মেধিৰ ওপজা দিনৰ স'তে সংগতি ৰাখি ৰামদিয়া জ্ঞানোদয় সাহিত্য সভাৰ উদ্যোগত আয়োজন কৰা হয় অভিভাষণৰ শতবৰ্ষ। হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত সত্ৰনগৰী ৰামদিয়াৰ সু-সন্তান অসম সাহিত্য সভাৰ তৃতীয় গৰাকী সভাপতি ভাষাবিদ কালিৰাম মেধিৰ সাহিত্য সভাৰ ভাষণৰ শতবৰ্ষীয় অনুষ্ঠানটি আজি ৰামদিয়া জ্ঞানোদয় সাহিত্য সভাৰ উদ্যোগত কালিৰাম মেধি উচ্চ মাধ্যমিক ছয় পৃষ্ঠাত চাওক

## ওদালগুৰিৰ বিভিন্ন প্ৰান্তত কাতি বিহু পালন



**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ১৮ অক্টোবৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ওদালগুৰিৰ বিভিন্ন গ্ৰামাঞ্চলতো কাতি বিহু পালন কৰা হয়। ওদালগুৰি চহৰৰ সমীপৱৰ্তী বটাবাৰী, খাগ্ৰাবাৰী, বৰ্ণগাঁও, বগৰীবাৰী, আংৰাগাঁও, নলখামৰাকে ধৰি চহৰখনৰ বিভিন্ন গাঁৱত আজি গাঁৱৰ ৰাইজে ঘৰে ঘৰে কাতি বিহু পালন কৰে। সন্ধিয়া ঘৰৰ গৃহিণীসকলে তুলসী গছৰ তলত বন্তি প্ৰজ্বলন কৰি গাঁৱৰ আই-মাতৃসকলে বিশ্বৰ মংগল কামনা কৰে। একেদৰে ওদালগুৰিৰ বটাবাৰীতো সতী ৰাধিকা ছয় পৃষ্ঠাত চাওক

ভৱানীপুৰৰ শুকমানাহত কংগ্ৰেছৰ মুখ্য নিৰ্বাচনী কাৰ্যালয় মুকলি

## অহংকাৰী মানুহক অসমীয়া সংস্কৃতিয়ে বিচাৰি নলয় ঃ খালেক

**অগ্ৰদূত বাৰ্তা**

**সৰুপেটা, ১৮ অক্টোবৰ ঃ** আগন্তুক উপ-নিৰ্বাচনত জিকি কংগ্ৰেছে চৰকাৰ নকৰে। কিন্তু এই উপ-নিৰ্বাচন যথেষ্ট গুৰুত্বপূৰ্ণ। এই উপ-নিৰ্বাচন শৰৎ কালত হৈছে। এই শৰৎ কালতে শক্তিৰূপী দুৰ্গাই অসুৰ বধ কৰিছিল। এই উপ-নিৰ্বাচন অনুষ্ঠিত হোৱা শৰৎ কালত সুবিধাবাদৰ ৰাজনীতিক কিনা-বেচাৰ ৰাজনীতিক বধ কৰিব লাগিব। মূল্যবোধৰ ৰাজনীতিক প্ৰতিষ্ঠা কৰিব লাগিব। 'কংগ্ৰেছ প্ৰাৰ্থী শৈলেন্দ্ৰ নাথ দাসৰ শুকমানাহ মণ্ডল ভিত্তিক মুখ্য নিৰ্বাচনী কাৰ্যালয় আজি আবেলি মুকলি কৰি এইদৰে মন্তব্য কৰে সাংসদ আব্দুল খালেকে। সাংসদ খালেকে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সমালোচনা কৰি কয়, দাম্ভিক, অহংকাৰী মানুহক অসমীয়া সংস্কৃতিয়ে গ্ৰহণ নকৰে। অসমৰ ৰাইজে এই উপ-নিৰ্বাচনত ইয়াক প্ৰত্যুত্তৰ দিব। মুখ্যমন্ত্ৰী শৰ্মাই ছলাহী কথাৰে নিৰ্বাচন জিকিব আহিছে। দল সলোৱা ৰাজনীতিকক ৰাইজে কিয় বিশ্বাসত ল'ব।' আনহাতে, সাংসদ খালেকে এ আই ইউ ডি এফৰ সভাপতি বদৰুদ্দিন আজমলক সমালোচনা কৰি কয়, 'মৌলানা হিচাপে আজমল শ্ৰদ্ধেয়। কিন্তু অগৰুৰ ব্যৱসায়ৰ স্বাৰ্থত কৰা ৰাজনীতি এতিয়া বুজি পাইছে। ব্যৱসায়ৰ ক্ষতি হ'ব বুলি গৰুখুঁটি কাণ্ডত মৌনব্ৰত ধাৰণ কৰাৰ কথাও ৰাইজে বুজি পাইছে। তেওঁ এ আই ইউ ডি এফ এতিয়া সংখ্যালঘুৰ মনত নাই বুলিও মন্তব্য কৰে। এই উপলক্ষে শুকমানাহ মণ্ডল কংগ্ৰেছৰ সভাপতি কাজি মুছাহিদুৰ ৰহমানৰ সভাপতিত্বত আয়োজিত সভাত উত্তৰ অভয়াপুৰী সমষ্টিৰ বিধায়ক আব্দুল বাতেন খণ্ডকাৰে কয় যে কথাৰ ফুলজাৰি আৰু ধৰ্মীয় মেৰুকৰণেৰে দেশ চলাই আছে বিজেপিয়ে। পুঁজিপতিৰ স্বাৰ্থত এতিয়া মোদীয়ে বস্তুৰ দাম বৃদ্ধি কৰি আছে বুলি তেওঁ কয়। উক্ত সভাত প্ৰাৰ্থী শৈলেন্দ্ৰ নাথ দাস, সৰ্বভাৰতীয় যুৱ কংগ্ৰেছৰ সম্পাদক শ্বেৰিফা ৰহমান, ছয় পৃষ্ঠাত চাওক

## ৰূপহীহাটত ইটাভাটাত বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু

■ আহত এজন

**অগ্ৰদূত বাৰ্তা**

**ৰূপহীহাট, ১৮ অক্টোবৰ ঃ** ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত বৰপকাত আজি বিদ্যুৎস্পৃষ্ট হৈ এজন পাইপ মিস্ত্ৰিৰ মৃত্যু হোৱাৰ লগতে আন এজন গুৰুতৰভাৱে আহত হয়। প্ৰাপ্ত তথ্য মতে, অঞ্চলটোত এন এল জি নামৰ ইটাভাটাত কাম কৰি থকা অৱস্থাত এই ঘটনা সংঘটিত হয়। পাইপ মিস্ত্ৰি দুজনে বৰিং কৰি থকা অৱস্থাত উচ্চ ক্ষমতাসম্পন্ন বৈদ্যুতিক তাঁৰত লোহাৰ পাইপ লাগি বিদ্যুৎস্পৃষ্ট হয়। ফলত ঘটনাস্থলীতে মৃত্যু হয় জুৰীয়াৰ তিনিচুকীয়াৰ হবিবুৰ ৰহমান নামৰ পাইপ মিস্ত্ৰিজনৰ। আনহাতে, গুৰুতৰভাৱে আহত হয় আনজন পাইপ মিস্ত্ৰি আজগৰ আলী। সংকটজনক ছয় পৃষ্ঠাত চাওক

## তামুলপুৰত গণ সুৰক্ষা পাৰ্টীৰ নিৰ্বাচনী কাৰ্যালয় মুকলি



**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১৮ অক্টোবৰ ঃ** আসন্ন তামুলপুৰ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনক লৈ তামুলপুৰ সমষ্টিৰ বিভিন্ন ৰাজনৈতিক দলৰ তৎপৰতা বৃদ্ধি পাইছে। পিছপৰি ৰোৱা নাই গণ সুৰক্ষা পাৰ্টীও। আজি তামুলপুৰ মহকুমা সদৰৰ মাজমজিয়াত গণ সুৰক্ষা পাৰ্টীৰ এটা নিৰ্বাচনী কাৰ্যালয় মুকলি কৰা হয়। এক মাংগলিক পৰিৱেশত গণ সুৰক্ষা পাৰ্টীৰ প্ৰাৰ্থী ব্ৰজেন্দ্ৰ নাথ ডেকাৰ উপস্থিতিত কাৰ্যালয়টো মুকলি কৰে পাঁচ নম্বৰ ছয় পৃষ্ঠাত চাওক

■ ধুলাত অঘটন

## ছাগলীয়ে খেতি নষ্ট কৰাৰ প্ৰতিবাদত যুৱকক হত্যা

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ১৮ অক্টোবৰ ঃ** ছাগলীয়ে খেতি নষ্ট কৰাৰ প্ৰতিবাদ কৰিবলৈ গৈ খুৰাকৰ হাতত প্ৰাণ হেৰুৱাব লগীয়া হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে দৰং জিলাৰ ধুলাত। ধুলা থানাৰ অন্তৰ্গত পানীয়াঘাট গাঁৱত সংঘটিত হৈছে এই ঘটনা। প্ৰাপ্ত তথ্য মতে, যোৱা ১৪ অক্টোবৰত পুৱা ঘৰৰ সমীপতে থকা ওচমান আলীৰ খেতি নষ্ট কৰে বৰদেউতাক সোণা মিঞাৰ পোহনীয়া ছয় পৃষ্ঠাত চাওক

■ গাতুৱা বিলত ৰাইজে হাতে হাতে ল'লে জাল-জুলুকি

## কঙালীক ভোগালী কৰাৰ মানসেৰে সোণাপুৰত সমূহীয়া মৎস্য চিকাৰ

**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ১৮ অক্টোবৰ ঃ** কাতি বিহু উপলক্ষে সোণাপুৰৰ গাতুৱা বিলত আজি সমূহীয়াভাৱে গঞা ৰাইজে মৎস্য চিকাৰ কৰে। বিশেষকৈ মহঙা মহঙা যেন লগা কঙালীক ভোগালী কৰাৰ প্ৰয়াসেৰে ডিগাৰুৰ গাতুৱা বিলত আজি সমূহীয়াভাৱে ৰাইজে মাছ ধৰে। উল্লেখ্য যে উৎসৱ-পাৰ্বণত সমূহীয়াভাৱে মাছ মৰাটো প্ৰাচীন ডিমৰীয়া ৰাজ্যৰ এক পৰম্পৰা। এই উপলক্ষে ছয় পৃষ্ঠাত চাওক



## মিচিং লোক সংস্কৃতি-সত্ৰীয়া সংস্কৃতিৰ সাধক বসন্ত মিলিক 'দামোদৰ দেৱ বঁটা' প্ৰদান



**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১৮ অক্টোবৰ ঃ** ঐতিহাসিক আউনীআটী সত্ৰই ২০১২ৰ পৰা প্ৰৱৰ্তন কৰি অহা 'দামোদৰ দেৱ' বঁটা ২০২১ মাজুলী কমলাবাৰীৰ সমীপৰ ঢাপাক গাঁৱৰ নিবাসী তথা মিচিং লোক সংস্কৃতি আৰু সত্ৰীয়া সংস্কৃতিৰ সাধক বসন্ত মিলিক আজি আউনীআটী সত্ৰত আয়োজন কৰা সভাত ড° পীতাম্বৰ দেৱগোস্বামীয়ে প্ৰদান কৰে। সত্ৰৰ বৈষ্ণৱসকলৰ বৰগীতেৰে আৰম্ভ হোৱা সভাত সভাপতিত্ব কৰে ড° দেৱগোস্বামীয়ে। বঁটা প্ৰদান ছয় পৃষ্ঠাত চাওক

## সত্যৰঞ্জনৰ বিৰুদ্ধে গোচৰ অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৮ অক্টোবৰ ঃ** সামাজিক মাধ্যম মিডিয়াত সত্যৰঞ্জন বৰাই ফেচবুকত ইছলাম ধৰ্মক টাৰ্গেট কৰি কিছুমান আপত্তিজনক মন্তব্য কৰি ইছলাম ধৰ্মৰ প্ৰৱৰ্তক হজৰত মহম্মদ(ছঃ)ক ছয় পৃষ্ঠাত চাওক

■ ৰাজ্যৰ বিভিন্ন স্থানত বিৰুদ্ধে গোচৰ ৰুজু

## বৰাকৰ সংগঠনৰ কাণ্ডক ধিক্কাৰ সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেছনৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা**

**গুৱাহাটী/কৰিমগঞ্জ, ১৮ অক্টোবৰ ঃ** কালি শিলচৰ ৰেল ষ্টেছনত অসমীয়া ভাষাত লিখা জলজীৱন মিছনৰ এখন বেনাৰত স্বল্পখ্যাত সংগঠন বৰাক ডেমক্ৰেটিক যুৱ ফ্ৰণ্ট (বিডিৱাইএফ) আৰু সদৌ বাঙালী যুৱ ছাত্ৰ সংস্থাৰ সদস্যই ক'লা ৰং সানি বাংলাত লিখাৰ দাবী জনোৱাৰ ঘটনাই ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই ঘটনাক লৈ সৰৱ হৈছে বিভিন্ন দল-সংগঠন। অসমীয়া ভাষাৰ ওপৰত ক'লা ৰং সনা কাৰ্যক ছয় পৃষ্ঠাত চাওক

■ এমাহজোৰা বন্তি প্ৰজ্বলনৰ অন্তত আৰম্ভ হ'ব পালনাম মহোৎসৱ

## আউনীআটী সত্ৰত ২১ যোৰা আকাশ বন্তি উত্তোলনেৰে আৰম্ভ শাৰদীয় উৎসৱৰ



**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১৮ অক্টোবৰ ঃ** মাজুলীত দুৰ্গোৎসৱৰ পৰিৱৰ্তে কাতি বিহুৰ পৱিত্ৰ ক্ষণত আকাশত ২১ যোৰা আকাশ বন্তি প্ৰজ্বলনেৰে আৰম্ভ হয় শাৰদীয় উৎসৱৰ। আজি ঐতিহ্যমণ্ডিত আউনীআটী সত্ৰত ২১ যোৰা আকাশ বন্তি প্ৰজ্বলনেৰে এমাহজোৰা কাৰ্যসূচীৰ আৰম্ভ হয়। সমগ্ৰ কাতি মাহটো এই আকাশ বন্তি প্ৰজ্বলন কৰি ৰখাটো সত্ৰৰ পৰম্পৰাগত উৎসৱ। কাতিৰ ২৫ৰ পৰা ২৯ কাতিলৈ চলিব সত্ৰৰ পালনাম মহোৎসৱ। ৩০ কাতিৰ দিনা অন্ত পৰিব কাতিমহীয়া উৎসৱৰ। ইয়াৰ পাছতেই আৰম্ভ হ'ব শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলা মহোৎসৱ। অৱশ্যে অন্যান্য সত্ৰই অনুষ্টুপীয়াকৈ আকাশ বন্তি প্ৰজ্বলন কৰি কাতিমহীয়া উৎসৱ আৰু পালনাম অনুষ্ঠিত কৰে। আজি আউনীআটী সত্ৰত পুৱাৰ ভাগত বড়া প্ৰসংগ, বিশেষ পূজা-সেৱাত আকাশ বন্তি প্ৰজ্বলনৰ উদ্দেশ্যে মহাপ্ৰভুৰ চৰণত দীপ উৎসৰ্গিত কৰি দিনটোৰ কাৰ্যসূচী আৰম্ভ কৰে। এই উপলক্ষে বিহুৱবীয়া হিয়ানাম, দিহানাম, গায়ন-বায়ন, ওজাপালি পৰিৱেশন কৰা হয়। নিত্যনৈমিত্তিক কৰ্ম সম্পাদনৰ পাছত মণিকূটৰ বৰ দেউবীয়ে মহাপ্ৰভুক শীৰত ধাৰণ কৰি আকাশ বন্তি প্ৰজ্বলন থলীলৈ সত্ৰাধিকাৰ, ছয় পৃষ্ঠাত চাওক

## হাউলীৰ মৈৰামাৰাত তিনিদিনীয়াকৈ লক্ষ্মী পূজা

**অগ্ৰদূত বাৰ্তা**

**হাউলী, ১৮ অক্টোবৰ ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে হাউলীৰ মৈৰামাৰা নমাটি সত্ৰত কাইলৈৰ পৰা তিনিদিনীয়াকৈ ৯২ সংখ্যক শ্ৰীশ্ৰীলক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি কাইলৈ পুৱা চাফাই, পতাকা উত্তোলন, খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া বন্তি প্ৰজ্বলন, পূজা-পাৰ্বণ, ভকতসকলৰ নামৰ পিছতে 'অলংকৰণ' শীৰ্ষক এক অসমীয়া কৃষ্টিমূলক সাজপাৰৰ আধাৰত সৌন্দৰ্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা পুৱা নিত্য-নৈমিত্তিক নাম-প্ৰসংগ, ভাগৱত, পাঠ, চিত্ৰাংকন প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আনহাতে, আবেলি 'ৰামধেনুৰ ৰং বিচাৰি' শীৰ্ষক এক শিশুকেন্দ্ৰিক মনোজ্ঞ অনুষ্ঠানৰ পাছতে সন্ধিয়া একক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। অহা ছয় পৃষ্ঠাত চাওক

■ জন্মৰ পাছৰে পৰা মাতৃসহ কন্যাক পিতৃয়ে অমানুষিক নিৰ্যাতন চলোৱাৰ অভিযোগ

## পিতৃৰ নিৰ্যাতনৰ বলি হৈ বাগ্‌সাৰ যুৱকৰে পলাই আহিল গুৱাহাটীৰ কিশোৰী

**অগ্ৰদূত বাৰ্তা**

**বাগানপাৰা, ১৮ অক্টোবৰ ঃ** পিতৃৰ শাৰীৰিক, মানসিক নিৰ্যাতন সহ্য কৰিব নোৱাৰি গুৱাহাটী মহানগৰীৰ এগৰাকী কিশোৰীয়ে বাগ্‌সা জিলাৰ বাগানপাৰাৰ এজন যুৱকৰ স'তে পলাই অহাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বাগানপাৰা আৰক্ষী চকীত আজি উপস্থিত হোৱা কিশোৰীগৰাকীয়ে সদৰী কৰা মতে, মহিলাগৰাকীৰ গীতানগৰৰ বাসিন্দা পিতৃ প্ৰফুল্ল বৰাই বছৰ বছৰ ধৰি মাতৃৰ লগতে তেওঁকো শাৰীৰিক-মানসিকভাৱে অত্যাচাৰ চলাই আহিছে। জন্মৰ পাছৰে পৰা কিশোৰীগৰাকীক পিতৃয়ে এইদৰে অত্যাচাৰ চলাই আহিছে যদিও পিতৃৰ অত্যাচাৰৰ কাৰণ অৱগত নহয়। কিশোৰীগৰাকীৰ লগতে মাতৃকো নিতৌ নিৰ্যাতন চলাই অহাৰ লগতে দেহত গৰম পানী ঢালি দিয়াৰ লগতে লোহা গৰম কৰিও তেওঁলোকৰ শৰীৰত লগাই দি অত্যাচাৰ কৰি আহিছিল বুলি অভিযোগ কৰিছে। ১৭ বছৰীয়া ভুক্তভোগী কিশোৰীগৰাকীয়ে সদৰী কৰা মতে, এই সন্দৰ্ভত গীতানগৰ আৰক্ষী থানাত দুখনকৈ এজাহাৰ প্ৰদান কৰিও সুফল পাবলৈ সক্ষম নহ'ল যাৰ বাবে ১৮ বছৰ সম্পূৰ্ণ নহওঁতে বাগানপাৰাৰ খাগ্ৰাবাৰী গাঁৱৰ দ্বীপজ্যোতি ডেকা নামৰ যুৱকজনৰ স'তে পলাই আহিবলৈ বাধ্য হোৱা বুলি তেওঁ উল্লেখ ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, মঙলবাৰ ১ কাতি ১৪২৮ ভাস্কৰাব্দ ১৯ অক্টোবৰ ২০২১

## উৎসাহৰহে প্ৰয়োজন

এনে এটা সময় আছিল যেতিয়া ভাৰতত ছোৱালী বা মহিলাই মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত পঢ়াটো দূৰৰ কথা আনকি পাঠশালা স্কুল বা বিদ্যালয়লৈ যোৱাটোকেই সমাজে সমৰ্থন দিয়া নাছিল। ভাৰত স্বাধীন হোৱাৰ সময়লৈকে এনে পৰিৱেশে বিৰাজ কৰিছিল; কিন্তু স্বাধীনতাৰ পাছৰে পৰা পৰিৱেশ কিছু সলনি হ'বলৈ ধৰিলে। ছোৱালীবিলাকেও বিদ্যালয়লৈ যাবলৈ ধৰিলে; কিন্তু মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ উচ্চ শিক্ষা গ্ৰহণৰ সুযোগ-সুবিধা অতি কমসংখ্যক ছোৱালীয়েহে লাভ কৰিছিল। বাল্য বিবাহৰ হাৰ কমিছিল যদিও এই কুপ্ৰথাৰ পৰা সম্পূৰ্ণ মুক্ত হোৱা নাছিল দেশ। আনহাতে, কন্যাক বিয়া দি স্বামীৰ হাতত গতাই দিয়াটোৱেই আছিল পিতৃ-মাতৃ তথা পৰিয়ালৰ অন্যতম প্ৰধান কৰ্তব্য আৰু দায়িত্ব। উচ্চ শিক্ষাদানক পিতৃ-মাতৃসকলে প্ৰধান কৰ্তব্য নাইবা কৰ্তব্য আৰু দায়িত্ব হিচাপে গণ্য কৰা নাছিল। ছোৱালীক বিয়া দি আন এঘৰলৈ উলিয়াই দিয়াটোৱেই যেন মুখ্য কৰ্তব্য আছিল। অসমৰ বাহিৰৰ বেছিভাগ ৰাজ্যত চলিছিল যৌতুক প্ৰথা। পিতৃ-মাতৃয়ে ছোৱালীৰ উচ্চশিক্ষাৰ বাবে ধন খৰচ কৰিব বিচৰা নাছিল। বিয়াৰ যৌতুকৰ বাবে ধন সাঁচিবলগীয়া হৈছিল। দুৰ্ভাগ্যৰ বিষয় যে পূৰ্বৰ বহু কুসংস্কাৰ আৰু কুপ্ৰথা আজিও নিঃশেষ নহ'ল। বাল্য বিবাহৰ ঘটনা আজি অতি কম; কিন্তু কন্যা সন্তান বা ছোৱালী বা মহিলাৰ সন্দৰ্ভত দৃষ্টিভংগী সলনি হ'বলৈ এতিয়াও কিছু বাকী আছে। কন্যা সন্তান আৰু ল'ৰা সন্তানৰ প্ৰতি সমদৃষ্টিৰে চোৱা নহয় আজিও। কন্যা সন্তান তথা ছোৱালীৰ প্ৰতি লিংগ-বৈষম্য, সমদৃষ্টিৰ অভাৱ, পুষ্টিহীনতা আদিৰ বাবেই পুৰুষৰ সংখ্যা বাঢ়ি গৈছে আৰু মহিলাৰ সংখ্যা হ্ৰাস পাইছে। গৰ্ভস্থ কন্যা সন্তানক হত্যা কৰা ঘটনা আজিও সংঘটিত হৈ আছে। কন্যা সন্তানক বহুতেই বিশেষকৈ পিতৃ-মাতৃসকলে অনাৱশ্যক বা অলাগতিয়াল বুলি গণ্য কৰাৰ ফলত আৰু কন্যা সন্তানক পৰিয়ালৰ বোজা বুলি গণ্য কৰাৰ ফলত কন্যা ভ্ৰূণ হত্যা কৰা হয়। ভ্ৰূণৰ লিংগ চিনাক্ত কৰা বেআইনী বা অবৈধ যদিও গোপনে এই কাৰ্য বহুতে অব্যাহত ৰাখিছে ধনৰ বিনিময়ত। কেতবোৰ মহানগৰত চিকিৎসকে ঘৰতেই ভ্ৰূণ হত্যা বা গৰ্ভপাত কৰা বা ভ্ৰূণ নষ্ট কৰা কাৰ্য কৰে বুলি বিভিন্ন সূত্ৰই প্ৰকাশ কৰি আহিছে। হাস্পতাল বা নাৰ্ছিংহোমত এনে কাৰ্য কৰিলে ধৰা পৰাৰ ভয়ত একাংশ চিকিৎসকে ঘৰতেই গোপনে গৰ্ভপাত বা ভ্ৰূণ নষ্ট কৰা কাৰ্যত লিপ্ত হৈছে।

ছোৱালীক বোজা বুলি নাইবা অলাগতিয়াল বুলি গণ্য কৰা বিপজ্জনক দৃষ্টিভংগীৰ বাবেই একাংশ লোকে কন্যা ভ্ৰূণ নষ্ট কৰিব বিচাৰে। এই চাম লোকে ছোৱালীক সমদৃষ্টিৰে চোৱা দেখা নাযায় আৰু তেওঁলোকেই ছোৱালীৰ বাবে উচ্চ শিক্ষাৰ নামত ধন খৰচ কৰিব নিবিচাৰে; কিন্তু একাংশ লোকে ভুল কৰিলেও সমাজখন তেওঁলোকৰ বাবে ৰৈ নাথাকে। সমাজে কুসংস্কাৰ, কুপ্ৰথাবিলাকৰ বিৰুদ্ধে মাত মাতি আহিছে। মহিলাৰ সম-অধিকাৰ, মহিলা সবলীকৰণ আৰু বিশেষকৈ মহিলাৰ শিক্ষাত সমাজে আৰু চৰকাৰে গুৰুত্ব প্ৰদান কৰিছে। সেয়ে একাংশ মহিলাই উচ্চ শিক্ষাৰে শিক্ষিত হৈ আগবাঢ়ি গৈছে আৰু আগুৱাই যোৱাত সক্ষম হৈছে। সম্প্ৰতি দেশৰ উচ্চ শিক্ষানুষ্ঠানসমূহত নামভৰ্তি কৰা ছাত্ৰীৰ সংখ্যা দ্ৰুত বৃদ্ধি পাইছে। কিছুমান বিষয়ত আনকি পুৰুষতকৈ মহিলাৰ সংখ্যা বেছি। উদাহৰণস্বৰূপে স্নাতক, স্নাতকোত্তৰ আদি বিভিন্ন পাঠ্যক্ৰমত বৰ্তমান ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাইছে। এম ফিল, স্নাতকোত্তৰ, ডিপ্লমা পাঠ্যক্ৰমতো ছোৱালীৰ সংখ্যা দ্ৰুত বৃদ্ধি পাইছে।

অৱশ্যে দেশৰ কিছুমান আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠানত ছোৱালীৰ সংখ্যা ল'ৰাতকৈ কম হোৱাটো চিন্তাৰ বিষয়। আনহাতে প্ৰযুক্তি বিজ্ঞানৰ ক্ষেত্ৰত মহিলাৰ নামভৰ্তিৰ হাৰ কম হোৱাৰ কাৰণ হয়তো এই পাঠ্যক্ৰম আৰু বৃত্তিবিলাকে মহিলাক আজিও কমকৈ আকৰ্ষণ কৰাটো। ইয়াৰ বাবে মহিলাৰ যোগ্যতাৰ অভাৱ বুলি ক'ব নোৱাৰি। সেয়ে মহিলা অথবা ছাত্ৰীসকলৰ দৃষ্টিভংগী সলোৱাৰ প্ৰয়োজন। তেওঁলোকৰ পৰিয়াল, সমাজ তথা শিক্ষানুষ্ঠানসমূহে এই ক্ষেত্ৰত উৎসাহ যোগাব লাগিব। যোগ্যতাৰ দিশত যিহেতু ল'ৰাতকৈ ছোৱালীসকল কোনো গুণেই কম নহয়, সেয়ে সঠিক পৰামৰ্শ তথা উৎসাহৰহে প্ৰয়োজন। কিছুমান কাম মাত্ৰ পুৰুষৰ বাবেহে আৰু কিছুমান কাম মহিলাৰ বাবে নহয়— এনে ধৰণৰ ধাৰণাসমূহৰ পৰা আজিৰ সমাজ— বিশেষকৈ মহিলাসকল মুক্ত হ'ব লাগিব।

## খোলা মঞ্চ

## ৭৫ বছৰীয়া স্বাধীনতাই আমাক কি দিলে?



৭৫ বছৰীয়া স্বাধীনতাই আমাক বহু দিলে যদিও আমাৰ পৰা কাঢ়ি নিলে—মেঘালয় (গাৰো-খাছিয়া জয়ন্তীয়া পাহাৰ জিলা) নগাপাহাৰ জিলা (নাগাৰাজ্য) অৰুণাচল (কামেং-লোহিত টিৰাপ সীমান্ত অঞ্চল আদি সমষ্টি) লুচাই পাহাৰ জিলা (মিজোৰাম)। ত্ৰিপুৰা হেনো অসমৰ এখন জিলা আছিল। আমাৰ ৰাজ্যখন মাটিকালিৰে ভাৰতৰ মহাৰাষ্ট্ৰ ৰাজ্যখনৰ দৰে বিৰাট আকাৰৰ আছিল; কিন্তু অংগখুঁত হৈ বৰ্তমান ৭৮,৫৪৩ বৰ্গ কিলোমিটাৰলৈ হ্ৰাস হৈছে। ই আমাৰ বাবে অনুশোচনাৰ কাৰক। ৰাজ্যৰ দাবী বৰ্তমানেও শেষ হোৱা নাই। ব্ৰহ্মপুত্ৰৰ পানী বোৱাই নি কেন্দ্ৰীয় চৰকাৰে অসমক মৰিশালি কৰাৰ চক্ৰান্ত ৰোধ কৰিব লাগিব। অসমৰ যুৱক-যুৱতী ভাৰতৰ বিভিন্ন ৰাজ্যলৈ গ'লে—উগ্ৰপন্থীৰ দেশৰ মানুহ বুলি হেয়জ্ঞান কৰে। ভাৰতৰ পূৰ্ব দিশে যে এখন ৰাজ্য আছে 'অসম' নামেৰে তাৰ ভূ নলয়। শংকৰ-মাধৱৰ দৰে যে মনীষীৰ জন্ম আৰু উজ্জ্বল জ্যোতিৰে যে বিশাল ৰাজ্যখনৰ বৌদ্ধিক, সাংস্কৃতিক, ধাৰ্মিক, অৰ্থনৈতিক, সাংস্কৃতিক সাহিত্যিক-কাব্যিক দিশ সবলভাৱে প্ৰতিষ্ঠা কৰি এই ৰাজ্যখনক জাকত জিলিকা কৰিছিল নাজানে। আচৰিত কথা ভাৰতৰ কিছু সংখ্যক বুদ্ধিজীৱীয়ে শংকৰ-মাধৱ কোন নাজানে। ১৯৪৭ত ভাৰতে স্বাধীনতা লাভ কৰিলে। অন্যান্য ৰাজ্যৰ নাগৰিক-যুৱক-যুৱতীৰ দৰে আমাৰ ৰাজ্যখনৰ লোকেও ভাৰতৰ উন্নতিত অৰিহণা যোগালে। আজি অসমত বিভিন্ন প্ৰযুক্তিমূলক শিক্ষা প্ৰতিষ্ঠান, চিকিৎসা মহাবিদ্যালয়, অভিযান্ত্ৰিক মহাবিদ্যালয়, বিশ্ববিদ্যালয়, তাৰকাগৃহ আকাশীযানৰ আড্ডা, যোগাযোগ ব্যৱস্থা আদি গঢ়ি উঠিছে। বি টি, ভিন্ন উচ্চ শিক্ষা গ্ৰহণৰ বাবে আজি কলিকতা, মুম্বাই, দিল্লী আদি ঠাইলৈ যাব নালাগে। আনন্দৰাম বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকনৰ উত্তৰসুৰী আজি ৰাজ্যখনত উজলি উঠিছে। ভিন ভিন ক্ষেত্ৰত অসমৰ যুৱক-যুৱতী দেশ তথা বিদেশৰ বিভিন্ন প্ৰান্তত প্ৰতিষ্ঠা লাভ কৰিছে। নৱ নৱ উদ্ভাৱনত মনোনিৱেশ কৰি তেওঁলোকে আমাক ধন্য কৰিছে। আজি ৰাজ্যখনত নিষ্কৰ্মা, সোৰপা, কানীয়া আদিৰ স্থান নাই। সকলোৱেই প্ৰগতিৰ দিশে গতি কৰিছে।

**খনীন্দ্ৰ নাথ দাস,** *লেখক*

কিন্তু ৰাজনীতিৰ পতন ঘটা বুলি মনত শংসয় হয়। আমি স্বাধীনতা লাভ কৰা ৭৫ বছৰ হ'ল সঁচা সেইবুলি দেশৰ ৯৯ শতাংশ লোকে এতিয়াও আৰ্থিকভাৱে স্বাৱলম্বী নহয়। দেশৰ অৰ্থনীতি, ৰাজনীতি আদি নিয়ন্ত্ৰণ কৰে কেইজনমান ধনী-প্ৰতিপতিশালী লোকে। তেওঁলোকৰ নিৰ্দেশত চলে দেশৰ শাসন। ১৮৮৬ৰ ভূমিনীতিৰ ফলত ৰাজ্যখনৰ সৰ্বসাধাৰণ কৃষকৰ অৱস্থা আজি পয়ালগা চৰকাৰে ইচ্ছা কৰিলেই ভূমি অধিগ্ৰহণ কৰি কৃষিকৰ্মত ব্যৱহৃত মাটি-উদ্যোগ আদিলৈ ৰূপান্তৰ কৰি কৰ্প'ৰেট গোষ্ঠীক গতাব পাৰে। গতাই আছেও। গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ কৰ্তৃত্বও লাভ কৰিছে আদানী গ্ৰুপে। ৰাজহুৱা সা-সম্পত্তি, খনিজ, জলজ, ৰিফাইনেৰী, শিক্ষাখণ্ড, পৰিবহণ, বন, চিকিৎসা সেৱা, খেলপথাৰ, চিৰিয়াখানা, অভয়াৰণ্য আদিও কৰ্প'ৰেট গোষ্ঠীক চলাবলৈ লিজত দিব বুলি সংবাদ মাধ্যমযোগে জানিব পাৰিছো। এয়ে হৈছে ৭৫ বছৰীয়া স্বাধীনতাই আমাক দিব ওলোৱা ছবি।

# অন্তহীন ৰাহুগ্ৰাসত কংগ্ৰেছ

## নেহৰু-গান্ধী পৰিয়ালৰ নিৰংকুশ কৰ্তৃত্বই হৈছে কংগ্ৰেছ দলটোৰ বাবে পূৰ্ণ ৰাহুগ্ৰাসসদৃশ

হিন্দুৰ পৌৰাণিক আখ্যান মতে সাগৰ মন্থনত ওলোৱা অমৃত বিতৰণৰ সময়ত অসুৰ ৰাহুৱে ৰূপ সলাই দেৱতাসকলৰ মাজত মনে মনে বহি লৈ অমৃতৰ ভাগ লৈছিল আৰু অমৰত্ব লাভ কৰিছিল; কিন্তু সূৰ্য আৰু চন্দ্ৰই ৰাহুক ধৰা পেলোৱাত বিষ্ণুৱে সুদৰ্শন চক্ৰৰে ৰাহুৰ ডিঙি কাটি দুখণ্ড কৰিছিল; কিন্তু অমৃত খাই অমৰ হোৱা ৰাহু কটা মূৰটোৱেই জীয়াই থাকিল। আৰু সেই কটা মূৰটোৱেই প্ৰতিশোধ ল'বলৈ সূৰ্যক বিশেষ ক্ষণত একোবাৰকৈ গ্ৰাস কৰে; কিন্তু ৰাহুৰ কেৱল কটা মূৰটোহে থকাত সূৰ্যক গিলিলেও ধৰি ৰাখিব নোৱাৰে। তলফালেদি সূৰ্যটো আকৌ ওলাই যায় আৰু নিজৰ কান্তিৰে আগৰ দৰেই জগত পোহৰ কৰে। নহ'লেতো সৃষ্টিখন সদায় অন্ধকাৰতে ডুব গৈ থাকিলহেঁতেন। (সাগৰ মন্থনত দেৱতাসকলৰ সমানে অসুৰসকলেও কষ্ট কৰিছিল; কিন্তু অমৃত বিতৰণৰ সময়ত দেৱতাসকলে বিষ্ণুৰ স'তে মন্ত্ৰণা কৰি অসুৰসকলক অমৃত-পানৰ পৰা বঞ্চিত কৰাটো ঘোৰ অন্যায় আছিল বুলিহে ক'ব লাগিব। অসুৰক যদি অমৰত্ব দিবই নোৱাৰি, তেনেহ'লে সাগৰ মন্থনতো তেওঁলোকৰ সহায় ল'ব নালাগিছিল।)

সি যি কি নহওক, এতিয়াৰ কংগ্ৰেছ দলটো যিটো ৰাহুৰ গ্ৰাসত সোমাই পৰিছে, সি এটা পূৰ্ণাবয়ৱ শৰীৰ, কোনো কটা মূৰ নহয়। গতিকে সেই ৰাহুৰ উদৰৰ পৰা জীৱন্তে ওলাই অহাটো কংগ্ৰেছৰ বাবে একপ্ৰকাৰ অসাধ্য যেনেই দেখা গৈছে। এই সংকট মোচনৰ বাবে আবাহন কৰিবলৈ বজৰংবলীও এতিয়া আৰু নাই।

স্বাধীনোত্তৰ কালত প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ দিনৰ পৰাই শাসক কংগ্ৰেছ দল আৰু চৰকাৰখনৰ ওপৰত তেওঁৰ আৰু তেওঁৰ দুহিতা ইন্দিৰাৰ নিৰ্ণায়ক প্ৰভাৱৰ পৰম্পৰা আৰম্ভ হৈছিল। নেহৰুৱে তেওঁৰ ক্ষমতা আৰু খ্যাতিৰ জোৰত সমগ্ৰ দলটোক নিজৰ বহতীয়া কৰি লৈছিল। চৰ্দাৰ পেটেলৰ মৃত্যুৰ পাছত দলটোৰ ভিতৰত তেওঁৰ কোনো প্ৰতিদ্বন্দ্বীয়েই নোহোৱা হৈ পৰিছিল। আনকি সেই সময়ৰ বিৰোধী পক্ষও (সম্ভৱ আৰ-এছ-এছ আৰু জনসংঘক বাদ দি) তেওঁৰ প্ৰতি মোহগ্ৰস্ত হৈ ৰৈছিল। অথচ ভাৰতীয় ৰাজনীতিত বিৰোধী শক্তিৰ সাংবিধানিক উত্থানকো তেওঁ সহ্য নকৰিছিল। জীয়েক তথা তদানীন্তন কংগ্ৰেছ সভানেত্ৰী ইন্দিৰা গান্ধীৰ সহযোগত তেওঁ কেৰালাৰ বাওঁ চৰকাৰখন ভাঙি দিবলৈও কুণ্ঠাবোধ কৰা নাছিল। নেহৰুৱে তেওঁৰ পাছত ইন্দিৰা গান্ধী প্ৰধানমন্ত্ৰী হোৱাটোও কামনা কৰিছিল; কিন্তু তেওঁৰ মৃত্যুৰ লগে-লগে ইন্দিৰা গান্ধীক প্ৰধান মন্ত্ৰী পতাটো সমুচিত নহ'ব বুলি ভাবিয়েই দলে লালবাহাদুৰ শাস্ত্ৰীক সেই আসনত থাপিছিল যেন লাগে। ভাৰতবাসীৰ দুৰ্ভাগ্য যে তাছখণ্ডত এটা অতি ৰহস্যজনক পৰিস্থিতিত প্ৰধানমন্ত্ৰী শাস্ত্ৰীৰ অকাল মৃত্যু ঘটে। সেই মৃত্যুৱে ইন্দিৰা গান্ধীৰ ক্ষমতাৰোহণ ত্বৰান্বিত কৰিলে। আৰম্ভ হ'ল ইন্দিৰা গান্ধীৰ স্বৈৰাচাৰী আমোল। দলত নিজৰ অবিসম্বাদী কৰ্তৃত্ব বাহাল ৰখাৰ স্বাৰ্থতে তেওঁ কংগ্ৰেছ দলটোকে ভাঙি দুভাগ কৰিলে আৰু নিজৰ অনুগতসকলক লৈ কংগ্ৰেছ (ইন্দিৰা) দল গঠন কৰি নিৰ্বাচনী প্ৰতীক হিচাপে হাতখন ল'লে। যি কাৰণতেই নহওক, তেওঁৰ বিৰোধী মূল কংগ্ৰেছী দলটো বেছি দিন টিকি নাথাকিল আৰু কটা হাত চিনৰ কংগ্ৰেছ (ই) ভাগটোৱেই সময়ত একমাত্ৰ কংগ্ৰেছ দল হৈ পৰিল। আগৰ জাতীয় কংগ্ৰেছৰ উত্তৰাধিকাৰ স্বাভাৱিকভাৱেই ইন্দিৰা গান্ধীৰ অংশটোৰ হস্তগত হ'ল। তাৰ লগে লগে সমগ্ৰ কংগ্ৰেছ (ই) দলটোৱেই পৰিণত হ'ল ইন্দিৰা গান্ধীৰ পৰিয়ালটোৰ ব্যক্তিগত



**অসবৰ্ণ**
**হীৰেন গগৈ**

প্ৰতিষ্ঠানত। আজিও দলটোৰ মালিকীস্বত্ব সেইটো পৰিয়ালৰ হাততে। প্ৰয়াত ইন্দিৰা গান্ধীৰ বৈধ উত্তৰাধিকাৰী হিচাপে ছোনিয়া গান্ধী আৰু তেওঁৰ সন্তানদ্বয় ৰাহুল আৰু প্ৰিয়ংকাই হ'ল সেই প্ৰতিষ্ঠানৰ বৰ্তমান সঞ্চালকমণ্ডলী।

সেয়ে কাৰ্যতঃ নেহৰু-গান্ধী পৰিয়ালৰ ব্যক্তিগত সম্পত্তিত পৰিণত হোৱা আৰু সেই পৰিয়ালটোৰ ঐতিহ্যক লৈয়ে জীয়াই থকা এই কংগ্ৰেছ নামৰ প্ৰতিষ্ঠানটোৰ মালিকানা সলাই সঁচা অৰ্থত তাক এক ৰাজহুৱা বা গণতান্ত্ৰিক প্ৰতিষ্ঠানৰ ৰূপ দিয়াটো সহজসাধ্য হৈ থকা নাই। দলটোৰ সভানেত্ৰী ছোনিয়া গান্ধী যদিও কেইবছৰমানৰ আগতে তেওঁ সেই পদ এৰি পুত্ৰ ৰাহুলক সভাপতি পাতিছিল; কিন্তু কোনো কামৰ মানুহ নোহোৱা ৰাহুলে সেই দায়িত্ব চম্ভালিব নোৱাৰি এৰি দিয়াত পুনৰ অসুস্থ ছোনিয়া গান্ধীয়েই অস্থায়ীভাৱে সেই দায়িত্ব পুনৰ নিজৰ কান্ধতে তুলি লয়; কিন্তু দলটোৰ বাবে প্ৰয়োজনীয় সময় আৰু শ্ৰম তেওঁ দিব নোৱাৰাত স্বাভাৱিকতে দলটোৰ কাম-কাজৰ পৰিচালনাত কিছু বেমেজালি ঘটিবলৈ ধৰে। তদুপৰি যোৱা দুটাকৈ লোকসভা নিৰ্বাচনত দলটোৰ শোচনীয় পৰাজয় হোৱাৰ উপৰি বহুকেইখন ৰাজ্যত দলটো ক্ষমতাচ্যুত হৈছে। সেই পৰিস্থিতিতে



গোলাম নবী আজাদ, কপিল চিবাল আদিৰ দৰে একাংশ জ্যেষ্ঠ আৰু দায়িত্বশীল নেতাৰ নেতৃত্বত জি-২৩ নামেৰে পৰিচিত হোৱা নেতাৰ দল এটাই দলটোৰ সংস্কাৰ আৰু এজন পূৰ্ণকালীন সভাপতিৰ নিৰ্বাচন দাবী কৰি ছোনিয়া গান্ধীৰ ওচৰত লিখিত আবেদন জনাইছিল। তাকে লৈ সংবাদ মাধ্যমত যথেষ্ট আলোচনাও হৈছিল। সেই ঘটনাৰ ন মাহৰ পাছত সভানেত্ৰী ছোনিয়া গান্ধীয়ে যোৱা ১৬ অক্টোবৰৰ পৰা দলৰ কাৰ্যনিৰ্বাহক সমিতিৰ বৈঠক পাতিলে আৰু বৈঠকৰ আৰম্ভণিতেই সকলোকে সোঁৱৰাই

**বিবেক, আত্মসন্মান আৰু সংস্কাৰৰ চেতনা নথকা এগাল নেতা আৰু কৰ্মীয়ে জুম বান্ধি থিয় দিলেও তেওঁলোকে দেশ আৰু দেশবাসীৰ বাবে একো আশাৰ বতৰা লৈ যাব নোৱাৰে। গণতান্ত্ৰিক চেতনাই যাৰ নাই, তেওঁলোকে দেশখনৰ গণতন্ত্ৰ আৰু দেশবাসীৰ স্বাভিমান ৰক্ষা কৰিব কি শকতিৰে**

দিলে যে তেৱেঁই দলটোৰ পূৰ্ণকালীন সভানেত্ৰী আৰু তেওঁৰ পাছতেই দলৰ সকলোৱে ঐক্যবদ্ধভাৱে থিয় দিব লাগিব আৰু সকলোৱেই দলৰ শৃংখলা অটুত ৰাখি নিয়ন্ত্ৰিত হ'ব লাগিব। সেয়াই আছিল জি-২৩ দাবীৰ কঢ়া প্ৰত্যুত্তৰ। তাৰ পৰা স্পষ্ট যে তেওঁ তথা তেওঁৰ পৰিয়ালে দলটোৰ মালিকীস্বত্ব কেতিয়াও এৰি নিদিয়ে। তেওঁৰ পাছত যে পুনৰ ৰাহুল গান্ধীয়েই দলটোৰ সভাপতি (বা মালিক) হ'ব, তাকো ছোনিয়া আৰু ৰাহুল দুয়ো প্ৰায় স্পষ্ট কৰি দিছে। ৰাহুলে কৈছে যে দলৰ সভাপতি হোৱাৰ কথাটো তেওঁ পুনৰ বিবেচনা কৰি চাব। ৰাহুল গান্ধীৰ 'বিবেচনা' মানেই তেওঁৰ সিদ্ধান্ত। পিতৃ-মাতৃৰ উত্তৰাধিকাৰ স্বীকাৰ কৰি ল'ব পৰাকৈ তেওঁৰ দায়িত্বজ্ঞান ইতিমধ্যে হৈ গৈছে। কংগ্ৰেছৰ সংস্কাৰ আৰু নেতৃত্ব পৰিৱৰ্তনৰ সামান্যতম সম্ভাৱনাও এতিয়া আৰু বাকী থকা নাই।

নেহৰু-গান্ধী পৰিয়ালৰ নিৰংকুশ কৰ্তৃত্বই হৈছে কংগ্ৰেছ দলটোৰ বাবে পূৰ্ণ ৰাহুগ্ৰাসসদৃশ। তাৰ পাছতো কংগ্ৰেছৰ বিবেকবান আৰু আত্মসন্মান-সচেতন নেতা আৰু কৰ্মীসকল কেনেকৈ দলটোত সোমাই থাকিব, মোৰ বাবে ভাবিব নোৱাৰা কথা। বিবেক, আত্মসন্মান আৰু সংস্কাৰৰ চেতনা নথকা এগাল নেতা আৰু কৰ্মীয়ে জুম বান্ধি থিয় দিলেও তেওঁলোকে দেশ আৰু দেশবাসীৰ বাবে একো আশাৰ বতৰা লৈ যাব নোৱাৰে। গণতান্ত্ৰিক চেতনাই যাৰ নাই, তেওঁলোকে দেশখনৰ গণতন্ত্ৰ আৰু দেশবাসীৰ স্বাভিমান ৰক্ষা কৰিব কি শকতিৰে? এটা গোলামৰ দলে পুনৰ কেনেবাকৈ ক্ষমতা দখল কৰিলেও দেশখনত স্বৈৰাচাৰহে চলিব, কাৰণ স্বৈৰাচাৰ অবিহনে মালিকসকলৰ মালিকীস্বত্ব আৰু কৰ্তৃত্ব বৰ্তি নাথাকিব আৰু গোলামসকলো নিজৰ অধিকাৰ সম্পৰ্কে সচেতন হ'বলৈ ধৰিব।

ছোনিয়া গান্ধীয়ে কৈছে, দেশৰ সকলোৱে পৰিৱৰ্তন বিচাৰিছে। তেওঁৰ এই বিচাৰ কিমান বাস্তৱসন্মত, কোৱা টান। দেশত এতিয়া বিজেপিৰ ৰাজ চলিছে। পৰিৱৰ্তন মানে বিজেপিক উৎখাত কৰি আন কৰোবাক ক্ষমতাত অধিষ্ঠিত কৰা। জনতাৰ এটা অংশই সেইটো নিশ্চয় বিচাৰিব পাৰে আৰু হয়তো বিচাৰিছেও; কিন্তু নিৰ্বাচনসমূহে প্ৰমাণ কৰিছে যে পৰিৱৰ্তন বিচৰা সেই অংশটো সংখ্যাগৰিষ্ঠ নহয়। পশ্চিমবংগৰ দৰে দুই-চাৰিখন ৰাজ্যত বিজেপিৰ বিকল্প লোকৰ সংখ্যা বেছি হ'লেও তেওঁলোকৰ বিস্তাৰ নিজ নিজ ৰাজ্যতে সীমাবদ্ধ। সমগ্ৰ দেশৰ সংখ্যাগৰিষ্ঠ জনসমষ্টিৰ 'মুড' সেইটো নহয়। দেশখনৰ সামগ্ৰিক ৰাজনৈতিক পৰিস্থিতি এনেদৰে থাকিলে অ-বিজেপি চৰকাৰ থকা ৰাজ্যকেইখনৰ জনতায়ো পৰিৱৰ্তন বিচাৰিব পাৰে আৰু সেই পৰিৱৰ্তনক সাকাৰ ৰূপ দিবলৈ সেই ৰাজ্যবোৰত বিজেপিয়েই শক্তিশালী বিকল্পৰ ৰূপত বৰ্তি আছে। গতিকে ৰাজ্যই ৰাজ্যই পৰিৱৰ্তনৰ ৰূপটো বেলেগ হ'বই। আনহাতে সমগ্ৰ দেশত বা কেন্দ্ৰত বিজেপিক ক্ষমতাচ্যুত কৰিবলৈ এটা দেশজোৰা বা ৰাষ্ট্ৰীয় বিকল্পৰ প্ৰয়োজন হ'ব। অথচ দেশখনত সেই বিকল্পৰে আজি ভীষণ অভাৱ। দেশৰ প্ৰধান ৰাষ্ট্ৰীয় বিৰোধী দল কংগ্ৰেছ এতিয়া দলীয় সংহতি আৰু আত্মবিশ্বাসৰ সংকটত গভীৰভাৱে নিমজ্জিত। নেহৰু-গান্ধী পৰিয়ালটোৰ ৰাজকীয় স্বৈৰাচাৰ দেশবাসীয়ে বৰদাস্ত নকৰে। দলটোৰ সেই পৰিয়ালতন্ত্ৰৰ বাবেই তেওঁলোক এঘৰীয়া হ'বলগীয়া হৈছে। অথচ সেই বাস্তৱতাক স্বীকাৰ কৰি ল'বলৈও দলটো অক্ষম। তদুপৰি সেই পৰিয়ালত এতিয়া যোগ্য নেতাৰো অভাৱ। ৰাহুল গান্ধীক প্ৰধানমন্ত্ৰী হিচাপে বিচৰা মানুহ কেই হেজাৰ ওলাব? কংগ্ৰেছৰ বাহিৰে আৰু কোনো বিৰোধী দলৰে ৰাষ্ট্ৰজোৰা সাংগঠনিক ভিত্তি নাই। ৰাষ্ট্ৰীয় চৰিত্ৰৰ বাওঁ দলকেইটাৰো শক্তি দ্ৰুত ক্ষয়মানহে। এই পৰিস্থিতিত বিজেপিক ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰত্যাহ্বান জনাব পৰা কোনো এটা শক্তিও নাই। আনহাতে, বিৰোধী দলবোৰ আটায়ে লগ লাগি এটা ৰাষ্ট্ৰীয় মৰ্চা সংহত ৰূপত গঠন কৰাৰ পৰিৱেশো তেওঁলোকে নিজেই নষ্ট কৰি আছে।

আচলতে দেশখনত কংগ্ৰেছেই আছিল একমাত্ৰ ৰাষ্ট্ৰীয় দল, যিটোৱে বিজেপিক সজোৰে আৰু সফলতাৰে প্ৰত্যাহ্বান জনাব পাৰিলেহেঁতেন; কিন্তু দলটোৱে সেই সম্ভাৱনাক নিজেই নষ্ট কৰি আছে। যি দলে নিজকে সংস্কাৰ কৰিব নোৱাৰে আৰু জনসাধাৰণৰ মন-মানসিকতাক বুজিবলৈও চেষ্টা নকৰে, তেনে এটা দলক জনসাধাৰণে পুনৰ আঁকোৱালি ল'ব কি আশা আৰু বিশ্বাসত? কংগ্ৰেছৰ প্ৰথম কৰ্তব্যই আছিল ৰাহু দশা দূৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা; কিন্তু তেওঁলোকৰ ভাগ্যচক্ৰত ৰাহু ইমান শক্তিশালী অৱস্থানত আছে যে তাক খণ্ডন কৰাৰ উপায় বিচাৰিবলৈও দলটো অক্ষম।

বৰ্তমানলৈকে কংগ্ৰেছৰ যি অৱস্থা চলি আছে, তালৈ চাই দলটো একেবাৰে নিশ্চিহ্ন হৈ যোৱাই ভাল যেন লাগে। সি যদি কেনেবাকৈ বাচিও থাকে, তথাপি দলটোৰ শ্ৰীবৃদ্ধি হোৱাৰ আশা নাই আৰু আনকো সি আগবাঢ়িবলৈ নিদিয়ে। দেশবাসীৰ দুৰ্ভাগ্য বুলিয়েই তাক ক'ব লাগিব। ৰাষ্ট্ৰীয় পৰ্যায়ত বিজেপি চৰকাৰখন আৰু দলটো এনেদৰে বিকল্পহীন বা অপ্ৰতিদ্বন্দ্বী হৈ থাকিলে তেওঁলোকো বেপৰোৱা আৰু ভ্ৰষ্টাচাৰী হোৱাৰ দুৰ্ভাৱনাৰ সৃষ্টি হ'ব। কিন্তু বিৰোধীয়ে নিজকে সংহত আৰু শিক্ষিত ৰূপত নতুনকৈ গঢ় দিবলৈ চেষ্টা নকৰিলে জনসাধাৰণৰ উপায় কি।

*ফোন ঃ ৮৮১১৮২৭৪৩২*

# ভোগৰ লালসাত আপুনি প্ৰতাৰিত হ'ব পাৰে

## সম্প্ৰতি পণ্যৰ বজাৰখন অতি নিপুণ কৌশলেৰে পৰিচালিত হৈ আহিছে

**কেতিয়া,** কেনেকৈ আৰু কোন মুহূৰ্তত ভোগৰ তীব্ৰ লালসাই আপোনাৰ মনৰ গভীৰতাত স্থিতি লৈছে, আপুনি হয়তো গমেই পোৱা নাই। একমাত্ৰ স্থিতি লোৱাই নহয়, আপোনাৰ গোপন কক্ষত, আপোনাৰ দেহ-মন সমগ্ৰ সত্তাত তাৰ উপস্থিতি বিদ্যমান। পূজাৰ নিচিনা উৎসৱবিলাকত এই ভোগবাদে আপোনাক অহৰহ উচটাই থাকিব পাৰে। আজি আপোনাৰ প্ৰতিটো ইচ্ছা-অনিচ্ছা, তাৰ নিয়ন্ত্ৰণাধীন আৰু আপোনাৰ সুখ-দুখ, ভাল লগা, বেয়া লগা সকলোতে তাৰ উপস্থিতি। আপোনাৰ নিজস্ব সত্তা নিয়ন্ত্ৰিত হয় তাৰ সুচতুৰ কৌশলত। আপুনি যদি তাক প্ৰশ্ন কৰিবলৈ যায়, তেনেহ'লে প্ৰশ্ন কৰিব লাগিব নিজক অথচ আপোনাৰ দম্ভ-অহংকাৰ আদি অহমিকাবোধ গঢ়ি তুলিছে তাৰ নিজস্ব স্বাৰ্থৰ প্ৰয়োজনত।

প্ৰকৃততে এইখিনি অৱতাৰণা কৰাৰ মূলতে আছে ভোগবাদৰ অনন্য প্ৰতাৰণা। এই প্ৰতাৰণাতেই পৰিচালিত হৈছে সম্প্ৰতি পণ্যৰ অপ্ৰতিৰোধ আধিপত্য। উল্লিখিত কথাখিনি প্ৰকাশ কৰা ৰহস্য আৰু ভাবাৰ্থ অতি সৰল। স্পষ্টকৈ ক'বলৈ গ'লে আমাৰ দৈনন্দিন জীৱন যাত্ৰাত বিভিন্ন ধৰণৰ সামগ্ৰীৰ ওপৰত আমি চূড়ান্তভাৱে কিমান নিৰ্ভৰশীল, এইটো সম্প্ৰতি বিচাৰ্য বিষয় হৈ পৰিছে। আমাৰ সমাজত পণ্য বা সামগ্ৰী উৎপাদনৰ মালিক বা পুঁজিপতি অথবা নিয়ন্ত্ৰকে উৎপাদন কৰে লাভৰ কাৰণে, সাধাৰণ লোকৰ বাবে প্ৰয়োজন হ'ব নে নহয়, সেয়া তেওঁলোকৰ বিবেচনাৰ বিষয় নহয়; কিন্তু আপুনি ভাবিব পাৰে যে যিবিলাক সামগ্ৰী উৎপাদন কৰিলে সেইবোৰ বিক্ৰী কেনেকৈ হ'ব? ইয়াৰ উত্তৰত ক'ব পাৰি যে সামগ্ৰী উৎপাদনৰ লগে লগে ক্ৰেতাৰ বা গ্ৰাহকৰ এক মানসিকতা গঢ়ি তোলা হয়। অৰ্থাৎ সামগ্ৰী উৎপাদনে আজি ভোক্তাৰ ৰুচি বা পছন্দ আৰু ইচ্ছাক সামগ্ৰীবিধ ক্ৰয় কৰাৰ এক প্ৰলুব্ধ মানসিকতাৰ সৃষ্টি কৰে। নানাবিধ সামগ্ৰী প্ৰয়োজনত বা সামগ্ৰী বিচৰাৰ প্ৰয়োজনত মানুহক অৰ্থাৎ মানুহৰ ৰুচিবোধ, ভাল-বেয়া মানসিকতাক অত্যন্ত কৌশলগতভাৱে সজাই তোলা হয়। এনেদৰে সামগ্ৰী বজাৰৰ কাৰণে মানুহক গঢ়ি তোলা হয়, সামগ্ৰীৰ বাবে বস্তু বা সামগ্ৰী নহয়, বস্তুৰ বাবেহে মানুহক প্ৰস্তুত কৰি

**ড° অনিল কুমাৰ শইকীয়া**

পেলোৱা হয়। ইয়াৰ পাছত তেনেবোৰ সামগ্ৰী বা বস্তুৰ অভাৱত গ্ৰাহকে অস্বস্তি বোধ কৰে আৰু এদিন গ্ৰাহকে সেই সামগ্ৰী পাবলৈ ভীষণভাৱে ব্যাকুল হৈ পৰে। এনেদৰে ভোক্তা বা গ্ৰাহকৰ মনত অসন্তুষ্টি বা অস্বস্তিকৰ ভাৱ সৃষ্টি কৰি সেই বিশেষ সামগ্ৰীটোৰ চাহিদা পূৰণৰ বাবে উৎপাদক বা পুঁজিপতিসকল তৎপৰ হৈ পৰে। গ্ৰাহকক সামগ্ৰী উৎপাদন কৰোতাই সামগ্ৰীৰ চাহিদাৰ প্ৰতি আকৰ্ষণ বঢ়াই তুলিবলৈ মানুহক উদগ্ৰীৱ কৰি তোলে।

সামগ্ৰী উৎপাদন আৰু সামগ্ৰী বিক্ৰীৰ বাবে বজাৰ সৃষ্টি কৰে, যি বজাৰত গ্ৰাহক উবুৰি খাই পৰে তেনে সামগ্ৰী ক্ৰয় কৰিবলৈ আৰু তেনে চাতুৰ্যত কৌশলগতভাৱে মানুহক প্ৰলুব্ধ কৰি তোলে। প্ৰকৃততে এনেধৰণৰ বজাৰ সৃষ্টি কৰাত সামগ্ৰী উৎপাদনৰ মালিকসকলৰ প্ৰধান আহিলা হৈছে বিভিন্ন ধৰণৰ প্ৰযুক্তি ক্ষমতাৰে উদ্ভাৱন কৰা প্ৰচাৰ মাধ্যমবোৰ। কৃত্ৰিম প্ৰয়োজনীয়তা সৃষ্টি কৰাত প্ৰচাৰ মাধ্যমবোৰ সিদ্ধহস্ত। একমাত্ৰ সাধাৰণ শ্ৰেণীৰ গ্ৰাহককেই নহয়, সচেতন আৰু জ্ঞান-বুদ্ধিসম্পন্ন লোকৰ ক্ষেত্ৰতো এনে প্ৰতাৰণাৰ প্ৰচণ্ড প্ৰভাৱ পৰে। হোৱাটো নোহোৱা কৰি সঁচাক মিছা কৰি প্ৰচাৰ মাধ্যমবোৰে গ্ৰাহক তথা জনসাধাৰণক প্ৰভাৱান্বিত আৰু প্ৰতাৰিত কৰি অহাৰ প্ৰৱণতা তীব্ৰতৰ কৰি তোলে। প্ৰচাৰ মাধ্যমবিলাকৰ ভিতৰত টেলিভিছন, ৰেডিঅ', বাতৰি কাকত, প্ৰকাণ্ড প্ৰকাণ্ড হৰ্ডিং, চিনেমাৰ উপৰি সম্প্ৰতি ই মাৰ্কেটিং, ইণ্টাৰনেট, ম'বাইল, হোৱাটছএপ, ইউটিউব, বিভিন্ন বে-চৰকাৰী ৰেবপ'ৰ্টেল, অন-লাইন সেৱা, জনপ্ৰিয় অভিনেতা-অভিনেত্ৰীক ব্যৱহাৰ কৰি সমগ্ৰ প্ৰচাৰ মাধ্যমবোৰৰ প্ৰভাৱত গ্ৰাহকক দৈনিক প্ৰতাৰণাৰ জালখন বহলাই গৈ আছে।

উল্লেখ্য যে প্ৰচাৰ মাধ্যমৰ উদ্দেশ্যই হৈছে লাভ আহৰণ কৰা। চাবোন, টুথপেষ্ট, ঔষধ, ফ্ৰিজ, বিস্কুট, টিভি, কম্পিউটাৰ, ম'বাইল হেণ্ডছেট, বিলাসী গাড়ী, ফ্লেট আদি সমগ্ৰ বিলাসী সামগ্ৰীৰ বাবে চলোৱা প্ৰচাৰে বিজ্ঞজনকো বিচলিত কৰি তোলে। কোনটো আচল, কোনটো নকল, কোনটো ধৰিব, কোনটো এৰিব আদিৰে গ্ৰাহকক বিভ্ৰান্ত কৰি তোলাটো সম্প্ৰতি প্ৰতিযোগিতাৰ

**মানুহৰ কৰ্ম, আশা-নিৰাশা, হতাশা-যন্ত্ৰণা, ক্ষোভ-অক্ষমতাৰ তাড়না পাহৰি থাকিবৰ বাবে বহুবিলাক সামগ্ৰী ব্যৱহাৰ প্ৰচাৰ মাধ্যমেবোৰৰ দ্বাৰাই সম্ভৱ হৈ উঠিছে। সমাজবিজ্ঞানী লাভাৰোৰ মতে, এই অসহায়তা, অক্ষমতা, হতাশাৰ পৰা বাচি থকা উপায় হিচাপে মানুহৰ বাবে গঢ়ি তোলা হয় এখন মৰীচিকাৰ জগত**

বজাৰখনত প্ৰচাৰ মাধ্যমবোৰৰ কৌশলী কাৰ্যবোৰ মুহূৰ্তে মুহূৰ্তে সংঘটিত হৈ আছে। পিছে কথা হ'ল, আমাৰ ভোক্তা বা গ্ৰাহকসকল কিমান সচেতন? এই অসচেতনতাৰ সুযোগ গ্ৰহণ কৰে সামগ্ৰীৰ উৎপাদক আৰু প্ৰযুক্তিৰ বলত বলিয়ান হৈ উঠা বিভিন্ন প্ৰচাৰ মাধ্যমবোৰে।

গ্ৰাহকৰ এনে মানসিকতাৰ অন্তৰালত থকা বহুবোৰ কাৰণ উল্লেখ কৰিব পাৰি। বহু সংখ্যক লোকৰ জীৱন পৰিক্ৰমাত অভ্যাসৰ নিয়ম অথবা সংস্কৃতিত তেনেবোৰ সামগ্ৰীৰ অস্তিত্ব নিবিড়ভাৱে জড়িত হৈ থাকে আৰু সেই বিশ্বাসৰ ভিত্তি ভূমিত যন্ত্ৰণা আহিলেও পৰিত্যাগ কৰিব নোৱাৰে। আকৌ কিছুমান গ্ৰাহক অসহায়জনক অৱস্থাত পৰাও দৃষ্টিগোচৰ হৈছে। একাংশই আকৌ অস্বাভাৱিকভাৱে ক'ব খোজে যে অমুক সামগ্ৰীটো মই বহুদিন ধৰি ব্যৱহাৰ কৰিছো অথবা সামগ্ৰীটো মোৰ বাবে কোনো অদৰকাৰী নহয়, বৰঞ্চ কম দামত কিনি উপকাৰহে পাই আহিছো আদিৰে বিশ্বাসযোগ্যভাৱে উত্তৰ দিলে তেওঁৰ সন্মুখত সামগ্ৰীটোৰ বিৰুদ্ধে কোনো প্ৰশ্ন অৱতাৰণা কৰাৰ প্ৰয়োজন নাথাকে। বহুসময়ত দোকানীজনেও সামগ্ৰীৰ প্ৰতি গ্ৰাহকক নানা কথাৰে প্ৰলোভিত কৰি আহে।

পিছে তেনেবোৰ প্ৰসাধন সামগ্ৰী, বিভিন্ন ধৰণৰ পানীয় সামগ্ৰী আদিৰ সঁচাকৈয়ে কোনো ব্যৱহাৰিক মূল্য নাই নেকি? মানুহৰ ৰুচি, অনুভূতি, সংস্কৃতি এইবোৰ মূল্যহীন নেকি? ৰুচি-সংস্কৃতিৰ দোহাই দিয়ে যদিও সেই সামগ্ৰীবোৰ প্ৰকৃততে কিহৰ প্ৰয়োজনত সৃষ্টি হৈছে? সচেতনভাৱে লক্ষ্য কৰিলে দেখা যাব যে সামগ্ৰী উৎপাদনৰ মালিকে সামগ্ৰীৰ গুণাগুণৰ বিষয়ে ক'বলৈ যাওঁতে একমাত্ৰ প্ৰচাৰ মাধ্যমেই নহয়, ইয়াৰ গুণাগুণ বৰ্ণনাত এনে কিছুমান চিত্ৰ বা বক্তব্য উত্থাপন কৰে, যিবোৰ প্ৰকৃততে সামগ্ৰীবিধৰ লগত কোনো সামঞ্জস্য নাই, ক্ৰেতা বা গ্ৰাহকৰ মানসিক দুৰ্বলতা, নিৰাপত্তাহীনতা-অতৃপ্তিৰ বাসনাক সচৰাচৰ ব্যৱহাৰ কৰি সামগ্ৰীবোৰ ভোক্তাৰ কাষলৈ ঠেলি পঠোৱা হয়। বহু সময়ত কিছুমান সামগ্ৰী ব্যৱহাৰ মানুহৰ ষ্টেটাছ ছিম্বল হৈ পৰে। সামগ্ৰীটো ব্যৱহাৰ নকৰিলে যেন সমাজখনত পৰিয়ালটোৰ সন্মান বা পদমৰ্যাদা লাঘৱ হ'ব— এনেধৰণৰ পৰিঘটনা সম্প্ৰতি সম্ভৱ হৈ আছে। কেতিয়াবা আকৌ ক্ৰেতাক বিজ্ঞাপনৰ প্ৰচাৰে নেদেখা-নুশুনা জগত এখনৰ লগত সামগ্ৰীবিধ জড়িত কৰি লাভৰ চাতুৰ্য বঢ়াই তোলে।


অতি সম্প্ৰতি পণ্যৰ বজাৰখন অতি নিপুণ কৌশলেৰে পৰিচালিত হৈ আহিছে। সমাজতত্ত্ববিদ ক্ৰাঞ্চৰ এটি সৰল বাক্যই এই কৌশলৰ বৰ্ণনা দিছে এনেদৰে— Creating a new market means Changing a way of life. একোখন বজাৰ সৃষ্টিৰ লগে লগে সামাজিক মূল্যবোধৰো ৰূপান্তৰ সম্ভৱ হৈ উঠে। শিশুৰ শৰীৰৰ বাবে গ্লুকন ডি, মালটোভা, মহিলাৰ বাবে হেয়াৰ ৰিমোভাৰ অথবা অন্যান্য প্ৰসাধন সামগ্ৰীৰ গুণাগুণবোৰে মানুহৰ মাজত এক নতুন মূল্যবোধৰ সৃষ্টি কৰিছে, অৰ্থাৎ স্পষ্টকৈ ক'বলৈ গ'লে অধিক মাত্ৰাত বজাৰ সৃষ্টিৰ কৌশল প্ৰয়োগ কৰা হৈছে। এই বজাৰ সৃষ্টিৰ প্ৰশ্চাদপটত থকা মূল বিষয়টো হৈছে বিজ্ঞাপনৰ অভূতপূৰ্ব সফলতা। ডিজিটেল মিডিয়াৰ যুগত সামগ্ৰীৰ বিজ্ঞাপনে মানুহৰ মানসিকতা সম্পূৰ্ণ কৰায়ত্ত কৰি পেলায়। অন-লাইন বা ই- মাৰ্কেটিঙৰ সহজলভ্যতাত মানুহে এতিয়া নিজগৃহতে বিচৰা সামগ্ৰী লাভ কৰি ক্ৰয়ক্ষেত্ৰত দেখা দিয়া জটিলতাবোৰ নাইকিয়া হৈছে আৰু এক মানসিক আত্মতৃপ্তিত আকণ্ঠ ডুবি মানুহক ভোগৰ প্ৰতি লালসা বঢ়াই তুলিছে। প্ৰচাৰৰ ভেল্কিবাজি একমাত্ৰ সামগ্ৰীৰ ক্ষেত্ৰতেই দেখুওৱা নহয়, সামগ্ৰীৰ বাবে গ্ৰাহকক আকৰ্ষণ কৰি তোলাৰো মোহিনী মন্ত্ৰ বিজ্ঞাপনেও কৰি আহিছে। এই ক্ষেত্ৰত বহু জাতিক নিগমবিলাকৰ সৰ্বাধিক ক্ষমতা থাকে, কাৰণ সেই বিজ্ঞাপনৰ বাবে সিবিলাকে অত্যাধিক ব্যয় কৰিবলৈ সাজু হৈ থাকে। তেনে প্ৰতিষ্ঠানবিলাকে বিশ্বব্যাপী এজেন্সিৰ সহযোগত এজেণ্ট নিয়োগ কৰি বিক্ৰীৰ ব্যৱস্থা কৰি আহিছে। একাংশ ভুৱা আৰু অসাধু এজেণ্টে হোজা জনসাধাৰণক প্ৰতাৰণা কৰি অহাৰো অলেখ উদাহৰণ আছে। প্ৰকৃততে বহুজাতিক প্ৰতিষ্ঠানবিলাকে বজাৰত একচেটিয়া অধিকাৰ লাভ কৰি (পেটেণ্ট অধিকাৰো হ'ব পাৰে) প্ৰতিষ্ঠানটোৱে প্ৰয়োজন অনুসৰি ভোক্তা বা গ্ৰাহকৰ ৰুচিবোধ, চিন্তাধাৰা সৰ্বোপৰি জীৱন পৰিক্ৰমাক নিয়ন্ত্ৰণ কৰি পেলায়।

এক অদ্ভুত কৌশলৰ কবলত সোমাই ভোগবাদৰ জগতখনত হাবু-ডুবু খাই মানৱ সমাজখন সম্প্ৰতি দিশহাৰা হৈ অস্থিৰতাত ভুগিছে। মানুহৰ কৰ্ম, আশা-নিৰাশা, হতাশা-যন্ত্ৰণা, ক্ষোভ-অক্ষমতাৰ তাড়না পাহৰি থাকিবৰ বাবে বহুবিলাক সামগ্ৰী ব্যৱহাৰ প্ৰচাৰ মাধ্যমেবোৰৰ দ্বাৰাই সম্ভৱ হৈ উঠিছে। সমাজবিজ্ঞানী নাভাৰোৰ মতে, এই অসহায়তা, অক্ষমতা, হতাশাৰ পৰা বাচি থকা উপায় হিচাপে মানুহৰ বাবে গঢ়ি তোলা হয় এখন মৰীচিকাৰ জগত।

এনেদৰে চক্ৰীয় গতিত সামগ্ৰীৰ বজাৰে মানুহৰ ভোগৰ লালসা বঢ়াই যায়। সমাজখন আক্ৰান্ত হৈ এখন চাতুৰ্যময় মায়াজালত আৱদ্ধ হৈ পৰিছে আৰু মানুহৰ জীৱন যাত্ৰা হৈ পৰিছে বিপৰ্যস্ত। এতিয়া ইয়াত সামগ্ৰীৰ অভাৱ নহয় (কৃত্ৰিম নাটনিৰ বাদে), সামগ্ৰী লোকচান বা নষ্টও নহয়, অথবা অত্যাধিক সামগ্ৰীয়ে অত্যাধিক ভোক্তাক সামৰি লয়। সেয়ে অৰ্থনীতিবিদ জে বি চেইৰ বিখ্যাত বজাৰ বিধিটো প্ৰযোজ্য হৈ আছে বুলি ক'ব পাৰি নেকি যে Supply creats its own demand.

*ফোন ঃ ৬০০১৬৮৫৭৮৪১*

দৈনিক অগ্ৰদূত



শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ কৰ্ণধাৰ স্বৰূপ একশৰণ ভাগৱতী সমাজৰ প্ৰাণ প্ৰতিষ্ঠাতা আৰু শ্ৰীমন্ত শংকৰদেৱৰ বঁটা বিজয়ী প্ৰয়াত ইলাৰাম দাস বৈষ্ণৱ ধৰ্ম-সাহিত্য-সংস্কৃতিৰ এগৰাকী পুৰোধা ব্যক্তি। ধৰ্মীয় দিশত তেওঁৰ অধ্যয়ন পৈণত আৰু বক্তা হিচাপে এসময়ত তেওঁ অসমৰ ইমূৰ-সিমূৰ সকলোতে সকলো শ্ৰোতাকে মন্ত্ৰমুগ্ধ কৰি সাৰলীল ভাষাত সকলোৰে ৰস পান কৰিব পৰাকৈ 'নামঘোষা ৰসামৃত' নামেৰে এখনি গ্ৰন্থ প্ৰকাশ কৰি সমাদৰ লাভ কৰিছিল। আজি তেওঁৰ অষ্টদশ পৱিত্ৰ পুণ্য তিথিত এই গ্ৰন্থখনিৰ পুনৰ আলোকপাত কৰি এটি চমু সমীক্ষা আগবঢ়োৱা হ'ল যাতে তেওঁৰ মধুৰ লিখনিৰ এটি চমু আভাস সকলোৰে পুনৰ স্মৰণ কৰিব পাৰে।

# ইলাৰাম দাসৰ 'নামঘোষা ৰসামৃত'

## এটি চমু আলোকপাত

### ১৮ সংখ্যক মৃত্যুবাৰ্ষিকী উপলক্ষে

**প্ৰফুল্লপ্ৰাণ মহন্ত**

**একালৰ** শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ কৰ্ণধাৰ স্বৰূপ একশৰণ ভাগৱতী সমাজৰ প্ৰাণ প্ৰতিষ্ঠাতা আৰু শ্ৰীমন্ত শংকৰদেৱৰ বঁটা বিজয়ী প্ৰয়াত ইলাৰাম দাস বৈষ্ণৱ ধৰ্ম-সাহিত্য-সংস্কৃতিৰ এগৰাকী পুৰোধা ব্যক্তি। ধৰ্মীয় দিশত তেওঁৰ অধ্যয়ন পৈণত আৰু বক্তা হিচাপে এসময়ত তেওঁ অসমৰ ইমূৰ-সিমূৰ সকলোতে সকলো শ্ৰোতাকে মন্ত্ৰমুগ্ধ কৰি সাৰলীল ভাষাত সকলোৰে ৰস পান কৰিব পৰাকৈ 'নামঘোষা ৰসামৃত' নামেৰে এখনি গ্ৰন্থ প্ৰকাশ কৰি সমাদৰ লাভ কৰিছিল। আজি তেওঁৰ অষ্টদশ পৱিত্ৰ পুণ্য তিথিত এই গ্ৰন্থখনিৰ পুনৰ আলোকপাত কৰি এটি চমু সমীক্ষা আগবঢ়োৱা হ'ল যাতে তেওঁৰ মধুৰ লিখনিৰ এটি চমু আভাস সকলোৰে পুনৰ স্মৰণ কৰিব পাৰে। আজি আমাৰ মাজত এইগৰাকী বৈষ্ণৱ পণ্ডিত ইলাৰাম দাস নাই, তেওঁৰ এসময়ৰ গুণ গৰিমা সৃষ্টি প্ৰতিভা আদি অসমৰ বিভিন্ন স্থানত প্ৰতিভাত হৈ আছে আৰু থাকিবও। গুৰুজনাৰ আদৰ্শৰে পিছপৰা মানুহক আগবঢ়াই শ্ৰীমন্ত শংকৰ-মাধৱৰ মহিমাময়ী ধৰ্মশাস্ত্ৰ আদি আলোচনা কৰি পিছপৰা সম্প্ৰদায়সমূহক সংস্কাৰিত কৰিছিল আচাৰ্য ইলাৰাম দাসে। সমগ্ৰ বৈষ্ণৱ ধৰ্মীয় মাৰ্গত বেদ বেদান্ত স্মৃতি, পুৰাণ, শ্ৰীমদ্ভাগৱত আৰু গীতা আদি ধৰ্মীয় শাস্ত্ৰৰ আধাৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে একশৰণ ভাগৱতী ধৰ্ম প্ৰচাৰ কৰি ধৰ্মীয় ব্যভিচাৰৰ অন্ত পেলালে তেৰাৰ প্ৰপন্ন শিষ্য মহাপুৰুষ মাধৱদেৱে এই সকলো শাস্ত্ৰ মন্থন কৰি এক মহান শাস্ত্ৰ নামঘোষা নামেৰে এক বিৰল শাস্ত্ৰ ৰচনা কৰি গুৰু ধৰ্মৰ প্ৰভাৱ বিস্তাৰ কৰি সোণত সুৱগা চৰাই তুলিলে।

এই নামঘোষাৰ তত্ত্ব ভেদি পৰৱৰ্তী কালত বহুতো বৰেণ্য বৈষ্ণৱ পুৰোধা লোকে এই শাস্ত্ৰৰ তত্ত্বসমূহ সমাজত সদৰী কৰি তুলিছিল। এইসকলৰ ভিতৰত বৰপেটা সত্ৰৰ পণ্ডিত নাৰায়ণ চন্দ্ৰ মিশ্ৰ বৰুৱা, সত্ৰৰ সত্ৰাধিকাৰ তীৰ্থনাথ গোস্বামী, অধ্যাপক ড° পূৰ্ণানন্দ শইকীয়া, মঙলদৈ খটৰা সত্ৰৰ সত্ৰাধিকাৰ পুৰাৰাম মহন্ত, একশৰণ ভাগৱতী সমাজৰ আচাৰ্য ইলাৰাম দাস আদি। অৱশ্যে কোৱা বাহুল্য যে 'নামঘোষাৰ দৰে এখনি উচ্চস্তৰৰ শাস্ত্ৰৰ মৰ্মভেদ কৰাটো অতিশয় কঠিন কাম। আচাৰ্য ইলাৰাম দাসে যুৱ সমাজক আধ্যাত্মিক দিশত ধাৱমান কৰোৱাবলৈ 'সদৌ অসম তৰুণ বিদ্যাৰ্থী সমাজ' নামেৰে এটি যুৱ সমাজ প্ৰতিষ্ঠা কৰিছিল। এইখিনিতে উল্লেখযোগ্য যে আচাৰ্যগৰাকীৰ এই আৰ্হি পৰৱৰ্তী কালত অসমৰ আন আন গুৰুধৰ্ম প্ৰচাৰ-প্ৰসাৰৰ উদ্দেশ্যে প্ৰতিষ্ঠিত অনুষ্ঠানেও গ্ৰহণ কৰিছে। লগতে যুৱক-যুৱতীসকলৰ কায়িক, মানসিক, আধ্যাত্মিক আৰু নৈতিক উৎকৰ্ষ সাধনাৰ্থে, 'তৰুণ বিদ্যাৰ্থী সমাজৰ লক্ষ্য আৰু উদ্দেশ্য নামৰ গ্ৰন্থখনিও ৰচনা কৰি থৈ যোৱা এই অমূল্য গ্ৰন্থভাগৰ সোণসেৰীয়া বাণীসমূহৰ লগতে আচাৰ্যগৰাকীয়ে যুৱ প্ৰজন্মলৈ দান দি থৈ গ'ল-'যুৱ সমাজৰ প্ৰাৰ্থনা পুস্তিকা' নামৰ পুথিখিনি। আকাৰত সৰু হ'লেও প্ৰকাৰত এই গ্ৰন্থখনিৰ মূল্য কেনে অপৰিসীম, সেই কথা উল্লেখ কৰাৰ প্ৰয়োজন নাই। কিয়নো সাম্প্ৰতিক কালত কাকতে-পত্ৰই, নানাবিধ সংবাদ-মাধ্যমৰ যোগেদি অনেক সিদ্ধ পুৰুষে যোগ, প্ৰাণায়ামৰ লগতে প্ৰাৰ্থনাৰ জৰিয়তে মানুহৰ পাৰ্থিৱ দুখ-কষ্ট তল পেলাই আত্মাক একমাত্ৰ প্ৰকৃত শান্তিদাতা আৰু ঘোৰ পাপীকো দয়া আৰু ক্ষমাৰে আশ্ৰয় দিওঁতা পৰমপিতাৰ চৰণত উপস্থাপিত কৰোৱাৰ তত্ত্ব প্ৰচাৰ কৰিব লাগিছে তেনে সময়ত গুৰু দুজনাৰ ৰচিত গ্ৰন্থৰাজিক আলম কৰি তেওঁ যুৱ সমাজৰ বাবে প্ৰাৰ্থনাৰ ব্যৱস্থা কৰি থৈ গৈছে। এই প্ৰাৰ্থনাই তৰুণ প্ৰজন্মক মানসিক তত্ত্ব উপলব্ধি কৰাবলৈ আচাৰ্যগৰাকীয়ে আজিৰ পৰা বহু বছৰৰ আগেয়েই উক্ত পুথিখনি প্ৰণয়ন কৰি যুৱ সমাজলৈ উছৰ্গা কৰি থৈ গৈছে। আধ্যাত্মিক জীৱনত অগ্ৰসৰ হ'বলৈ প্ৰাৰ্থনাৰ স্থান কিমান ওখ তাক এই গ্ৰন্থভাগ অনুশীলন কৰিলেই উপলব্ধি কৰিব পৰা যায়।

'মহাপুৰুষীয়া ধৰ্ম আৰু কৰ্মকাণ্ড' আচাৰ্যগৰাকীৰ আন এখন অনুপম গ্ৰন্থ। গুৰুজনাৰ একশৰণ হৰি নাম ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত চিৰাচৰিতভাৱে তাহানিখন দুজনা গুৰু শংকৰ-মাধৱৰ সদৃশে কৰ্মকাণ্ডীসকলৰ কেতবোৰ-উগ্ৰবাদীৰ পৰা পাই অহা প্ৰতিবন্ধকতাৰ ফলত আচাৰ্যগৰাকীয়ে জীৱনজোৰা সাধনাৰ সৰ্বস্ব উজাৰি লিখা মহাপুৰুষীয়া ধৰ্মৰ এভাগি তত্ত্বমূলক উপাদেয় গ্ৰন্থ, য'ত কৰ্ম-কাণ্ডৰ আসৰতা আৰু একশৰণ হৰিনাম ধৰ্ম গ্ৰহণ-পালনৰ সাৰ্থকতা অকাট্য যুক্তিৰে প্ৰতিপন্ন কৰা হৈছে। এই গ্ৰন্থৰ ভিন ভিন তত্ত্বৰ সমৰ্থনত আচাৰ্যগৰাকীয়ে আগবঢ়োৱা অমৰ বাণীসমূহ আৰু প্ৰকাশৰ পথত থকা তেওঁৰ 'ভাষণাৱলী'টো প্ৰতিফলিত হোৱা অনুভূত হয়। এইখিনিতে প্ৰকাশিতব্য এই 'ভাষণাৱলী'ৰ ক্ষেত্ৰত ক'ব পাৰি যে এই বক্তা সাহিত্যিক জনাই অসমৰ গাঁৱে ভূঞে, চহৰে-নগৰে মহাপুৰুষ শংকৰদেৱৰ ধৰ্মদৰ্শন, সংস্কৃতি আৰু সমাজ-সংস্কাৰৰ দিশত প্ৰদান কৰি যোৱা পাঁচ হেজাৰৰো অধিক ভাষণাৱলীৰ কেছেটবিলাক লিপিৱদ্ধ কৰোতে স্বতঃস্ফূৰ্তভাৱে সাহিত্যৰ সৃষ্টি হৈছে। সেয়েহে গ্ৰন্থভাগৰ বিষয়বস্তু সুকীয়াকৈ আলোচনা নকৰি মাথোন তেওঁৰ ধৰ্ম-কৰ্ম সম্পৰ্কীয় তেনে কেইটামান বাণী উল্লেখ কৰা হ'ল—

'ধৰ্ম আধ্যাত্ম বিজ্ঞান! যি বিজ্ঞানৰ দ্বাৰা পৰমেশ্বৰে বিশ্বজগত ৰচনা কৰিছে! বিজ্ঞান শব্দে তত্ত্বৰূপে পৰমেশ্বৰক বুজায়; ভাগৱতৰ চাৰি তত্ত্বই হ'ল—বিজ্ঞান।'

'নাম' ভগৱন্তৰ শব্দময় ব্ৰহ্মাৱস্থা! অবিৰতভাৱে নাম স্মৰণ জপ কীৰ্তনৰ দ্বাৰাই পৰমেশ্বৰৰে সংযোগ ৰাখিলে, জীৱাত্মা চৈতন্যময় আৰু শক্তিশালী হৈ বৃহদাত্মাৰ স্বৰূপ প্ৰাপ্ত হয়। 'যেই নাম সেই হৰি জানা নিষ্ঠ কৰি'।।

'যাৰ কৃষ্ণৰ চৰণত একনিষ্ঠ ভক্তি হোৱা নাই; তেওঁৰ পাৰ্থিৱ চৰিত্ৰবল, দৈৱি গুণেৰে বিভূষিত হ'লেও একান্ত ভক্তিৰ সাধন ৰাজ্যত তেওঁ ভক্তিব্যভিচাৰী দুৰ্বল চৰিত্ৰৰ বুলিহে পৰিগণিত!

'নাম-ঘোষা ৰসামৃত' গ্ৰন্থখনি আচাৰ্য দাসেৰ প্ৰচাৰক জীৱনৰ অন্যতম সাহিত্যিক সুকৃতি। মহাপুৰুষ মাধৱদেৱৰ ভক্ত জীৱনৰ সৰ্বশ্ৰেষ্ঠ দান, অসমীয়াৰ হৃদয়-মণিকোঠাৰ বস্তু 'নাম-ঘোষা'ৰ সৰল, যথাযথ ভাঙনি আৰু বিস্তৃত তত্ত্বগধুৰ ব্যাখ্যাৰে এই গ্ৰন্থখনৰ যোগেদিয়েই যেন আচাৰ্যজনাই মাধৱদেৱ গুৰুলৈ তেওঁৰ ভক্তিভৰা আন্তৰিক শ্ৰদ্ধা নিবেদন কৰি থৈ গৈছে। গুৰু দুজনাৰ ধৰ্মৰ মূল—একশৰণ তত্ত্বৰ এক অনুপম আধাৰ 'নাম-ঘোষা'ৰ ব্যাখ্যা বিভিন্নজনৰ দ্বাৰা বিকৃতৰূপে প্ৰচাৰ হোৱাত আচাৰ্য্যগৰাকীয়ে অন্তৰত গভীৰ দুখ পাইছিল। সেয়েহে তেওঁ জীৱনৰ অনন্য সাধনাৰ বলত ভকতি সাধনাৰ সূক্ষ্ম ব্যাখ্যাৰে সকলো শ্ৰেণীৰ লোকৰ বাবে উপযোগীকৈ এই গ্ৰন্থখনি প্ৰণয়ন কৰিছিল। গ্ৰন্থখনিৰ পাতনিত তেওঁ লিখিছে, 'নাম ঘোষা ৰসামৃত' বৈকুণ্ঠৰ শুদ্ধ সনাতন একশৰণ হৰি ভক্তি পন্থাটি হৃদয়ংগম কৰাত, লোক-সামাজৰ সহায়ক হওক, দুজনা গুৰুৰ পদকমলত ইয়াকে ভৰসা কৰি পাতনিৰ ইয়াতে সামৰণি কৰিলো। 'মুঠৰ ওপৰত বাহিৰত সুস্বাদু মঙহ আৰু ভিতৰত ঢেঁকীত খুন্দিহে ভাঙিব পৰা টান গুটি সম্বলিত বগৰী ফল সদৃশ 'নাম-ঘোষা'ৰ সহজে অনুভূত নোহোৱা তত্ত্ববোৰ সৰ্বসাধাৰণ লোকৰো বোধগম্য হোৱাকৈ নিজস্ব ৰসবিচাৰৰ প্ৰতিফলন ঘটাই যিবোৰ ঘোষাৰ অৰ্থ বুজি পোৱাত পাঠকৰ অসুবিধা হ'ব পাৰে, তাত যুক্তিপূৰ্ণ ভাষ্য আগবঢ়াইছে। এই গ্ৰন্থই মহাপুৰুষ শংকৰদেৱৰ ধৰ্ম দৰ্শনক পূৰ্ণাংগ আৰু প্ৰাঞ্জলভাৱে জনসমাজত দাঙি ধৰিছে। এই গ্ৰন্থৰ ক্ষেত্ৰত ড° অনিমা দত্তই যথাৰ্থভাৱেই কৈছে, পাঁচশৰো অধিক কালজুৰি অসমবাসীক ভক্তি প্ৰদীপৰ পোহৰেৰে উদ্ভাসিত পথ দেখুওৱা 'নাম-ঘোষা'ৰ তুলনা বৈষ্ণৱ সাহিত্যৰ অন্য কোনো গ্ৰন্থৰ লগতে নহয়। 'নাম-ঘোষা' নিজৰ তত্ত্ব আৰু সৌন্দৰ্য্যৰে একক। এনে এখন মহান গ্ৰন্থৰ সুবিস্তাৰিত ঘোষাৰাজিৰ তত্ত্ব বিচাৰ কৰি আচাৰ্য ইলাৰাম দাসে মহাপুৰুষীয়া ধৰ্মৰ প্ৰতি তেওঁৰ ঐকান্তিক আনুগত্য আৰু গভীৰ পাণ্ডিত্যৰ পৰিচয় দি গৈছে।




ওপৰোক্ত গ্ৰন্থসমূহৰ বাহিৰেও আচাৰ্য দাসে প্ৰচাৰক জীৱনৰ বিভিন্ন সময়ত ভালেমান তত্ত্বগধুৰ প্ৰবন্ধ লিখি থৈ গৈছে। সেই দুৰ্লভ প্ৰবন্ধৰাজিৰ ভিতৰত 'ৰাসলীলা'ৰ ওপৰত লিখা প্ৰবন্ধ আৰু 'জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামৰ প্ৰবন্ধ দুটিৰ বিষয়বস্তুৰ গভীৰতা, ভাষাৰ সৰলতা ইত্যাদি তুলনাবিহীন। বিশেষকৈ দ্বিতীয়টি প্ৰবন্ধ আচাৰ্যগৰাকীৰ পাণ্ডিত্যৰ এক উৎকৃষ্ট পৰিচায়ক আৰু একশৰণ হৰিনাম ধৰ্মৰ এক প্ৰামাণ্য দলিল। ইয়াত তেওঁ গুৰুজনাৰ অৱতাৰ আদি সত্যযুগত একশৰণ নামধৰ্মৰ স্থিতি, মৰ্ত্যত শংকৰ গুৰুৰ দ্বাৰা এই ধৰ্মৰ প্ৰচাৰ, এই ধৰ্ম যে বিধি-কিংকৰ মুক্ত ধৰ্ম ইত্যাদি কথাবোৰ শাস্ত্ৰ আৰু বুৰঞ্জীসন্মতভাৱে দাঙি ধৰিছে। প্ৰবন্ধৰ শেষত যুক্তিনিষ্ঠভাৱে মোখনি মাৰিছে এনেদৰে—অসমভূমিৰ মান ৰক্ষাৰ ক্ষেত্ৰত আমি অসমীয়া। দেশৰ দুৰ্যোগৰ দিনতো সকলো অসমীয়াৰ লগতে আমিও আত্মত্যাগ কৰিম কিন্তু ধৰ্ম পালন কৰাৰ ক্ষেত্ৰত আমি মহাপুৰুষীয়া, মহাপুৰুষ শংকৰদেৱৰ একশৰণ হৰিনাম ধৰ্মৰ একনিষ্ঠ সেৱক। শ্ৰীমন্ত শংকৰদেৱৰ সংঘ, একশৰণ ভাগৱতী সমাজ আদিয়ে দেশৰ ঐক্য-সংহতি নষ্ট কৰিলে বুলি বহুতেই বিযোদগাৰ প্ৰকাশ কৰিছে। যদি কোনোজনে নিজ সাধনাৰ মন্দিৰত বলি কাটি পূজা কৰি, মছজিদত নামাজ পঢ়ি, গিৰ্জাঘৰত প্ৰাৰ্থনা কৰি অসমৰ জনজীৱনৰ স'তে মিলি থাকিব পাৰে গুৰুজনাৰ যুগজয়ী অসমৰ খিলঞ্জীয়া সত্য ধৰ্ম প্ৰচাৰ-প্ৰসাৰত আত্মনিয়োগ কৰাসকলে অসমৰ কোন ক্ষেত্ৰত ক্ষতিসাধন কৰিলে? এনেবোৰ অপপ্ৰচাৰৰ অন্তৰ্নিহিত কাৰণ উপলব্ধি কৰি অসমীয়া ৰাইজ সজাগ হৈ দৃঢ় নিষ্ঠাৰে গুৰুজনাৰ ধৰ্ম সাধনাৰ পথেৰে সমদল আগুৱাই যাওক, এয়ে আমাৰ কামনা।'

*ফোন ঃ ৬০২৬৮৪২৬৪৩*

# সমমৰ্মিতা আৰু মানৱতাবাদৰ পৰিচয় দিয়ক মুছলমানে

## মিলাদুন নবী উপলক্ষে

**চাহাবুদ্দিন আহমেদ**



**শাৰদীয়** দুৰ্গা পূজাৰ মাজতে চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশত সংঘটিত অমানৱীয় কাণ্ডই সমগ্ৰ বিশ্বতে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সাম্প্ৰতিক বিশ্বত সন্ত্ৰাসবাদ বুলিলে সাধাৰণতে যিদৰে ইছলাম বা মুছলমানসকলক ধৰি লয়, তেনেকৈ বাংলাদেশত হোৱা এনে নিকৃষ্ট কাৰ্যতো মুছলমানসকলক জগৰীয়া কৰা হৈছে। অথচ ইছলাম ধৰ্মই এনে কাৰ্যক প্ৰশ্ৰয় নিদিয়ে। ইছলামৰ পবিত্ৰ ধৰ্মগ্ৰন্থ কোৰান শ্বৰীফ আৰু হাদিছে ইয়াক সমৰ্থন নকৰে। বহুতে হয়তো নাজানে ইছলাম ধৰ্মৰ শেষ নবী হজৰত মহম্মদ (ছঃ)-এ কৈ যোৱা বা হাদিছত উল্লিখিত বহু কথা। ইয়াৰ ভিতৰত অনা-মুছলমান সন্দৰ্ভত তেওঁ কৈছে—

'যিজনে কোনো এজন জিম্মী অৰ্থাৎ ইছলামিক ৰাষ্ট্ৰত বসবাস কৰা অমুছলিমক হত্যা কৰিলে, আল্লাহে সেইজন হত্যাকাৰীৰ কাৰণে জান্নাত অৰ্থাৎ স্বৰ্গ হাৰাম (নিষিদ্ধ) কৰি দিয়ে।' (হাদিছ নাছাই)

আনহাতে ওচৰ-চুবুৰীয়াৰ সন্দৰ্ভত তেওঁ কৈছে—

'তেওঁ জান্নাতত প্ৰৱেশ নকৰে, যাৰ দুষ্কৃতিকাৰীৰ পৰা তেওঁৰ চুবুৰীয়া নিৰাপদ নহয়।' (হাদিছ মুছলিম)

ইপিনে, ওচৰ-চুবুৰীয়াৰ নিৰাপত্তাৰ ওপৰত আল্লাহৰ নবীয়ে ইমানে গুৰুত্ব আৰোপ কৰিছিল যে তেওঁ পুনৰ কৈছে—'আল্লাহ আৰু পৰকালৰ বিচাৰৰ দিনক যিজনে বিশ্বাস কৰে, তেওঁ চুবুৰীয়াক ক্ষতি কৰা উচিত নহয়, আল্লাহ আৰু পৰকালৰ বিচাৰৰ দিনক যিজনে বিশ্বাস কৰে, তেওঁ অতিথিক অকৃপণভাৱে আদৰ-আপ্যায়ন কৰা উচিত আৰু আল্লাহ আৰু পৰকালৰ বিচাৰৰ দিনক যিজনে বিশ্বাস কৰে, তেওঁ ভাল কথা কোৱা উচিত, নহ'লে নিশ্চুপ হৈ থকা উচিত।' (হাদিছ বুখাৰী)

আপাতদৃষ্টিত এই ধাৰণা বহু অনা-মুছলমানৰ বাবে অপৰিচিত বা অজ্ঞ। কিন্তু ইছলাম ধৰ্মৰ শেষ নবীৰ এই হাদিছ বা নিৰ্দেশনা আজিৰ প্ৰতিগৰাকী লোকে জনাটো উচিত। ধৰ্মৰ ক্ষেত্ৰত গোড়ামি নকৰিবলৈ নিৰ্দেশ দিয়া আল্লাহৰ নবী হজৰত মহম্মদ (ছঃ)-এ নিজেও ইয়াৰ উদাহৰণ দাঙি ধৰি গৈছে। অমুছলিমসকলৰ প্ৰতি দেখুওৱা সহমৰ্মিতা আৰু মানৱতাৰ অন্যতম উদাহৰণৰূপে উল্লেখ কৰিব পাৰি যে এবাৰ এজন অমুছলিমৰ শৱযাত্ৰা হজৰত মহম্মদ (ছঃ)ৰ কাষেৰে পাৰ হৈ যোৱাৰ সময়ত তেওঁ থিয় দিলে। তাকে দেখি কোনো এজন ব্যক্তিয়ে কলে,

'হে আল্লাহৰ ৰছুল (ছঃ)! এইটো হৈছে এজন ইহুদীৰ শৱযাত্ৰা।' প্ৰিয় নবী (ছঃ)-এ তেতিয়া উত্তৰত কৈছিল।

'তেওঁৰ এটা আত্মা নাছিল নে?'

(হাদিছ বুখাৰী)

এইজনে আছিল ইছলাম ধৰ্মৰ শেষ নবী হজৰত মহম্মদ (ছঃ)। আনহাতে, ইছলাম ধৰ্ম সন্দৰ্ভত স্পষ্ট মত—প্ৰতিক্ৰিয়াশীল হৈ সন্ত্ৰাসৰ সৃষ্টি কৰাতকৈ ধৈৰ্য ধাৰণ কৰি ভাল আচৰণ আৰু বুজাবুজিৰ দ্বাৰা শান্তিৰ পদক্ষেপ লোৱাই ইছলামৰ আহ্বান। এই সম্পৰ্কে মহান আল্লাহৰ বাণী কোৰান শ্বৰীফ আৰু আল্লাহৰ নবী হজৰত মহম্মদ (ছঃ)ৰ মুখৰ বাণী হাদিছসমূহত বিদ্যমান হৈ আছে। প্ৰয়োজন মাথোঁ মুছলমানসকলে সেইবোৰ নিজৰ আচৰণৰ দ্বাৰা কাৰ্যত পৰিণত কৰি দেখুৱাই আনক সেই ধাৰণাৰ পৰা মুক্ত কৰাৰ। বিপৰ্যয় সৃষ্টিকাৰী বা সন্ত্ৰাসীসকলে আল্লাহৰ ৰছুলৰ আৰু আল্লাহৰ এই নিৰ্দেশনা নিশ্চয় মানি চলিলে বা লক্ষ্য কৰিলে আজিৰ বিশ্বত এনে কোনো সন্ত্ৰাসমূলক কাৰ্যৰ সৃষ্টি নহয়। আমি জানো ইছলাম ধৰ্মৰ শেষ নবী হজৰত মহম্মদ (ছঃ)ৰ জন্ম হৈছিল মৰুৰ দেশ মক্কা নগৰীৰ কুৰেইছ বা কোৰেইছ কবিলাবা গোত্ৰৰ চৰ্দাৰ আব্দুল মোতালিবৰ পুত্ৰ আব্দুল্লাহৰ ঘৰত ৫৭০ খ্ৰীষ্টাব্দত। হজৰত মহম্মদ (ছঃ)ৰ জন্মৰ ছমাহ আগতে তেওঁৰ পিতৃ আব্দুল্লাহৰ মৃত্যু হয়। তেওঁৰ বয়স ছবছৰ হওঁতে মাতৃ আমিনাৰো মৃত্যু হয়। আঠ বছৰ বয়সত ককাক আব্দুল মতালিবৰো মৃত্যু হয়। ফলত খুৰাক আবু তালিবৰ তত্ত্বাৱধানত মহম্মদ (ছঃ) ডাঙৰ-দীঘল হয়। ২৫ বছৰ বয়সতে তেওঁ তেওঁতকৈ ১৫ বছৰে ডাঙৰ ৪০ বছৰীয়া বিধৱা মক্কাৰ এক প্ৰতিপত্তিশীল আৰু সন্মানিত বিবি খাদিজাৰ লগত বিবাহপাশত আবদ্ধ হয়।

সেই সময়ত মক্কাৰ মানুহে আজিৰ পবিত্ৰ কাবাগৃহত থকা ৩৬০টা মূৰ্তিৰ উপাসনা কৰিছিল। মক্কাত মূৰ্তিৰ প্ৰচাৰ-প্ৰচলন আহিছিল শ্যাম অৰ্থাৎ আজিৰ ছিৰিয়া দেশৰ পৰা। পাছত আৰবৰ প্ৰতিটো গোত্ৰই নিজৰ নিজৰ বাবে বেলেগ বেলেগ মূৰ্তি স্থাপন কৰিছিল। হজৰত মহম্মদ (ছঃ)ৰ নিজৰ বংশ কুৰেইছসকলে 'উজ্জা' নামৰ মূৰ্তি কাবাগৃহত সংৰক্ষিত কৰিছিল। পাছত আল্লাহৰ দ্বাৰা প্ৰেৰিত নবী হজৰত মহম্মদ (ছঃ)-এ 'আল্লাহ এজন আৰু তেওঁৰ কোনো অংশ নাই' বুলি ধৰ্ম প্ৰচাৰ চলায়। এই কাৰ্যত ক্ষুণ্ণ হৈ পৰে তেওঁৰ গোত্ৰৰ লোকসকলে। যাৰ বাবে মক্কাৰ সকলো চৰ্দাৰ একগোট হৈ তেওঁৰ খুৰাক আবু তালিবৰ ওচৰত পিতামহৰ দিনৰ পৰা চলি অহা ধৰ্মীয় বিশ্বাসক আঘাত কৰা বুলি অভিযোগ কৰে। পাছত খুৰাক আবু তালিবকো একে উত্তৰ দিছিল আল্লাহৰ ৰছুলে। আল্লাহৰ নবী আৰু তেওঁৰ অনুগামীসকল বিভিন্ন অত্যাচাৰ-উৎপীড়ন চলোৱাৰ পাছতো ধৰ্ম প্ৰচাৰ চলাইছিল। মাৰধৰ, ভোক-পিয়াহৰ চূড়ান্ত যাতনা, মৰুৰ তপত বালিৰ ওপৰত শুৱাই দি চলোৱা অত্যাচাৰৰ পাছতো কিন্তু নিজৰ মতত অলৰ অচৰ হৈ থকা ইছলাম ধৰ্মৰ শেষ নবীৰ সহনশীলতা আৰু সমমৰ্মিতা সকলোৰে অনুসৰণ কৰা উচিত।

*ফোন ঃ ৮৬৩৮৯১৯১৩৯*

# দুৰ্নীতিৰ পৰিৱৰ্তিত স্বৰূপ

**ড° সঞ্জয় হাজৰিকা**

**কিছুমান** বস্তুৰ সময় সাপেক্ষে পৰিৱৰ্তন হোৱাটো স্বাভাৱিক। পৰিৱৰ্তনশীল পৃথিৱীৰ জনসংখ্যা বৃদ্ধিৰ লগে লগে সমাজ ব্যৱস্থা, ৰাজনীতি, অৰ্থনীতি আদিৰ পৰিৱৰ্তন হৈছে। লগতে পৃথিৱীৰ প্ৰাকৃতিক ভাৰসাম্য, জলবায়ু, পৃথিৱীপৃষ্ঠৰ অবয়ব সকলো বস্তুৰেই সময় সাপেক্ষে পৰিৱৰ্তন হৈছে। কিন্তু কিছুমান বিষয়ৰ সংজ্ঞা পৰিৱৰ্তন হ'বনলগীয়া সত্ত্বেও সময়ৰ লগত ইয়াৰ আমূল পৰিৱৰ্তন হৈছে, আৰু মানুহে এই পৰিৱৰ্তন অজানিতেই স্বীকাৰ কৰিও লৈছে। সমগ্ৰ বিশ্বতে এই কথা সত্য হওক বা নহওক কিন্তু আমাৰ দেশত এনে পৰিৱৰ্তন হোৱা কেইটামান শব্দ হৈছে দুৰ্নীতি, দায়িত্ব, দায়বদ্ধতা ইত্যাদি। ইয়াৰে প্ৰথমটোৰ সংজ্ঞা মন কৰিব লগীয়া। Oxford Dictionary ৰ মতে ইয়াৰ অৰ্থ (1) Dishonest or fraudulent conduct by those in power, typically involving bribery, (2) The process by which a word or expression is changed from its original state to one regarded as erroneous or debased.

আৰু Wikipedia ৰ মতে Corruption, as it is defined by the World Bank, is a form of dishonesty or a criminal offense which is undertaken by a person or an organization which is entrusted with a position of authority, in order to acquire illicit benefits or abuse power for one's private gain. Corruption may involve many activities which include bribery and embezzlement, and it may also involve practices which are legal in many countries. Political corruption occurs when an office-holder or other governmental employee acts in an official capacity for personal gain. সাধাৰণ অৰ্থত যি সকল ক্ষমতাত থাকে, তেওঁলোকে ব্যক্তিগত লাভৰ বাবে তেওঁলোকৰ পদ আৰু ক্ষমতা ব্যৱহাৰ কৰাকে দুৰ্নীতি বোলে। চমুকৈ নীতি বহিৰ্ভুত প্ৰতিটো কামেই হৈছে দুৰ্নীতি। সেয়া ক্ষমতাই হওক বা টকা-পইচা। আমি স্বাধীনোত্তৰ কালৰ দেশৰ প্ৰধান মন্ত্ৰী, বা বিভিন্ন বিভাগৰ মন্ত্ৰী সকলক দেখিছিলো। তেওঁলোকে একো একোটা বিভাগৰ মন্ত্ৰী হৈয়ো কেনেকৈ সাধাৰণ মানুহৰ জীৱন যাপন কৰিছিল। ব্যক্তিগত বা পৰিয়ালৰ বাবে ৰাজহুৱা সম্পদৰ ব্যৱহাৰ এৰাই চলিছিল। প্ৰাক্তন প্ৰধান মন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীয়ে পাঞ্জাব নেচনেল বেংকৰ পৰা গাড়ীৰ বাবদ লোৱা 5000 টকাৰ ঋণ তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ পত্নী ললিতা শাস্ত্ৰীয়ে পেঞ্চনৰ পৰা পৰিশোধ কৰিছিল, প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত শৰত চন্দ্ৰ সিনহাই চৰকাৰী বাছেৰে কাৰ্যালয়লৈ অহা ছবি এতিয়াও মাজে সময়ে সামাজিক মাধ্যমত চৰ্চা হয়। বৰ্তমানৰ মন্ত্ৰী, বিধায়কৰ চৰকাৰী খৰচেৰে ভোগ কৰা বিলাসী জীৱন, মন্ত্ৰীৰ যাত্ৰাত ব্যৱহাৰ কৰা দীঘলীয়া বিলাসী গাড়ীৰ শাৰী, ক'ৰবাত কেৱল মালা পিন্ধাবলৈ হেলিকপ্টাৰেৰে কৰা ব্যয়বহুল যাত্ৰা দেখাসকলে এনেবোৰ কথা কাল্পনিক বুলি ভবাটো স্বভাৱিক। তেওঁলোকৰ ভাষণসমূহ আছিল বহুমূলীয়া আৰু অনুপ্ৰেৰণামূলক। স্বাধীনতা দিৱস, গণতন্ত্ৰ দিৱসত দিয়া ৰাষ্ট্ৰপতি আৰু প্ৰধান মন্ত্ৰীৰ ভাষণ শুনিবৰ বাবে সেই সময়ৰ একমাত্ৰ মাধ্যম ৰেডিঅ'ৰ কাষত মানুহ জুম বান্ধিছিল। যি সকলে পোনপটীয়া সম্প্ৰচাৰ শুনাত অসুবিধা হৈছিল বাতৰি দিয়াৰ সময়ত পুনৰ শুনাৰ চেষ্টা কৰিছিল বা আনৰ মুখে তেওঁলোকে কি ক'লে জনাৰ চেষ্টা কৰিছিল। প্ৰধান মন্ত্ৰীকে আদি কৰি বিভাগীয় মন্ত্ৰী সকলে তেওঁলোকৰ ভাষণত দেশৰ সাময়িক পৰিস্থিতি বৰ্ণনা কৰিছিল আৰু ভৱিষ্যতে দেশৰ উন্নতিৰ হকে কি কি আঁচনি গ্ৰহণ কৰিছে বা কৰিব তাৰ বিষয়ে বুজাই দি মানুহৰ সহযোগ বিচাৰিছিল। দেশত দেখা দিয়া দুৰ্ভিক্ষৰ বাবে কৃষক সকলক অধিক উৎপাদন আৰু চুবুৰীয়া দেশৰ আগ্ৰাসন ৰোধ কৰি দেশ সুৰক্ষিত কৰিবৰ বাবে 1965ত ৰামলীলা ময়দানত কৃষক আৰু সেনাবাহিনীৰ মনোবল বঢ়োৱাৰ উদ্দেশ্যে প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীয়ে দিয়া 'জয় জৱান জয় কিষাণ' ধ্বনিয়ে কিদৰে কৃষক আৰু সেনা বাহিনীক প্ৰভাৱিত কৰিছিল সেয়া সকলোৰে জানে। সেই সকলো মন্ত্ৰী, সাংসদ, বিধায়কে সাধাৰণ জীৱনেই যাপন কৰিছিল (ৰাজ পৰিয়ালৰ পৰা অহা সকলৰ বাদে)। তেওঁলোকে নিৰ্বাচনী সভাত দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰিছিল। দূৰ দূৰণিৰ মানুহ নিজৰ খৰছেৰে আহি নেতাৰ ভাষণ শুনিছিলহি। সময়ৰ লগে লগে এই সকলো সলনি হ'ল। শাসনাধিষ্ঠিত দলে প্ৰতিটো নিৰ্বাচনতে অজস্ৰ মিছা প্ৰতিশ্ৰুতি দিয়া হ'ল, নিৰ্বাচনী ইস্তাহাৰ জনসাধাৰণৰ মন ভুলাবলৈহে, নিৰ্বাচনৰ জিকাৰ পিছত এখন মূল্যহীন কিতাপ। সভালৈ শুৱনি কৰিবলৈ চৰকাৰী খৰচেৰে মানুহ অনা হ'ল। নিৰ্বাচন জিকিবৰ বাবে হিতাধিকাৰী সৃষ্টি কৰা হ'ল, এই সকলো বিলাক দুৰ্নীতি নহয়, যেনিবা সাধাৰণ কথাত পৰিণত হ'ল। মানুহে সকলো জানে কিন্তু এইবিলাক নিৰ্বাচনত চলে বা নিৰ্বাচনৰ বাবে জৰুৰী বুলি ভাবিবলৈ ল'লে। চৰকাৰী ধনেৰে কেৱল নিজে ভোগ বিলাস কৰাই নহয় অঙহী বঙহীলৈকে সকলোৰে ভোগ কৰিবলৈ আৰম্ভ কৰিলে। নিৰ্বাচনৰ আগলৈকে হোটেলত চাহ খাই আনক পইচা দিবলৈ কোৱা ছাত্ৰ নেতা, নিৰ্বাচনত জিকাৰ পিছত এটা কাৰ্যকাল সম্পূৰ্ণ নহওঁতেই কোটিপতি হয় । নিজৰ নামত বাদেই পৰিয়ালৰ লোকৰ নামতো সম্পত্তি জমা কৰিব পৰা হয়। একে অপৰাধত বছৰৰ পিছত বছৰ জেলৰ ভাত খোৱাজন শাসকীয় দলৰ সমৰ্থক হ'লে নিৰপৰাধী হয়। সৰু সুৰা এচাম অপৰাধীক গ্ৰেপ্তাৰ কৰি বাঃ বাঃ লয় আঁৰত থকা মুল অভিযুক্তৰ কাৰোবাক গামোচা পিন্ধাই আদৰে, আন কাৰোবাৰ নামৰ মালা জপ কৰে। কাৰণ এই সকল লোকেই নিৰ্বাচনৰ সময়ত মোটা অংকৰ ধন নিৰ্বাচনী পুঁজিলৈ দান দিয়ে। এই সকল লোকেই আকৌ দুৰ্নীতিমুক্ত দেশৰ কথা কয়। 60-70 ৰ দশকত ঘোচ বুলি কলে মানুহে নাক কোঁচাইছিল। ঘোচখোৰ সকলক সমাজে হীন চকুৰে চাইছিল। বৰ্ত্তমান এইবোৰ বাহিৰা পইচা হ'ল। পুণ্য অৰ্জনৰ বাবে ধাৰ্মিক আৰু ধৰ্মস্থানসমূহে ল'ব পৰাকৈ পবিত্ৰ হ'ল। এই বাহিৰা টকাই সমাজৰ স্বীকৃতি লাভ কৰিলে। এতিয়া ই ঘোচ নহয়, অপবিত্ৰও নহয়, বাহিৰা পইচাহে। যি কোনো অনুষ্ঠানৰ বাবে ইয়াৰে মোটা অঙ্কৰ বৰঙণি দিয়ক সভাপতি, উপদেষ্টা পদৰ যোগ্যতা অৰ্জন কৰিব। তাতোকৈ মোটা অংকৰ বৰঙণি দিয়ক সভালৈ ঢোলে ডগৰে আগবঢ়াই নিব, টকা ক'ৰ পৰা আহে কোনেও নুসোধে। সভাত বক্তৃতা দিয়ক জাউৰিয়ে জাউৰিয়ে হাত চাপৰি পৰিব। বৰ্ত্তমান পৰিস্থিতি এনেকুৱা যে "নিজে কৰিলে লীলা, আনে কৰিলে ধৰি কিলা"। গতিকে এতিয়া দুৰ্নীতিৰ অভিধানিক ৱিকিপেডিয়াৰ সংজ্ঞা কামত নাহে, এতিয়া দুৰ্নীতিৰ সংজ্ঞা হোৱা উচিত "শাসনাধিষ্ঠিত চৰকাৰ এখনে দুৰ্নীতিৰ যি সংজ্ঞা নিৰ্ধাৰণ কৰে তাকে দুৰ্নীতি বুলি মানি ল'ব লাগে'। কথাতে কোৱা হয় 'মাছ মূৰৰ পৰা গেলে'। বিভাগীয় মুৰব্বী বা বিষয়াৰ প্ৰশ্চয় নাপালে তলতীয়া কৰ্মচাৰীয়ে দুৰ্নীতি কৰিব নোৱাৰে। দুৰ্নাতিৰ মূল ঘাটিটো আছে অসম সচিবালয়ত। য'ত শীৰ্ষ মন্ত্ৰী, আমোলাকে ধৰি অন্যান্য কৰ্মচাৰী, সকলো বহে। চৰকাৰী কৰ্মচাৰীৰ নিযুক্তি, পদোন্নতি, ছুটী, বদলি, পেঞ্চন আদি সকলো কাম এই চাৰি বেৰাৰ ভিতৰত থকা কাৰ্যালয়তে হয়। শদিয়া , ডিগবৈ, ধুবুৰী সকলো অঞ্চলৰ লোক প্ৰতিটো কামৰ বাবে ইয়ালৈ আহিব লাগে। নহলে ফাইল নলৰে বা হেৰাই যায়। দূৰ দূৰণিৰ পৰা আহি হোটেলত থাকি নিজৰ নিজৰ বিভাগৰ পৰা অহা আবেদনসমূহ টেবুলে টেবুলে ঘুৰাব লাগে। অৱসৰপ্ৰাপ্ত সকলে পাব লগীয়া টকাৰ বিল বনাবলৈ বহুতে নিজৰ বিভাগৰ কৰ্মচাৰীকে পইচা দিব লাগে। মাজে সময়ে শুনা যায় অমুক বিষয়া বা কৰ্মচাৰী ঘোঁচ লোৱাৰ অভিযোগত গ্ৰেপ্তাৰ হ'ল। মনতে ভাব হয় সমগ্ৰ ৰাজ্যত দূৰ্নীতিগ্ৰস্ত সেই এজন বা দুজন কৰ্মচাৰী আছিল গ্ৰেপ্তাৰ হ'ল, ইয়াৰ পিছত আৰু দুৰ্নীতিগ্ৰস্ত মানুহ নোলাব। আচলতে বৰ্ত্তমান এনে অৱস্থা পাইছেগৈ যে দেশৰ প্ৰায় 95 শতাংশ লোকেই বাহিৰা পইচা ঘটাৰ পক্ষত। এচামে সুবিধা পায় ঘটিছে, এচামে সুবিধা পালেও নানান বাধ্যবাধকতাৰ বাবে ঘটিব পৰা নাই আৰু এচামে খাবলৈ সুবিধা পোৱা নাই বাবেই দুৰ্নীতিৰ বিৰুদ্ধে মাত মাতি আছে, সুবিধা পালে এই সকলেও চাগে বাহিৰা পইচা ঘটাৰ সুবিধা এৰি নিদিলেহেঁতেন। বৰ্তমানৰ চৰকাৰে দুৰ্নীতিৰ বিৰুদ্ধে গ্ৰহণ কৰা পদক্ষেপ প্ৰশংসনীয়, কিন্তু দুৰ্নীতি নিৰ্মূল কৰিবলৈ হ'লে ইয়াৰ উৎস আৰু উৎপত্তিৰ কাৰণসমূহ জানিব লাগিব। উৎসতে নিৰ্মূলৰ ব্যৱস্থা গ্ৰহণ নকৰিলে যিমানেই চেষ্টা নকৰক কৃতকাৰ্য্য হোৱাৰ আশা কৰিব নোৱাৰি। দুৰ্নীতিৰ মূল উৎস চৰকাৰী টেবুলসমূহ আৰু দীঘলীয়া প্ৰক্ৰিয়া যাৰ মাজেৰে আবেদনসমূহ পাৰ হ'ব লাগে। গতিকে দুৰ্নীতি নিৰ্মূল কৰিবলৈ হ'লে এই প্ৰক্ৰিয়া সৰল আৰু চমু কৰিব লাগিব। প্ৰতিখন টেবুলৰ বাবে সময় সীমা বান্ধি দিয়ক। প্ৰতিখন আবেদনৰ উৎসতে এটা চিনাক্তকৰণ নম্বৰ দি কুৰিয়াৰ চাৰ্ভিচৰ দৰে ইয়াৰ স্থান নিৰ্ণয় কৰাৰ ব্যৱস্থা কৰক। আপত্তি নাথাকিলে কোনো কাৰণতে এখন টেবুলত যাতে তিনিদিনতকৈ বেছি নাথাকে তেনে নিয়ম কৰক। ক'ৰবাত ৰৈ গলে ইয়াৰ কাৰণ দৰ্শোৱাৰ ব্যৱস্থা কৰক, যাতে আবেদনকাৰীয়ে চিনাক্তকৰণ নম্বৰেৰে স্থান নিৰ্ণয় কৰোতে কি আপত্তি আছে আৰু কোন টেবুলত ৰৈ আছে গম পায় আৰু ব্যৱস্থা ল'ব পাৰে। একেদৰে বিত্তীয় কোনো মঞ্জুৰীযুক্ত আদেশ গৃহীত হৈ আহিলে কোষাগাৰত জমা দিওঁতেও একে ব্যৱস্থা গ্ৰহণ কৰক। অযথা পেলাই থোৱা বিষয়া-কৰ্মচাৰীক জবাবদিহি কৰক আৰু দোষী সকলক শাস্তি প্ৰদানৰ ব্যৱস্থা কৰক।



দুৰ্নীতিৰ আন এটা কাৰণ হৈছে ৰাজ্য চৰকাৰৰ জ্যেষ্ঠতা ভিত্তিক পদোন্নতি প্ৰথা। এই প্ৰথাত এজন অকৰ্মণ্য কৰ্মচাৰীও জ্যেষ্ঠ হোৱা বাবেই এটা সময়ত উচ্চ পদস্থ বিষয়া হ'ব পাৰে। এই বাবেই আমাৰ চৰকাৰী কাৰ্যালয়, চিকিৎসালয়, স্কুল- কলেজ আদিত চাফাই কৰ্মী , মালী আদি বিভিন্ন কৰ্মচাৰী থাকিলেও সকলো দিশে লেতেৰা আৰু প্ৰস্ৰাৱখানাৰ দুৰ্গন্ধত সোমাব নোৱাৰা অৱস্থা। কাৰ্যালয়ে

**দুৰ্নীতি কেৱল এটা সামাজিক ব্যাধি বা অপসংস্কৃতিয়েই নহয় ই এখন দেশৰ সৰ্বাঙ্গীন উন্নতিৰ পথৰ হেঙাৰ। দেশৰ কৰ্মচাৰীৰ লাখ লাখ কৰ্মদিন ক্ষতি হয়**

কাৰ্যালয়ে দুৰ্নীতিৰ বজাৰ। আনহাতে ওচৰতে থকা ব্যক্তিগত খণ্ড বা কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ এটা কাৰ্যালয়, য'ত দক্ষতা ভিত্তিক পদোন্নতি প্ৰথা চলে, মন কৰক একে সমান কৰ্মচাৰীৰে ফুলনিত ফুল, চাফচিকুণ কাৰ্যালয়, প্ৰস্ৰাৱখানাত নেপথেলিনৰ গোন্ধ পাব। অদক্ষ বিষয়াই কৰ্মচাৰীৰ পৰা কাম আদায় কৰিব নাজানে আৰু নিজৰ কৰ্তব্যও পালন কৰিব নোৱাৰে। এনে বিষয়াৰ অধীনতে সৰ্বাধিক দুৰ্নীতি আৰু কৰ্ত্তব্যত গাফিলতি হয়।

আটাইতকৈ বেছি আৰ্থিক দুৰ্নীতি হয় চৰকাৰী ঠিকাৰ কামৰ আৱণ্টন আৰু বিল পৰিশোধত। ৰাস্তা, দলং, গৃহ আৰু কল-কাৰখানা ইত্যাদি নিৰ্মাণত বহুত টকাৰ আৱণ্টন দিয়া হয়। ইয়াত স্থানীয় দল-সংগঠনকে আদি কৰি কৰ্মচাৰী-বিষয়া (কিমান ওপৰলৈ যায় নক'লেও হ'ব) সকলোকে ভাগ লাগে। ঠিকাদাৰে ভাল কাম কৰিব বুলি ভাবিলেও কৰিব নোৱাৰে। বিল পাবৰ সময়ত বিভিন্ন অজুহাত, কোনোবাই কাম কৰিলেও বিল পাছ নকৰে, আন কোনোবাই কাম নকৰাকৈয়ে বিল পাছ কৰাই নিয়ে। এই বিলাকৰ সংক্ৰান্তত অভিজ্ঞ বিভাগীয় বিশেষজ্ঞৰ দ্বাৰা দুৰ্নীতি নিৰ্মূলৰ ব্যৱস্থা কৰক।

দুৰ্নীতি কেৱল এটা সামাজিক ব্যাধি বা অপসংস্কৃতিয়েই নহয় ই এখন দেশৰ সৰ্বাঙ্গীন উন্নতিৰ পথৰ হেঙাৰ। দেশৰ কৰ্মচাৰীৰ লাখ লাখ কৰ্মদিন ক্ষতি হয়, উন্নয়নমূলক কামৰ আৰম্ভণি আৰু আৰম্ভ কৰা কাম শেষ কৰাত, পলম হয় কেৱল দুৰ্নীতিৰ বাবেই। উদাহৰণ স্বৰূপে অসম সচিবালয়ত যদি দৈনিক এহেজাৰ মানুহক প্ৰবেশ পত্ৰ দিয়া হয় বছৰত 250 কৰ্ম দিন ধৰিলে এহেজাৰ কৰ্মচাৰীৰ এবছৰৰ কৰ্ম দিন নষ্ট হয় কেৱল অসম সচিবালয়ৰ টেবুলে টেবুলে ঘূৰাত , জিলা সদৰৰ কাৰ্যালয়, পঞ্চায়ত আৰু অন্যান্য কাৰ্যালয়সমূহ বাদেই। ৰাজনৈতিক নেতাৰ দল বাগৰা, বিধায়ক বেচা-কিনা, মন্ত্ৰী-বিধায়কৰ লগতে আমোলা বিষয়াৰ অপ্ৰয়োজনীয় খৰচো যদি চৰকাৰৰ দুৰ্নীতিৰ সংজ্ঞাৰ ভিতৰত পৰে এই বিলাকৰ বিষয়তো ব্যৱস্থা গ্ৰহণ কৰক। গতিকে যদি প্ৰকৃততে দুৰ্নীতিমুক্ত কৰাৰ কথা ভাবিছে সকলো দুৰ্নীতিৰ উৎস আৰু ইয়াৰ উৎপত্তিৰ কাৰণ বিচাৰি নিৰ্মূলৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰক। অন্যথা দুৰ্নীতি নিৰ্মূল এক আলোচ্য বিষয় আৰু নিৰ্বাচনী চমক হৈ ৰব দুৰ্নীতি দুৰ্নীতি হৈয়ে থাকি যাব।

*লেখক অৱসৰ প্ৰাপ্ত অধ্যাপক, যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়, ফোন 7002465140*

দৈনিক অগ্ৰদূত



## বিটকইনৰ মূল্য দ্ৰুত বৃদ্ধি ঃ ৬২ হেজাৰ ডলাৰৰ সীমা অতিক্ৰম

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৮ অক্টোবৰ ঃ** ক্ৰিপ্ট' কাৰেন্সি বিটকইনৰ মূল্যই ৬২ হেজাৰ ডলাৰৰ সীমা অতিক্ৰম কৰিলে। সম্প্ৰতি বিটকইনৰ মূল্য হৈছে ৬২,০৭০ ডলাৰ। ইয়াৰ পূৰ্বে যোৱা ১৫ অক্টোবৰত বিটকইনৰ মূল্যই ৬০ হেজাৰ ডলাৰৰ সীমা অতিক্ৰম কৰিছিল। এপ্ৰিল ২০২১ৰ পাছত প্ৰথমবাৰৰ বাবে বিটকইনৰ মূল্যই ৬০ হেজাৰৰ ডলাৰৰ সীমা অতিক্ৰম কৰিলে। চলিত অক্টোবৰত ১৮ দিনত বিটকইনৰ মূল্য ২৯ শতাংশ বৃদ্ধি পালে। পহিলা অক্টোবৰত বিটকইনৰ মূল্য ৪৮,১৬০ ডলাৰ আছিল আৰু আজি ইয়াৰ মূল্য ৬২,০৭০ ডলাৰ হয়। মুদ্ৰা বিশেষজ্ঞৰ মতে, বিটকইনৰ মূল্য আগন্তুক সময়ত অধিক বৃদ্ধিৰ সম্ভাৱনা আছে। অহা বছৰত বিটকইনৰ মূল্যই ৯০ হেজাৰ ডলাৰৰ সীমা অতিক্ৰম কৰাৰ সম্ভাৱনা আছে বুলিও বিশেষজ্ঞই জানিবলৈ দিয়ে। তিনিমাহ পূৰ্বে বিটকইনৰ মূল্য ৩২ হেজাৰ ডলাৰ আছিল। উল্লেখ্য যে বিটকইন হৈছে টকা, ডলাৰ,



পাউণ্ডৰ দৰেই এবিধ মুদ্ৰা, কিন্তু এই মুদ্ৰা ডিজিটেল অৰ্থাৎ ভাৰ্চুৱেল। টকা, ডলাৰ, পাউণ্ড আদিৰ ক্ষেত্ৰত ইয়াক জাৰি কৰা কেন্দ্ৰীয় বেংকৰ নিয়ন্ত্ৰণ থাকে, কিন্তু বিটকইনৰ দৰে ক্ৰিপ্ট' কাৰেন্সিৰ ওপৰত কোনো ধৰণৰ নিয়ন্ত্ৰণ ব্যৱস্থা নাথাকে আৰু চৰকাৰ অথবা কোম্পানীয়ে ইয়াক নিয়ন্ত্ৰণ কৰিব নোৱাৰে।

## হঠাৎ মূল্যবৃদ্ধি পিঁয়াজ-বিলাহীৰ, বৃষ্টিপাতক দায়ী কৰিলে কেন্দ্ৰই



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ অক্টোবৰ ঃ** ইন্ধনজাত সামগ্ৰীৰ লগতে দেশত শাক-পাচলিৰ অত্যধিক মূল্যবৃদ্ধিয়ে সাধাৰণ নাগৰিকক আৰ্থিকভাৱে ভাৰাক্ৰান্ত কৰিছে। শেহতীয়াভাৱে ভাৰতৰ বজাৰত পিঁয়াজৰ মূল্য পুনৰ যথেষ্ট বৃদ্ধি পাইছে। দিল্লী, কলকাতাৰ লগতে দেশৰ আন প্ৰায়বোৰ মহানগৰত প্ৰতি কিলো পিঁয়াজৰ মূল্য সম্প্ৰতি ৫০ টকাৰ পৰা ৫৫ টকা হৈছে। একে সময়তে বিলাহীৰ মূল্যও ঊৰ্ধ্বমুখী হৈছে। কিছুদিন পূৰ্বলৈকে প্ৰতি কিলো বিলাহীৰ মূল্য সৰ্বাধিক ৪০ টকা আছিল যদিও বৰ্তমানে ৬০ টকালৈ বৃদ্ধি পাইছে। ইফালে, খাদ্য তেলৰ মূল্যও ভাৰতৰ বজাৰত ঊৰ্ধ্বমুখী হৈছে। প্ৰতি লিটাৰ মিঠাতেলৰ মূল্য ২১৫ টকাৰ পৰা ২৩০ টকালৈকে বৃদ্ধি পাইছে। কেন্দ্ৰীয় চৰকাৰে বিলাহী আৰু পিঁয়াজৰ মূল্যবৃদ্ধিৰ বাবে অত্যধিক বৃষ্টিপাতক জগৰীয়া কৰিলে। ভাৰতৰ পিঁয়াজ উৎপাদনৰ মূল কেন্দ্ৰ হিচাপে পৰিচিত মহাৰাষ্ট্ৰত শেহতীয়াভাৱে প্ৰৱল বৃষ্টিপাত হোৱাৰ ফলত কৃষিকাৰ্য ক্ষতিগ্ৰস্ত হৈছে। কৰ্ণাটকতো অত্যধিক বৃষ্টিপাতে পিঁয়াজ খেতিৰ ক্ষতি কৰিছে। পিঁয়াজৰ খুচুৰা বজাৰৰ মূল্য বৃদ্ধি হ'লেও পিঁয়াজ খেতিয়কে প্ৰতি কিলো পিঁয়াজ ২০-২৫ টকাতে বিক্ৰী কৰিবলৈ বাধ্য হৈছে।

## দিল্লীত চলিত বৰ্ষত ডেংগীত প্ৰথম মৃত্যু, আক্ৰান্তৰ সংখ্যা ৭২৩ জনলৈ বৃদ্ধি



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ অক্টোবৰ ঃ** দিল্লীৰ নগৰ নিগমে আজি প্ৰকাশ কৰা সাপ্তাহিক তথ্য অনুসৰি, দেশৰ ৰাজধানী চহৰখনত যোৱা ১৬ অক্টোবৰত চলিত বৰ্ষত প্ৰথমজন ডেংগী ৰোগীৰ মৃত্যু হ'ল। এগৰাকী ৩৫ বছৰীয়া মহিলাই মহবাহিত এই ৰোগত আক্ৰান্ত হৈ শেষ নিশ্বাস ত্যাগ কৰিলে। দিল্লীত চলিত বৰ্ষত বৰ্তমানলৈকে ৭২৩ জন লোক ডেংগীত আক্ৰান্ত হৈছে। কেৱল অক্টোবৰতে ৰাজধানী চহৰখনত বৰ্তমানলৈকে ৩৮২ জন ডেংগী ৰোগীক চিনাক্ত কৰা হৈছে। যোৱা বছৰৰ তুলনাত এইবাৰ ডেংগীত আক্ৰান্ত ৰোগীৰ সংখ্যা দুগুণ বৃদ্ধি পাইছে। ২০২০ত দিল্লীত ৩৯৫ আৰু ২০১৯ত ৬৪৪ জন ডেংগীত আক্ৰান্ত হৈছিল।

## দিল্লীৰ পাছত ছাহজাহানপুৰত আদালতত অধিবক্তাক গুলীয়াই হত্যা



**নিউজ ব্যুৰ', ছাহজাহানপুৰ, ১৮ অক্টোবৰ ঃ** দিল্লীৰ পাছত এইবাৰ উত্তৰ প্ৰদেশৰ ছাহজাহানপুৰত দুষ্কৃতিকাৰীৰ গুলিত প্ৰাণ হেৰুৱালে এজন আইনজীৱীয়ে। দুৰ্বৃত্তৰ আক্ৰমণত আদালত চৌহদতে মৃত্যু হোৱা অধিবক্তাজনৰ নাম ভূপেন্দ্ৰ সিং আৰু তেওঁ ছাহজাহানপুৰৰ বাসিন্দা। আজি ছাহজাহানপুৰৰ জিলা আদালতৰ তৃতীয় মহলাত গুলিবিদ্ধ অৱস্থাত সিঙৰ মৃতদেহ উদ্ধাৰ কৰা হয়। ঘটনাস্থলীৰ পৰা আৰক্ষীয়ে এটা দেশীয় পিষ্টলো জব্দ কৰে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

## হিজবুল্লাহে আক্ৰমণ চলালে এদিনতে দুহেজাৰৰো অধিক ৰকেটৰে প্ৰত্যুত্তৰ দিয়া হ'ব ঃ ইজৰাইলৰ সকীয়নি

# যুদ্ধৰ বাবে ইজৰাইল সাজু নে? সেনাই ক'লে 'হিজবুল্লাহৰে যুদ্ধ নিবিচাৰো'

**নিউজ ব্যুৰ' তেল আভিভ, ১৮ অক্টোবৰ ঃ** ইজৰাইলে বিগত কে'বা বছৰ ধৰি যুদ্ধৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আহিছে। যোৱা মে'ত হামাছৰ স'তে যুদ্ধত অৱতীৰ্ণ হোৱা ইজৰাইলে আকৌ এবাৰ যুদ্ধৰ বাবে প্ৰস্তুতি চলাইছে। লেবাননৰ সন্ত্ৰাসবাদী সংগঠন হিজবুল্লাহৰ সন্দৰ্ভত ইজৰাইলে এক গুৰুত্বপূৰ্ণ বাৰ্তা প্ৰেৰণ কৰিলে। ইজৰাইলী সেনাৰ জ্যেষ্ঠ বিষয়াই আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি ইজৰাইলে হিজবুল্লাহৰ স'তে যুদ্ধ বিচৰা নাই। কিন্তু যদিহে হিজবুল্লাহে আক্ৰমণ চলায় তেন্তে এদিনতে দুহেজাৰৰো অধিক ৰকেটৰ জৰিয়তে ইয়াৰ প্ৰত্যুত্তৰ দিয়া হ'ব বুলি ইজৰাইলৰ সামৰিক বিষয়াজনে সকীয়াই দিয়ে। স্মৰ্তব্য যে মে' ২০২১ত ইজৰাইলৰ সেনাবাহিনীয়ে পেলেষ্টাইনী সন্ত্ৰাসবাদী হামাছৰ বিৰুদ্ধে ১১ দিনীয়া এখন যুঁজত অৱতীৰ্ণ হৈছিল। এই যুদ্ধৰ সময়ছোৱাত হামাছে ইজৰাইলক ৪৪০০ টাৰো অধিক ৰকেটৰে আক্ৰমণ চলাইছিল। ইজৰাইলৰ



সেনাবাহিনীয়ে দাবী কৰা অনুসৰি হামাছে নিক্ষেপ কৰা এইসমূহ ৰকেটৰ ৯০ শতাংশ ৰকেট আকাশতে দেশখনে ধ্বংস কৰিছিল। ইয়াৰে মাত্ৰ ৩০০ টা ৰকেটে ইজৰাইলৰ ভূমিত আঘাত হানিছিল যদিও দেশখনৰ বিশেষ ক্ষতিসাধন কৰিবলৈ সফল হোৱা নাছিল বুলি ইজৰাইলী সেনাই দাবী কৰে। শেহতীয়াভাৱে হামাছৰ স'তে ইজৰাইলৰ সংঘাত পুনৰ বৃদ্ধি পাইছে আৰু যুদ্ধৰ পৰিৱেশ সৃষ্টি হৈছে। এনে পৰিৱেশৰ সন্দৰ্ভত ইজৰাইলৰ সেনা বাহিনীয়ে স্পষ্টভাৱে কয় যে বৰ্তমানৰ পৰিস্থিতিত দেশখনে হিজবুল্লাহৰ স'তে কোনো সংঘাত বা যুদ্ধ কামনা কৰা নাই, কিন্তু হিজবুল্লাহে আক্ৰমণ চলালে ইজৰাইলী সেনাই ৰকেটৰে ব্যাপক আক্ৰমণ চলাই ইয়াৰ প্ৰত্যুত্তৰ দিবলৈ সাজু আছে। উল্লেখ্য যে ২০০৬ত হিজবুল্লাহৰ স'তে হোৱা যুদ্ধত লেবাননৰ ১২০০ জন লোকৰ মৃত্যু হৈছিল। এইসকল মৃতকৰ সৰহসংখ্যকে আছিল নিৰীহ নাগৰিক। তদুপৰি এই যুঁজত ১৬০ ইজৰাইলী নাগৰিকৰো মৃত্যু হৈছিল।

## হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণ চীনৰ



**নিউজ ব্যুৰ', বেইজিং, ১৮ অক্টোবৰ ঃ** চীনে হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষাৰে আমেৰিকাক চমক দিলে। 'ফাইনেন্সিয়েল টাইমছ' কাকতৰ বাতৰি অনুসৰি, চীনে শেহতীয়াভাৱে এটা নতুন হাইপাৰছ'নিক ক্ষমতাসম্পন্ন ক্ষেপণাস্ত্ৰৰ পৰীক্ষণ সফলতাৰে সম্পূৰ্ণ কৰিলে। উল্লেখ্য যে বেইজিঙে যোৱা আগষ্টতো পাৰমাণৱিক ক্ষমতাসম্পন্ন এটা ক্ষেপণাস্ত্ৰৰ পৰীক্ষা চলাইছিল। চীনৰ লগতে আমেৰিকা, ৰাছিয়া আৰু কমেও পাঁচখন আন দেশে সম্প্ৰতি হাইপাৰছ'নিক প্ৰযুক্তিৰ ক্ষেপণাস্ত্ৰৰ নিৰ্মাণত ব্যস্ত আছে। উল্লেখ্য যে হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰই পৰম্পৰাগত বেলিষ্টিক ক্ষেপণাস্ত্ৰৰ দৰেই পাৰমাণৱিক অস্ত্ৰ বহন কৰাৰ লগতে শব্দতকৈ পাঁচগুণ অধিক গতিৰে ৰাওনা হ'ব পাৰে। চীনে শেহতীয়াভাৱে দেশখনৰ যুদ্ধাস্ত্ৰৰ ভাণ্ডাৰ শক্তিশালী কৰিবলৈ হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰৰ নিৰ্মাণত অগ্ৰাধিকাৰ দিছে।

## ই ডিৰ জেৰাত তৃতীয়বাৰলৈ অনুপস্থিত জেকুলিন



**নিউজ ব্যুৰ', মুম্বাই, ১৮ অক্টোবৰ ঃ** দুশ কোটিটকীয়া বিত্তীয় কেলেংকাৰিৰ গোচৰত প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)ৰ চমনৰ পাছতো জেৰাত উপস্থিত নহ'ল বলিউডৰ অভিনেত্ৰী জেকুলিন ফাৰ্ণাণ্ডেজ। উল্লেখ্য যে অভিনেত্ৰীগৰাকীয়ে তৃতীয়বাৰৰ বাবে ই ডিৰ জেৰাত উপস্থিত নহ'ল। সুকেশ চন্দ্ৰশেখৰৰ বিৰুদ্ধে দুশ কোটি টকাৰ অবৈধ ধন সৰবৰাহৰ অভিযোগ উত্থাপিত হৈছিল আৰু এই গোচৰতে ই ডিয়ে জেৰাৰ বাবে জেকুলিনক চমন দিছিল। কিন্তু অভিনেত্ৰীগৰাকীয়ে আজি ই ডিৰ জেৰাত উপস্থিত নহ'ল। জেকুলিনৰ অধিবক্তাই প্ৰকাশ কৰা অনুসৰি, অভিনেত্ৰীগৰাকীয়ে ছবিৰ কামত ব্যস্ত থকা হেতুকে আজি ই ডিৰ সোধাপোছাত অংশ ল'ব নোৱাৰিলে। ইয়াৰ পূৰ্বে যোৱা আগষ্টত ৩৬ বছৰীয়া অভিনেত্ৰীগৰাকীয়ে এবাৰ ই ডিৰ জেৰাৰ সন্মুখীন হৈছিল।



## কেৰালাত বান-ভূমিস্খলনত মৃতকৰ সংখ্যা ২৭লৈ বৃদ্ধি

**নিউজ ব্যুৰ', তিৰুঅনন্তপুৰম, ১৮ অক্টোবৰ ঃ** প্ৰৱল বৃষ্টিপাতৰ ফলত হোৱা বান আৰু ভূমিস্খলনৰ ঘটনাত কেৰালাত মৃতকৰ সংখ্যা ২৭ জনলৈ বৃদ্ধি পালে। তদুপৰি ৰাজ্যখনত এতিয়ালৈকে আঠজন লোক সন্ধানহীন হৈ আছে। বানৰ তাণ্ডৱৰ সময়তে কালি বিয়লি বেলা ৰাজ্যখনৰ কোট্টায়মত এটা বাসগৃহ হঠাতে বাগৰি পৰে। অৱশ্যে ঘৰটো বাগৰি পৰাৰ সময়ত বাসগৃহৰ ভিতৰত কোনো বাসিন্দা নাছিল। বায়ুসেনাৰ জোৱানে সম্প্ৰতি অঞ্চলটোত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। কোট্টায়মসহ কেৰালাৰ কে'বাখনো ৰাজ্যত বিগত কে'বাদিন ধৰি প্ৰৱল বৃষ্টিপাত অব্যাহত থকাৰ ফলত বান আৰু ভূমিস্খলনৰ ঘটনাই অঞ্চলটোত আতংকৰ সৃষ্টি কৰিছে।

## কৰ'নাই বিশ্বত ১২ কোটি লোকক কৰিলে দৰিদ্ৰ ঃ সৰ্বাধিক প্ৰভাৱিত মহিলা

**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ১৮ অক্টোবৰ ঃ** বিশ্বজুৰি তাণ্ডৱৰ সৃষ্টি কৰা কৰ'না ভাইৰাছৰ সংক্ৰমণৰ ফলত এই বিশ্বত কমেও ১২ কোটি নাগৰিক দৰিদ্ৰত পৰিণত হ'ল। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে এই তথ্য প্ৰকাশ কৰি জনোৱা অনুসৰি, কৰ'নাৰ সংক্ৰমণৰ ফলত বিগত প্ৰায় দুবছৰত বিশ্বৰ বিভিন্ন দেশত বাস কৰা ১২ কোটিৰো অধিক লোক আৰ্থিক দিশত ভয়াৱহভাৱে ক্ষতিগ্ৰস্ত হ'ল। দেওবাৰে আন্তৰ্জাতিক দাৰিদ্ৰ মুক্তি দিৱস উপলক্ষে ৰাষ্ট্ৰসংঘৰ মুৰব্বীজনে কয় যে শেহতীয়াভাৱে দৰিদ্ৰৰ সংখ্যাবৃদ্ধিৰ হাৰ যি দ্ৰুতভাৱে অগ্ৰসৰ হ'ল, পূৰ্বৰ দশকত



এনে ঘটনা প্ৰত্যক্ষ হোৱা নাছিল। গুটেৰেছে কয় যে কৰ'না মহামাৰীয়ে সমগ্ৰ বিশ্বৰ সমাজ আৰু অৰ্থ ব্যৱস্থাক ধ্বংস কৰিলে আৰু এই মহামাৰীত সৰ্বাধিক প্ৰভাৱিত হ'ল দৰিদ্ৰ মহিলা। ইয়াৰ পৰিণতিতে আজি বিশ্বৰ ১২ কোটিৰো অধিক লোকে চৰম দাৰিদ্ৰৰ মাজত দিন অতিবাহিত কৰিবলগা হৈছে বুলি গুটেৰেছে মন্তব্য কৰে। কৰ'নাই বিশ্ববাসীৰ মাজত আৰ্থিক বৈষম্যৰ পৰিমাণো যথেষ্ট বৃদ্ধি কৰিলে বুলি ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানে মত প্ৰকাশ কৰে। সমগ্ৰ বিশ্বই দাৰিদ্ৰ দূৰীকৰণৰ বাবে প্ৰচেষ্টা অব্যাহত ৰখাৰ সময়তে কৰ'নাই বিশ্ব অৰ্থনীতিত মাধমাৰ শোধাই প্ৰায়বোৰ দেশতে দৰিদ্ৰ লোকৰ সংখ্যা যথেষ্ট বৃদ্ধি কৰিলে বুলিও গুটেৰেছে জানিবলৈ দিয়ে।

## ৰাছিয়াত প্ৰচণ্ড তুষাৰপাত ঃ তাপমাত্ৰা মাইনাছ ২০ ডিগ্ৰীলৈ অৱনমিত




**নিউজ ব্যুৰ', ম'স্কো, ১৮ অক্টোবৰ ঃ** বিশ্বৰ সবাতোকৈ শীতল দেশ হিচাপে পৰিচিত ৰাছিয়াত সম্প্ৰতি প্ৰচণ্ড তুষাৰপাত অব্যাহত আছে। শেহতীয়াভাৱে ছাইবেৰিয়াত সৰ্বাধিক তুষাৰপাতৰ ঘটনা সংঘটিত হৈছে। অঞ্চলটোৰ গছ-গছনিৰ লগতে জান-জুৰিৰ পানীও সম্প্ৰতি বৰফত পৰিণত হৈছে। এই অঞ্চলৰ তাপমাত্ৰা মাইনাছ ২০ ডিগ্ৰী ছেলছিয়াছলৈ অৱনমিত হৈছে। বতৰ বিজ্ঞানীৰ তথ্য অনুসৰি অচিৰে অঞ্চলটোৰ তাপমাত্ৰা মাইনাছ ৩০ ডিগ্ৰীলৈ অৱনমিত হ'ব। ৰাছিয়াৰ বিভিন্ন অঞ্চলত ২০ দিন পূৰ্বৰে পৰা প্ৰৱল তুষাৰপাত অব্যাহত আছে।

## নিপাহৰ 'ডেল্টা' প্ৰজাতিৰ আগমন ঘটিলে মৃত্যুৰ হাৰ ৫০ শতাংশ বৃদ্ধি পাব ঃ সকীয়নি বিজ্ঞানীৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৮ অক্টোবৰ ঃ** কৰ'নাৰ সংক্ৰমণ বিশ্বত লাহে লাহে হ্ৰাস পাবলৈ ধৰাৰ সময়তে বিজ্ঞানীসকলে আন এক মহামাৰীৰ শংকাক লৈ বিশ্ববাসীক সকীয়ালে। এষ্ট্ৰাজেনেকাৰ কৰ'না প্ৰতিৰোধী প্ৰতিষেধক উদ্ভাৱনকাৰী দলৰ সদস্য ডেম ছাৰা গিলবাৰ্টে এইবাৰ নিপাহ ভাইৰাছৰ সন্দৰ্ভত বিশ্ববাসীক সকীয়নি দি কয় যে এই ভাইৰাছৰ 'ডেল্টা' প্ৰজাতিৰ সংক্ৰমণে মহামাৰীৰ ৰূপ লোৱাৰ যথেষ্ট শংকা আছে আৰু এই প্ৰজাতিৰ ভাইৰাছৰ সংক্ৰমণ ঘটিলে মৃত্যুৰ হাৰ ৫০ শতাংশলৈকে বৃদ্ধি পাব পাৰে। লণ্ডনত এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত গিলবাৰ্টে কয়, 'যদিহে নিপাহ ভাইৰাছৰ 'ডেল্টা' প্ৰজাতিৰ সৃষ্টি হয়, তেন্তে ই যথেষ্ট সংক্ৰামক হ'ব আৰু এই ভাইৰাছত আক্ৰান্ত লোকৰ মৃত্যুৰ হাৰ ৫০ শতাংশলৈ বৃদ্ধি পাব পাৰে। বৰ্তমানে নিপাহ ভাইৰাছত আক্ৰান্ত ৰোগীক সুস্থ কৰাৰ বাবে কোনো নিৰ্দিষ্ট ফলপ্ৰসূ চিকিৎসা পদ্ধতি নাই আৰু এতিয়ালৈকে এইবিধ ভাইৰাছৰ প্ৰতিষেধকো উপলব্ধ হোৱা নাই।'



উল্লেখ্য যে নিপাহ ভাইৰাছ কোনো নতুন ভাইৰাছ নহয় আৰু এই বিশ্বত বহু পূৰ্বৰে পৰা এই ভাইৰাছ আছে। আমেৰিকাৰ চেণ্টাৰ ফ'ৰ ডিজিজ কন্ট্ৰ'ল এণ্ড প্ৰিভেনচন বিভাগে নিপাহ ভাইৰাছক যথেষ্ট সংক্ৰামক আখ্যা দি ইয়াক কৰ'নাতকৈও অধিক ঘাতক বুলি অভিহিত কৰিছিল। কৰ'নাত আক্ৰান্তৰ ক্ষেত্ৰত মৃত্যুৰ হাৰ হৈছে এক শতাংশ, কিন্তু নিপাহত সংক্ৰমিতৰ মৃত্যুৰ হাৰ হৈছে ৪০ শতাংশতকৈ অধিক। বিশ্ব স্বাস্থ্য সংস্থায়ো সেয়েহে নিপাহৰ সম্ভাব্য সংক্ৰমণৰ সন্দৰ্ভত বিশ্ববাসীক অধিক সতৰ্কতা অৱলম্বন কৰিবলৈ পৰামৰ্শ দিছে। ১৯৯৯ত মালয়েছিয়াত আঠমাহত ২৬৫ জন লোক নিপাহত আক্ৰান্ত হৈছিল আৰু এইসকল লোকৰ ১০৫ জনৰ মৃত্যু হৈছিল। এই ভাইৰাছৰ সংক্ৰমণ ইমানে ভয়াৱহ যে আক্ৰান্ত ব্যক্তিৰ ২৪ৰ পৰা ৪৮ ঘণ্টাৰ ভিতৰত মৃত্যু হোৱাৰ শংকা থাকে। বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য অনুসৰি, ভাৰত, বাংলাদেশ, কম্বোডিয়া, ঘানা, ইন্দোনেছিয়া, মেডাগাস্কাৰ, ফিলিপাইনছ, থাইলেণ্ডৰ দৰে দেশত নিপাহ ভাইৰাছৰ সংক্ৰমণৰ যথেষ্ট আশংকা আছে।



## পুঁজি বজাৰত পুনৰ অভিলেখ ঃ ছেনছেক্সে পাৰ কৰিলে ৬১,৮০০ৰ সীমা

**নিউজ ব্যুৰ', মুম্বাই, ১৮ অক্টোবৰ ঃ** সপ্তাহৰ প্ৰথমটো দিনত আজি দেশৰ পুঁজি বজাৰত যথেষ্ট উত্থান প্ৰত্যক্ষ হ'ল। আজি ব্যৱসায়িক লেনদেনৰ সময়ছোৱাত শ্বেয়াৰ বজাৰত ছেনছেক্সে ৬১,৯৬২ আৰু নিফটিয়ে ১৮,৫৪৩ৰ সীমা স্পৰ্শ কৰে। মাৰ্কিন শ্বেয়াৰ বজাৰত শেহতীয়াভাৱে হোৱা উত্থানে ভাৰতীয় পুঁজি বজাৰকো বিশেষভাৱে প্ৰভাৱিত কৰাটো প্ৰত্যক্ষ হৈছে। উল্লেখ্য যে বিগত কে'বা সপ্তাহ ধৰি ভাৰতৰ পুঁজি বজাৰে উন্নত পাৰদৰ্শিতা প্ৰদৰ্শন কৰি আহিছে।

## আঠমাহৰ পাছত দেশত ১৪ হেজাৰৰ তললৈ দৈনিক সংক্ৰমণ, মৃতকৰ সংখ্যা ১৬৬

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ অক্টোবৰ ঃ** যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ১৩,৫৯৬ জন লোক। প্ৰায় আঠমাহৰ পাছত দেশৰ দৈনিক ক'ভিড সংক্ৰমণ ১৪ হেজাৰৰ তললৈ নামিল। ইয়াৰ পূৰ্বে যোৱা ২০ ফেব্ৰুৱাৰীত অন্তিমবাৰৰ বাবে ভাৰতত দৈনিক সংক্ৰমণ ১৪ হেজাৰৰ তলত আছিল। আক্ৰান্তৰ সংখ্যা কমিলেও দৈনিক মৃত্যুৰ সংখ্যা যোৱা ২৪ ঘণ্টাত ১৬৬ জনলৈ বৃদ্ধি পালে। এই মুহূৰ্তত ভাৰতত এক লাখ ৮৯ হেজাৰ ৬৯৪ জন সক্ৰিয় ক'ভিড ৰোগী আছে।

## এশ কোটিৰ দিশত অগ্ৰসৰ ভাৰতৰ ক'ভিড টিকাকৰণ




**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ অক্টোবৰ ঃ** কৰ'না প্ৰতিৰোধৰ বাবে ভাৰতত টিকাকৰণ অভিযান অব্যাহত আছে। বৰ্তমানলৈকে দেশত ৯৭ কোটি ৭৯ লাখ ৪৭ হেজাৰ ৭৮৩ জন লোকে ক'ভিডৰ প্ৰতিষেধক লাভ কৰিলে। যোৱা ২৪ ঘণ্টাত ভাৰতত ১২ লাখ পাঁচ হেজাৰ ১৬২ জন লোকৰ টিকাকৰণ সম্পন্ন হ'ল। অচিৰে ভাৰতত টিকাকৰণ অভিযানে এশ কোটি নাগৰিকক সামৰি ল'ব। শেহতীয়াভাৱে দেশত ক'ভিডত আক্ৰান্তৰ তুলনাত সুস্থ ৰোগীৰ সংখ্যা বৃদ্ধি পাইছে। যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত সুস্থ হ'ল ১৯ হেজাৰ ৫৮২ জন লোক। বৰ্তমানলৈকে ভাৰতত তিনি কোটি ৩৪ লাখ ৩৯ হেজাৰ ৩৩১ জন ক'ভিড ৰোগী সুস্থ হৈ উঠিছে। এই মুহূৰ্তত দেশত সক্ৰিয় ৰোগীৰ সংখ্যা হৈছে এক লাখ ৮৯ হেজাৰ ৬৯৪ জন। আনহাতে, যোৱা ২৪ ঘণ্টাত ভাৰতত মুঠ ন লাখ ৮৯ হেজাৰ ৪৯৩ জন লোকৰ ক'ভিডৰ নমুনা পৰীক্ষা কৰা হ'ল। এই পৰ্যন্ত দেশত ৫৯ কোটি ১৯ লাখ ২৪ হেজাৰ ৮৭৪ জন লোকৰ নমুনা পৰীক্ষা কৰা হৈছে।

## ২১৪ বিলিয়ন ডলাৰৰ সম্পত্তিৰ গৰাকী হ'ল এলন মাস্ক, ১৯৭ বিলিয়ন ডলাৰৰে দ্বিতীয় স্থানত বেজছ

**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ১৮ অক্টোবৰ ঃ** বৈদ্যুতিক গাড়ী নিৰ্মাতা কোম্পানী টেছলাৰ মুখ্য কাৰ্যবাহী বিষয়া এলন মাস্কে সম্পত্তি আহৰণৰ প্ৰতিযোগিতাত এমেজনৰ প্ৰতিষ্ঠাপক জেফ বেজছতকৈ যথেষ্ট আগুৱাই গ'ল। ফ'ৰ্বছৰ শেহতীয়া ধনাঢ্য ব্যক্তিৰ তালিকাত ২১৪ বিলিয়ন ডলাৰৰ সম্পত্তিৰে শীৰ্ষস্থান দখল কৰিলে টেছলাৰ স্বত্বাধিকাৰী মাস্কে। আনহাতে, বিশ্বৰ ধনাঢ্য ব্যক্তিৰ তালিকাত দ্বিতীয় স্থান লাভ কৰা এমেজনৰ প্ৰতিষ্ঠাপক বেজছৰ বৰ্তমানৰ সম্পত্তিৰ পৰিমাণ হৈছে ১৯৭ বিলিয়ন ডলাৰ। বেজছতকৈ ১৭ বিলিয়ন ডলাৰৰ অধিক সম্পত্তি আহৰণৰে মাস্কে বিশ্বৰ ধনাঢ্য ব্যক্তিৰ এই তালিকাত নিজৰ স্থান যথেষ্ট শক্তিশালী কৰিবলৈ সফল হ'ল। চলিত বৰ্ষত মাস্কৰ মুঠ সম্পত্তিৰ পৰিমাণ ৬৬.৫ বিলিয়ন ডলাৰ বৃদ্ধি পালে। যোৱা শুকুৰবাৰে টেছলাৰ শ্বেয়াৰৰ মূল্য বিগত আঠমাহৰ পাছত সৰ্বোচ্চ স্তৰত উপনীত হৈছিল।



## কাৰাগাৰৰ খাদ্যত অনীহা ঃ আৰিয়ানৰ স্বাস্থ্যক লৈ চিন্তিত কাৰাগাৰ কৰ্তৃপক্ষ



**নিউজ ব্যুৰ', মুম্বাই, ১৮ অক্টোবৰ ঃ** নিষিদ্ধ মাদক দ্ৰব্যৰ গোচৰত নাৰ্ক'টিকছ কন্ট্ৰ'ল ব্যুৰ' (এন চি বি)-এ গ্ৰেপ্তাৰ কৰা বলিউডৰ মহাতাৰকা অভিনেতা শ্বাহৰুখ খানৰ জ্যেষ্ঠ পুত্ৰ আৰিয়ান খানৰ স্বাস্থ্যক লৈ চিন্তিত হৈছে মুম্বাইৰ আৰ্থাৰ ৰোড কাৰাগাৰ কৰ্তৃপক্ষ। মুম্বাইৰ এখন প্ৰমোদতৰীত আয়োজিত নিষিদ্ধ মাদক দ্ৰব্যৰ পাৰ্টিত অংশ লোৱাৰ সময়তে গ্ৰেপ্তাৰ হোৱা আৰিয়ান সম্প্ৰতি ন্যায়িক জিম্মাত কাৰাগাৰত বন্দী হৈ আছে। কাৰাগাৰত আন সাধাৰণ বন্দীৰ দৰে শ্বাহৰুখ পুত্ৰই কাৰাগাৰৰ খাদ্য গ্ৰহণ কৰিব লগা হৈছে। ২৩ বছৰীয়া আৰিয়ানে কাৰাগাৰৰ পৰিৱেশৰ স'তে খাপ খাব পৰা নাই আৰু সম্প্ৰতি তেওঁ খাদ্যৰ প্ৰতি তীব্ৰ অনীহা প্ৰদৰ্শন কৰিছে। ফলত শ্বাহৰুখ পুত্ৰৰ স্বাস্থ্য আৰু পৰিচ্ছন্নতাক লৈ কাৰাগাৰ কৰ্তৃপক্ষ বিমোৰত পৰিছে। কাৰাগাৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে, আৰিয়ানে কাৰাগাৰৰ খাদ্য খাবলৈ অনীহা প্ৰকাশ কৰিছে আৰু পৰিয়ালৰ লোকে প্ৰেৰণ কৰা ধনৰে কেণ্টিনৰ পৰা বিস্কুট আদি ক্ৰয় কৰি খাইছে। অৱশ্যে কাৰাগাৰ কৰ্তৃপক্ষই আৰিয়ানৰ বাবে বিশেষজ্ঞৰ কাউন্সেলিঙৰ ব্যৱস্থা কৰা বুলি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে।

■ ভৱানীপুৰত বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাৰ ছখনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ
■ ফুটবল খেলত প্ৰতিদ্বন্দ্বী দল নাথাকিলে কমিটীৰ লগত খেলা খেলৰ দৰেই হৈছে ৰাজ্যৰ উপ-নিৰ্বাচন

# উপ-নিৰ্বাচনত মিত্ৰজোঁটৰ সন্মুখত কোনো বিৰোধী নাই



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**পাঠশালা/সৰুপেটা, ১৮ অক্টোবৰ ঃ** 'অসমৰ এইবাৰো উপ-নিৰ্বাচনত মিত্ৰজোঁটৰ সন্মুখত কোনো বিৰোধী নাই। কংগ্ৰেছকে ধৰি অন্যান্য ৰাজনৈতিক দলসমূহৰ ভূমিকা অতি দুৰ্বল। শক্তিহীন হৈ পৰিছে বিৰোধী শক্তি। ফুটবল খেলত প্ৰতিদ্বন্দ্বী নাথাকিলে কমিটীৰ লগত খেলখন খেলাৰ দৰেই হৈছে অসমৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনী খেলখন।' এই ভাষ্য ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাৰ। ভৱানীপুৰ সমষ্টিৰ উপ-নিৰ্বাচনত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাই আজি এইদৰে বিৰোধীক তাচ্ছিল্য কৰে সভাপতি কলিতাই। সমষ্টিটোৰ গলিয়াত অনুষ্ঠিত মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীধৰ তালুকদাৰৰ প্ৰচাৰ চলাই তেওঁ কয়, 'বিকশিত অসম, বিকশিত ভৱানীপুৰ গঢ়িবলৈ আৰু হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ উন্নয়নৰ অংশীদাৰ হ'বলৈ হ'লে বিজেপিক ভোট দিবই লাগিব। সমাগত উপ-নিৰ্বাচনৰ যুঁজখন সমষ্টিবাসী ৰাইজৰ সৰ্বাংগীণ বিকাশৰ যুঁজ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভৱানীপুৰ সমষ্টিটোক লৈ এক বিশেষ সপোনৰে বহুত আশাৰে আগন্তুক দিনসমূহত ভৱানীপুৰৰ বিকাশ তথা উন্নয়নৰ দ্বাৰা সমষ্টিবাসী ৰাইজক উপকৃত কৰিবলৈ উদগ্ৰীৱ হৈ আছে।' সেয়েহে সমষ্টিবাসী ৰাইজক তেওঁ এইবাৰৰ উপ-নিৰ্বাচনত বিজেপি তথা মিত্ৰদলৰ প্ৰাৰ্থী তালুকদাৰক জয়যুক্ত কৰাই মুখ্যমন্ত্ৰীক সমষ্টিটোৰ উন্নয়নত সহায় কৰিবলৈ আহ্বান জনায়। আনহাতে, বিৰোধী দল কংগ্ৰেছক কটাক্ষ কৰি নিৰ্বাচনৰ সময়ত নাচোন-কাঁচোন বৃদ্ধি পায় বুলি উল্লেখ কৰি কেন্দ্ৰৰ মোদী চৰকাৰৰ দৰে সৰ্বাংগীণ উন্নয়নৰ কাম কোনে কৰিছে বুলিও তেওঁ প্ৰশ্ন কৰে। এই সন্দৰ্ভত বিজেপি নেতাজনে পুনৰ কয়, 'স্বাস্থ্যৰ পৰা অন্নলৈ গুৰুত্ব দিয়া চৰকাৰখনেই হৈছে মোদী চৰকাৰ। বিনামূলীয়া প্ৰতিষেধক মোদী চৰকাৰে দিছে। কংগ্ৰেছৰ দৰে দলৰ ভোট খোজাৰ কোনো অধিকাৰ নাই। এইবাৰৰ নিৰ্বাচনত কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীয়ে ভৱানীপুৰত আমানতৰ ধনখিনিয়ে ঘূৰাই নাপায়।' সমষ্টিটোত মাধৱপুৰ, পাৰাবজাৰ (তাঁতিকুছি), চাউলীয়াবড়ী, ধুমাৰপথাৰ আৰু মৈৰামভিটাত আয়োজন কৰা ছখনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত বিজেপি প্ৰাৰ্থীজনৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায় ৰাজ্যিক বিজেপিৰ সভাপতিজনে। ইফালে, দলীয় প্ৰাৰ্থী ফণীধৰ তালুকদাৰে নিৰ্বাচনী প্ৰচাৰ সভাত কয়, 'যোৱাবাৰ নিৰ্বাচনত মই জয়ী হৈছিলো যদিও ফলাফল সন্তোষজনক নাছিল। পৰীক্ষাৰ ফলাফল সন্তোষজনক নহ'লে কৃতী পৰীক্ষাৰ্থীয়ে 'বেটাৰমেন' দিয়াৰ দৰে মোৰ এইবাৰৰ উপ-নিৰ্বাচন বেটাৰমেনৰ দৰে হ'ব।' আনহাতে, কংগ্ৰেছক চোকা সমালোচনা কৰি তেওঁ কয় যে ২০১১ৰ পৰা প্ৰতিটো বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছৰ প্ৰাৰ্থীয়ে আমানতৰ ধন হেৰাইছে। এইবাৰো হেৰুওৱাটো নিশ্চিত। কংগ্ৰেছে ভৱানীপুৰত এইবাৰৰ উপ-নিৰ্বাচনত আমানতৰ ধনখিনি কিদৰে পায় তাৰে চেষ্টা কৰি নিৰ্বাচন খেলক বুলিও প্ৰত্যাহ্বান জনায় বিজেপি প্ৰাৰ্থীজনে। উল্লেখ্য যে আজিৰ এই নিৰ্বাচনী প্ৰচাৰসমূহত পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, ৰাজ্যিক বিজেপিৰ নেতা মনোজ বৰুৱা, ৰাতুল শৰ্মা, বিকুল ডেকাকে ধৰি বিভিন্নজনে অংশ লয়। গলিয়াত অনুষ্ঠিত সভাতে এআইইউডিএফৰ পৰা নিৰ্বাচিত গলিয়া গাঁও পঞ্চায়তৰ সভাপতি নুৰুল ইছলাম হাজৰিকাৰ লগতে ২০৭ গৰাকী এআইইউডিএফৰ নেতা-কৰ্মীয়ে বিজেপিত যোগদান কৰে। ৰাজ্যিক বিজেপিৰ সভাপতিজনে তেওঁলোকক দললৈ আদৰণি জনায়।

## চামতাত প্ৰাক্তন ছাত্ৰ নেতা প্ৰয়াত অনিল বৰ্মনৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**চামতা, ১৮ অক্টোবৰ ঃ** পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি, প্ৰাক্তন সম্পাদক, যুৱ সমাজকৰ্মী প্ৰয়াত অনিল বৰ্মনক শ্ৰদ্ধা জনাই আজি সন্ধিয়া চামতা কেন্দুৰতলত পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাই এক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। উক্ত অনুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত অনিল বৰ্মনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে প্ৰয়াত বৰ্মনৰ সহধৰ্মিণী ববিতা বৰ্মনে। আনহাতে, মাল্যাৰ্পণ কৰে দুই পুত্ৰ নৱজ্যোতি বৰ্মন আৰু কৰণজ্যোতি বৰ্মনে। উক্ত অনুষ্ঠানত উপস্থিত থাকি পুষ্পাঞ্জলি প্ৰদান কৰি ভাষণ প্ৰদান কৰে নলবাৰী জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক নিৰুজুদ্দিন আহমেদ, কাৰ্যনিৰ্বাহক সদস্য প্ৰাঞ্জল বৰ্মন, পশ্চিম নলবাৰী উন্নতি সভাৰ সম্পাদক হৰি চন্দ্ৰ বৰ্মন, নলবাৰী জিলা কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি, প্ৰাক্তন আছু নেতা তপন কুমাৰ শৰ্মা, পশ্চিম নলবাৰী কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি তথা প্ৰাক্তন আছু নেতা এম হাছান আলী, চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ সহকাৰী সাধাৰণ সম্পাদক বিনয় ভূষণ দত্ত, চামতা আঞ্চলিক সাহিত্য সভাৰ সভাপতি হিৰণ্য বৰ্মন, পশ্চিম নলবাৰী যুৱ সমাজৰ কাৰ্যকৰী সভাপতি নুৰুল হক, ২৫ নম্বৰ ৰূপীয়াবাথন গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য অমল বৰ্মন, পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি ৰাজেন বৈশ্য, নলবাৰী জিলাৰ যুৱ-ছাত্ৰ পৰিষদৰ প্ৰচাৰ সম্পাদক ৰাজীৱ ভূঞা, পশ্চিম নলবাৰী সমিতিৰ অনুপ বৰ্মন, কেন্দুৰতল গাঁও পৰিচালনা সমিতিৰ সম্পাদক পৰেশ বৰ্মন, পশ্চিম চামতা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ফণী বৰ্মন, চামতা মটৰ ষ্টেণ্ড বজাৰ পৰিচালনা সমিতিৰ সম্পাদক ৰমেশ ভূঞা, পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন ছাত্ৰ নেতা বিশ্বজিৎ শৰ্মা, কনক বৰ্মন, কৈলাশ মুদিয়াৰ, অশোক দত্ত, মথুৰ মোহন শৰ্মা, দীপক শৰ্মা, সত্যজিৎ বৰ্মন, অংকুৰ বৰ্মনে। পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক প্ৰাণজিৎ ঠাকুৰীয়াই আঁত ধৰা অনুষ্ঠানত পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ তৰফৰ পৰা পৰিয়ালৰ লোকলৈ এটি শোক বাৰ্তা প্ৰদান কৰা হয়। শোক বাৰ্তাখন পাঠ কৰে পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সুভাষ বৰ্মনে। অনুষ্ঠানত আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া আৰু শাখা ছাত্ৰ আৰু আছু গোটৰ বিষয়ববীয়া উপস্থিত আছিল। উল্লেখ্য যে যোৱা ১০ অক্টোবৰত দিল্লীৰ গংগাৰাম হাস্পতালত চামতা কেন্দুৰতল নিবাসী প্ৰাক্তন ছাত্ৰ নেতা অনিল বৰ্মন (৫৩)ৰ বৃক্কৰ ৰোগত আক্ৰান্ত হৈ মৃত্যু হৈছিল।

## চাৰি হেজাৰ টকাত শিশু সন্তানক বিক্ৰী কৰিলে মাতৃয়ে

■ আৰ্থিক দুৰৱস্থাৰ বাবেই এই কাৰ্য কৰাৰ কথা স্বীকাৰ
■ চৰকাৰৰ বিকাশৰ ঢোক-ঢোলৰ নগ্নৰূপ চিৰাঙত

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ১৮ অক্টোবৰ ঃ** চৰকাৰে বিকাশৰ ঢাক-ঢোল বজাই থকাৰ সময়তে ইয়াৰ এক নগ্নৰূপ দেখা গ'ল চিৰাং জিলাত। চৰকাৰৰ বিকাশৰ ঢাক-ঢোলৰ শব্দকো ম্লান কৰিলে দৰিদ্ৰতাৰ বাবে জিলাখনত সংঘটিত হোৱা এক মৰ্মভেদী ঘটনাই। পেটৰ ক্ষুধা নিবাৰণ কৰিব নোৱাৰি নিজৰ ডেৰ বছৰীয়া কন্যা সন্তানক বিক্ৰী কৰিবলৈ বাধ্য হ'ল এগৰাকী দৰিদ্ৰ মহিলাই। এই ঘটনা পোহৰলৈ অহাৰ পাছত সম্প্ৰতি ৰুণীখাতা অঞ্চলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আৰক্ষীয়ে ইতিমধ্যে শিশুটিক উদ্ধাৰ কৰিছে।

আৰক্ষীয়ে জনোৱা মতে, এগৰাকী মধ্যস্থতাকাৰীৰ সহযোগত দুৰ্ভগীয়া স্বামীহীনা মহিলাগৰাকীয়ে নিজৰ ডেৰ বছৰীয়া কন্যাক ৰুণীখাতা আৰক্ষী থানাৰ অন্তৰ্গত ভাৰত-ভূটান সীমান্তৰ খুংগ্ৰীং অঞ্চলৰ ভুৰ খুজুবাৰী গাঁৱৰ এক নিঃসন্তান বড়ো দম্পতীক বিক্ৰী কৰিছিল। অৱশ্যে মাতৃৰ আবেদন মৰ্মেই ৰুণীখাতা আৰক্ষীয়ে আজি অভিযান চলাই উক্ত দম্পতীৰ জিম্মাৰ পৰা শিশুটিক উদ্ধাৰ কৰে। যোৱা ১৬ অক্টোবৰত শিশুটিক বিক্ৰী কৰা হৈছিল। সম্প্ৰতি সন্তানক বিক্ৰী কৰা মাতৃৰ লগতে ক্ৰয় কৰা দম্পতীক ৰুণীখাটা আৰক্ষী থানাত সোধপোছ অব্যাহত ৰাখিছে।

ঘটনাৰ সন্দৰ্ভত ভুক্তভোগী আদিবাসী মহিলাগৰাকীয়ে 'দৈনিক অগ্ৰদূত'ক জনোৱা মতে, এবছৰৰ পূৰ্বে স্বামীৰ মৃত্যুৰ পাছৰে পৰা পাঁচ আৰু ডেৰ বছৰীয়া দুই কন্যা সন্তানক লৈ তেওঁ চৰম দুৰ্যোগৰ সন্মুখীন হৈছিল। দুই শিশু সন্তানক লৈ দিন হাজিৰা কৰিবলৈ গ'লেও কোলাত সন্তান থকাৰ বাবেই অধিকাংশ লোকে তেওঁক কাম দিব নিবিচাৰিছিল। আনহাতে, আজি পৰ্যন্ত তেওঁ কোনো চৰকাৰী আঁচনি লাভ কৰা নাই। যাৰ বাবে তেওঁ দুই শিশু সন্তানৰ স'তে প্ৰায়ে অনাহাৰে কটাবলগীয়া হৈছিল। দাৰিদ্ৰতাৰ এই চৰম ক্ষণত কোনো বিকল্প পথ বিচাৰি নোপোৱাৰ বাবেই যোৱা ১৬ অক্টোবৰত তেওঁ এগৰাকী মধ্যস্থতাকাৰীৰ সহযোগত নিজৰ ডেৰ বছৰীয়া সন্তানক উক্ত নিঃসন্তান বড়ো দম্পতীক চাৰি হেজাৰ টকাৰ বিনিময়ত বিক্ৰী কৰে। অৱশ্যে অভাৱৰ তাড়নাত সন্তানক বিক্ৰী কৰিলেও পৰৱৰ্তী সময়তে তেওঁৰ মাতৃ হৃদয়ে হাহাকাৰ কৰি তোলে। শিশু সন্তানক পুনৰ ঘূৰাই পোৱাৰ বাবে ব্যাকুল হৈ পৰা মাতৃগৰাকীয়ে মধ্যস্থতাকাৰী মহিলাগৰাকীক লগ ধৰি তেওঁৰ কন্যাক ওভতাই দিবলৈ অনুৰোধ কৰে। ইয়াকে কেন্দ্ৰ কৰি দুই পক্ষৰ মাজত বাক-বিতণ্ডাৰো সৃষ্টি হয়। চাৰি হেজাৰ টকা ঘূৰাই দিলেহে সন্তানটি ওভতাই দিব বুলি নিঃসন্তান দম্পতীয়ে স্পষ্ট কৰি দিয়ে। উপায়ান্তৰ হৈ ভুক্তভোগী মহিলাগৰাকীয়ে আৰক্ষীৰ শৰণাপন্ন হোৱাত ৰুণীখাতা আৰক্ষীয়ে আজি শিশুটিক উদ্ধাৰ কৰে। উল্লেখ্য যে দুদিনৰ পাছত অবোধ শিশুটিয়ে আৰক্ষী থানাত মাতৃক দেখা পোৱাৰ লগে লগে এক হৃদয় চুই যোৱা পৰিস্থিতিৰ সৃষ্টি হয়। মাতৃস্নেহৰ পৰা বঞ্চিত শিশুটিৰ অৱস্থা দেখি থানা চৌহদত উপস্থিত সকলোৰে চকুলো ওলাই অহা পৰিলক্ষিত হয়।

## কৰ'নাত মৃত্যু সাংস্কৃতিক কৰ্মী, সুদক্ষ অভিনেতা ৰোহিত বৰাৰ

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ১৮ অক্টোবৰ ঃ** আজি তেজপুৰৰ সাংস্কৃতিক আৰু সামাজিক ক্ষেত্ৰখনলৈ অৱদান আগবঢ়োৱা ৰোহিত বৰা (৫৮)ৰ কৰ'নাত মৃত্যু হয়। পুখুৰীয়া অঞ্চলত জন্মগ্ৰহণ কৰা বৰা ডিপোটা মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক হিচাপে সেৱা আগবঢ়াইছিল। সৰুৰে পৰাই নাটক আৰু ভাওনাৰে জড়িত হৈ পৰিছিল। তেজপুৰৰ এক উল্লেখযোগ্য সাংস্কৃতিক মঞ্চ কুমৰ নাট্য মঞ্চত বহু সংখ্যক নাটকত অভিনয় কৰাৰ লগতে বেছেৰীয়াৰ পূবেৰুণ সাংস্কৃতিক সমাজৰ সহকাৰী সম্পাদকৰ দায়িত্ব পালন কৰাৰ লগতে এই সাংস্কৃতিক সংস্থাটোৰ জৰিয়তে বেছেৰীয়া আৰু পাৰ্শ্বৱৰ্তী অঞ্চলত এক সাংস্কৃতিক পৰিৱেশ ৰচনাৰ লগতে নাটক অনুষ্ঠিত কৰা তথা অভিনয়ৰ ক্ষেত্ৰক গুৰুত্ব প্ৰদান কৰিছিল। তেজপুৰৰ প্ৰবীণ অভিনেতা-নিৰ্দেশক মৃগেন বৰাৰ নিৰ্দেশনাত বহুসংখ্যক নাটকত অভিনয় কৰিছিল। বেছেৰীয়াৰ লগতে তেজপুৰ আৰু পাৰ্শ্বৱৰ্তী অঞ্চল তথা অসম নাট্য সন্মিলনৰ দ্বাৰা আয়োজিত নাটকত অভিনয় কৰি দৰ্শকৰ হৃদয়ত গভীৰ সাঁচ বহুৱাইছিল। তদুপৰি, ভাওনাৰ এগৰাকী সুদক্ষ ভাৱৰীয়া বৰাই কৰ্ণ, দুৰ্যোধন, শকুনিকে ধৰি বহু ভাও কৰিছিল। শোণিতপুৰৰ বিভিন্ন অঞ্চলৰ নামঘৰত ভাও কৰা এইজন শিল্পীয়ে বেছেৰীয়া অঞ্চলৰ প্ৰতিটো সামাজিক কাৰ্যৰে জড়িত আছিল। শেহতীয়াভাৱে কৰ'নাত আক্ৰান্ত হোৱাত তেওঁক তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয়। কিন্তু চিকিৎসাধীন অৱস্থাতে আজি দিনৰ ১০ বজাত তেওঁৰ বিয়োগ ঘটে। তেওঁৰ মৃত্যুত বিধায়ক পৃথ্বিৰাজ ৰাভা, প্ৰাক্তন বিধায়ক বৃন্দাবন গোস্বামী, প্ৰবীণ অভিনেতা মৃগেন বৰা, সমাজকৰ্মী প্ৰশান্ত দাস, অসম নাট্য সন্মিলন, বাণ থিয়েটাৰ, বাঁহবাৰী উষা নাট্য সমাজ, মাজগাঁও শ্ৰীশ্ৰীশংকৰদেৱ নাট্য মন্দিৰ অনুষ্ঠান, তেজপুৰ সাহিত্য সভা, অঃ ভাঃ উঃ সা, শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়ন, নটৰাজন কলা মন্দিৰকে ধৰি বহু অনুষ্ঠান তথা ব্যক্তিয়ে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়তে পত্নী, পুত্ৰ কন্যাসহ দুই সন্তান এৰি যায়।

## অজয় কুমাৰ শৰ্মা-বৰষা কাশ্যপে বাগ্‌সালৈ কঢ়িয়ালে সন্মান

■ শ্ৰেষ্ঠ সৃজনশীল শিক্ষক-ৰোমাণ্টিক কবিৰ খিতাপ

**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ১৮ অক্টোবৰ ঃ** বাগ্‌সা জিলাৰ থমনাৰ কৃতী শিক্ষক অজয় কুমাৰ শৰ্মালৈ অলপতে সদৌ অসম সাংস্কৃতিক সমন্বয় সন্থা চমুকৈ আকুৰ উদ্যোগত অনুষ্ঠিত এক অনুষ্ঠানৰ জৰিয়তে নেবকাছ নেচনেল এৱাৰ্ড-২০২১ৰ শ্ৰেষ্ঠ সৃজনশীল শিক্ষকৰ বঁটা প্ৰদান কৰে। গুৱাহাটী কাহিলিপাৰাস্থিত জ্যোতি চিত্ৰবনত বিশিষ্ট সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰীকে আদি কৰি কে'বাগৰাকীও বিশিষ্ট শিল্পী, সাহিত্যিকৰ উপস্থিতিত আয়োজন কৰা এক অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হয় বাগ্‌সাৰ শিক্ষক অজয় কুমাৰ শৰ্মালৈ। মুছলপুৰ মহকুমাৰ অন্তৰ্গত গাঁও ৰাজস্থান নিবাসী তথা থমনা সাদেৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অজয় কুমাৰ শৰ্মাই সৃষ্টিশীল প্ৰতিভাৰ জৰিয়তে ৰাজ্যিক পৰ্যায়ৰ বিভিন্ন বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। জিলাখনৰ অহোপা হাইস্কুলত অবৈতনিকভাৱে তিনি বছৰৰো অধিক কাল বিজ্ঞান শিক্ষক হিচাপে শিক্ষকতা জীৱন আৰম্ভণি কৰা শৰ্মাই পাছত ক্ৰমে




থমনা ধূলিগুৰী প্ৰাথমিক বিদ্যালয়, থমনা প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰি বৰ্তমান নতুন সাদেৰী প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। ইফালে, বঁটা লাভ কৰি উৎফুল্লিত হৈ পৰে শিক্ষক শৰ্মাক উক্ত বঁটা প্ৰদান কৰাত মহকুমাটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে আনন্দ প্ৰকাশ কৰি অভিনন্দন জ্ঞাপন কৰিছে। আনহাতে, নেবকাছৰ ২০২১ৰ শ্ৰেষ্ঠ ৰোমাণ্টিক কবিৰ বঁটা লাভ কৰিছে থমনাৰ সাদেৰী নিবাসী কবি বৰষা কাশ্যপে। তেওঁৰ ইতিমধ্যে প্ৰকাশ পোৱা দুখন কবিতাপুথি ক্ৰমে 'কলিজাৰ মৰম' আৰু 'তুমি আৰু মই'ৰ বাবে তেওঁ এই বঁটা লাভ কৰিবলৈ সক্ষম হয়। সদৌ অসম সাংস্কৃতিক সমন্বয় সন্থা চমুকৈ আকুৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানত গায়ক বাবু বৰুৱাৰ হাতেৰে শ্ৰেষ্ঠ ৰোমাণ্টিক কবিৰ বঁটা গ্ৰহণ কৰে বৰষা কাশ্যপে। অসমৰ বিভিন্ন প্ৰান্তৰ বহুকেইগৰাকী শিল্পী, সাহিত্যিকৰ উপস্থিতিত মহানগৰীৰ জ্যোতি চিত্ৰবনৰ দৰে সংস্কৃতিময় ভূমিত বঁটা লাভ কৰিবলৈ সক্ষম হোৱা দেখি উৎফুল্লি হৈ পৰিছে কাশ্যপৰ পৰিয়াল আৰু গাঁওবাসী।

## শুৱালকুছিত কাতি বিহু পালন

**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ১৮ অক্টোবৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে শুৱালকুছিতো আজি কাতি বিহু পালন কৰা হয়। এই উপলক্ষে মণিকাঞ্চনে ঈশ্বৰ শ্ৰীশ্ৰী হাটীসত্ৰত ভাগৱত প্ৰবচন কৰে। ভাগৱত প্ৰবচন কৰে শান্তি সাধনা আশ্ৰমৰ আশ্ৰম প্ৰধান হেমভাই। উক্ত অনুষ্ঠানত উপস্থিত থাকে স্বামী হৃদয়ানন্দজী অৰু হাটীসত্ৰৰ ডেকা সত্ৰীয়া ৰাজীৱ লোচন সন্ত। ইপিনে, কাঞ্চন নগৰ যুৱ সমাজেও কাতি বিহু পালন কৰি ভাগৱত পাঠ কৰে।

## কণ্ঠশিল্পী কুমাৰ ভৃগুৰ অকাল বিয়োগ

**ছয়গাঁও, ১৮ অক্টোবৰ ঃ** অসমৰ বিভিন্ন বিহু মঞ্চত বিহুসুৰীয়া গীতৰ লগতে আধুনিক গীতেৰে জনপ্ৰিয়তা অৰ্জন কৰা কুমাৰ ভৃগু ওৰফে ভৃগু কুমাৰ কলিতা আৰু নাই। বিগত চাৰি মাহ ধৰি হৃদৰোগত আক্ৰান্ত হৈ থকা শিল্পীজনক পৰিয়ালৰ লোকে চিকিৎসাৰ বাবে চেন্নাইলৈ নিছিল যদিও শেষত ওভতাই লৈ আহিছিল। জনপ্ৰিয় শিল্পীজনে অলপতে সকলোকে শোক সাগৰত পেলাই অকাল মৃত্যুক সাৱটি লয়। পলাশবাৰীৰ সমীপৱৰ্তী পাৰ্ল্লী নোৱাপাৰাত ১৯৮৩ত জন্মগ্ৰহণ কৰা কণ্ঠশিল্পী ভৃগুৰ মৃত্যুৰ সময়ত বয়স হৈছিল মাত্ৰ ৩৭ বছৰ। পিতৃ বলেন কলিতা আৰু মাতৃ জ্যোৎস্না কলিতাৰ সন্তান ভৃগুৱে অসমৰ আগশাৰীৰ সংগীত পৰিচালক মৃণালকান্তিৰ ওচৰত সংগীতৰ শিক্ষাগ্ৰহণ কৰিছিল। নামনি অসমৰ বিভিন্ন বিহু মঞ্চত বিগত ২০ বছৰতকৈও অধিক সময় গীত পৰিৱেশন কৰা জনপ্ৰিয় কণ্ঠশিল্পীজনৰ বিয়োগত সমগ্ৰ দক্ষিণ কামৰূপত গভীৰ শোকৰ ছাঁ পৰে।



*নগাঁৱৰ মহামৃত্যুঞ্জয় মন্দিৰত ভক্তৰ ভিৰ, সোমবাৰে।*

## দুৰ্ঘটনাত গোপাল ভূঞাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ১৮ অক্টোবৰ ঃ** ছিপাঝাৰ থানাৰ অন্তৰ্গত সাতঘৰীয়া নিবাসী হিৰণ্য ভূঞাৰ পুত্ৰ গোপাল ভূঞা (২৪) যোৱা নিশা এক পথ দুৰ্ঘটনাত মৃত্যু হয়। এ এছ-০১ ই কে-২৮৭৪ নম্বৰৰ মটৰ চাইকেলখনেৰে নিশা প্ৰায় ১০-৫০ বজাত ভূঞাই মঙলদৈৰ পৰা ঘৰলৈ গৈ থকা অৱস্থাত বিপৰীতে দিশৰ পৰা অহা এখন ট্ৰাকে মঙলদৈ থানাৰ অন্তৰ্গত পুনিয়াত খুন্দিয়াই থৈ যায়। শংকটজনক অৱস্থাত মঙলদৈৰ পৰা জিএমচি হাস্পতাললৈ নিয়া হয় যদিও তেওঁৰ মৃত্যু হয়।

■ জিলা বিজেপিৰ উদ্যোগত প্ৰাৰ্থিত্ব প্ৰয়াসী কাৰ্যকৰ্তাৰ 'সত্ৰ দৰ্শন' কাৰ্যসূচী ৰূপায়ণ

## মাজুলীৰ বাহিৰৰ-ন বিজেপিৰ প্ৰাৰ্থিত্বৰ বিৰোধিতা

**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ১৮ অক্টোবৰ ঃ** মাজুলী জিলা বিজেপি মিত্ৰজোঁটৰ নেতৃত্বই আজি মাজুলী সমষ্টিত দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হ'ব লগা উপ-নিৰ্বাচনৰ প্ৰাৰ্থিত্ব প্ৰয়াসী বিজেপিৰ কৰ্মকৰ্তাসকলক লৈ সত্ৰ দৰ্শন শীৰ্ষক এক কাৰ্যসূচী ৰূপায়ণ কৰে। জিলা সভাপতি লোকনাথ কুটুম আৰু সম্পাদক দেৱব্ৰত দত্তৰ নেতৃত্বত প্ৰাৰ্থিত্ব প্ৰয়াসী ছগৰাকী সহ ৩০ গৰাকী কৰ্মকৰ্তাই আজি কাতি বিহু উপলক্ষে সত্ৰসমূহ দৰ্শন কৰি সত্ৰাধিকাৰ বৈষ্ণৱসকলক সাক্ষাৎ কৰি আশীৰ্বাদ গ্ৰহণ কৰে। দলটোৱে আজি পুৱা প্ৰথমেই শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰ পৰিদৰ্শন কৰি সত্ৰাধিকাৰ ননীগোপাল দেৱগোস্বামীক সাক্ষাৎ কৰি যাদবৰায় মহাপ্ৰভুৰ পৰা আশীৰ্বাদ গ্ৰহণ কৰে। ইয়াৰ পাছত ক্ৰমে শ্ৰীশ্ৰী ভোগপুৰ সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামী, শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামী, শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বমী আৰু গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ পৰমানন্দ দেৱগোস্বামীক সাক্ষাৎ কৰি আশিস নিৰ্মালি গ্ৰহণ কৰে। উল্লেখ্য যে মাজুলী সমষ্টিক বাদ দি ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টি ক্ৰমে মৰিয়নি, থাওৰা, ভৱানীপুৰ আৰু গোসাঁইগাঁও সমষ্টিত অহা ৩০ অক্টোবৰত প্ৰথম পৰ্যায়ত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। মাজুলীৰ প্ৰাক্তন বিধায়ক সৰ্বানন্দ সোণোৱালে বিধায়কৰ পদ কিছু পমলকৈ ত্যাগ কৰাৰ বাবেই মাজুলীত প্ৰথম পৰ্যায়ত উপ-নিৰ্বাচন অনুষ্ঠিত নহ'ল। দ্বিতীয় পৰ্যায়ত অনুষ্ঠিতব্য মাজুলীৰ উপ-নিৰ্বাচনৰ দিন বৰ্তমানেও সিদ্ধান্ত হোৱা নাই। বৰ্তমানলৈকে মাজুলী সমষ্টিত অন্যান্য দলসমূহৰ লগতে বিজেপি মিত্ৰজোঁটে প্ৰাৰ্থীৰ নাম ঘোষণা কৰা নাই যদিও প্ৰাৰ্থিত্ব প্ৰত্যাশীয়ে ৰাইজৰ মাজত নিজাববীয়াকৈ সোমাই পৰিছে। বিজেপি মিত্ৰজোঁটৰ পৰা সাত প্ৰত্যাশীয়ে টিকট লাভৰ আশা কৰিছে যদিও দলীয় ঊৰ্ধ্বতন নেতৃত্বৰ সিদ্ধান্ত মৰ্মহে টিকট লাভ কৰিব। প্ৰাৰ্থিত্ব প্ৰত্যাশীসকলৰ ভিতৰত আছে ক্ৰমে ভুবন গাম, হেমচন্দ্ৰ দলে, বিতোপন দলে, নৃপেন কামান, লোকনাথ কুটুম আৰু মুনিন্দ্ৰ পেগু। আজি সত্ৰ দৰ্শন কাৰ্যসূচীৰ মাজতে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত জিলা সভাপতি তথা টিকট প্ৰয়াসী লোকনাথ কুটুমে কয়, মাজুলীত দীৰ্ঘদিনে দলৰ হৈ ৰাইজৰ সেৱাত নিয়োজিত হৈ থকা দলীয় কাৰ্যকৰ্তা সকলৰ মাজৰ পৰা যাকেই দলে টিকট প্ৰদান কৰে জিলা বিজেপিয়ে অতি আনন্দৰে গ্ৰহণ কৰিব আৰু সমূহীয়া প্ৰচেষ্টাৰে জয়ী কৰাব; কিন্তু মাজুলীৰ বাহিৰৰ বা অন্য দলৰ পৰা আহি যোগদান কৰা প্ৰাৰ্থীক দলীয় নেতৃত্বই টিকট প্ৰদান কৰিলে সেয়া গ্ৰহণযোগ্য নহ'ব। আন এজন প্ৰাৰ্থী হেমচন্দ্ৰ দলেই মাজুলীৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত মাজুলীৰে এজন দলীয় কাৰ্যকৰ্তাক টিকট প্ৰদান কৰাটো বিচাৰে বুলি উল্লেখ কৰি কয় যে মাজুলীৰ বাহিৰৰ বা অন্য দলৰ কাৰোবাক মাজুলীৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰালে সেয়া গৃহণীয় হ'ব নোৱাৰে আৰু মাজুলীৰ ৰাইজেও সেয়া কোনোপধ্যে নিবিচাৰে। আন এজন প্ৰাৰ্থিত্ব প্ৰত্যাশী বিতোপন দলেই দলৰ নেতৃত্বই মাজুলীৰ হোৱাৰ লগতে দলৰ প্ৰতি সেৱা আগবঢ়াই থকা এজন দলীয় কাৰ্যকৰ্তাকে দলে আগন্তুক উপ-নিৰ্বাচনৰ বাবে প্ৰাৰ্থিত্ব প্ৰদান কৰিব বুলি আশা ব্যক্ত কৰে। আনফালে কংগ্ৰেছে মাজুলী সমষ্টি অসম জাতীয় পৰিষদ (অজাপ)ক এৰি দিয়া বুলি খবৰ ওলালেও সেয়া নিশ্চিত হোৱা নাই। কিয়নো তিনিবাৰকৈ দখলত থকা সমষ্টিটোক গণভিত্তি নোহোৱা এটা নতুন দলৰ হাতত এৰি দিব খোজা নাই মাজুলীৰ কংগ্ৰেছ কৰ্মীসকলে। ইপিনে, কংগ্ৰেছৰ পৰাও ১৩জনে প্ৰাৰ্থিত্ব বিচাৰিছে।

## ভূৰাগাঁৱত ভূমি বিবাদকেন্দ্ৰিক সংঘাতত মহিলাসহ আহত সাত

■ চাপৰিৰ মাটি জোৰ-জুলুমকৈ দখলৰ চেষ্টা ভূ-মাফিয়াৰ

**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ১৮ অক্টোবৰ ঃ** মাটিৰ দালালৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত আৰক্ষীয়ে অভিযান চলাই কে'বা শতাধিক দালালক আটক কৰাৰ পাছতো মৰিগাঁও জিলাৰ ভূৰাগাঁৱত অব্যাহত ভূমাফিয়াৰ দপ্‌দপনি। ভূমিকেন্দ্ৰিক সংঘাতৰ বাবে ভূৰাগাঁৱৰ বৰুৱাটিং চাপৰিত কালি সংঘটিত মাৰপিটৰ ঘটনাত মহিলাসহ সাতজন লোক আহত হয়। অভিযোগ মতে, বৰুৱাটিং চাপৰিত ইমাম আলী আৰু কৰিম আলীৰ নেতৃত্বত ১৫-১৬ জনীয়া এটা দলে হাতে হাতে দা, লাঠি আৰু চোকা অস্ত্ৰ লৈ নিজৰ মাটিত বসবাস কৰা কে'বাটাও পৰিয়ালক আক্ৰমণ কৰে। এই আক্ৰমণত আহত হয় মামুদ আলী, চালেখা খাতুন, শ্বৰিফুল ইছলাম, ৰফিকুল, চুলতান আলী আৰু মুস্তাফ আলী। ইতিমধ্যে ভূৰাগাঁও আৰক্ষীয়ে ইমান আলী, কৰিম আলী আৰু ৰহিম আলীক গ্ৰেপ্তাৰ কৰিছে যদিও বাকী অভিযুক্তসকল পলাতক অৱস্থাত আছে। অভিযোগ মতে, ছলমান, মামুদ আলীকে ধৰি বহুকেইটা পৰিয়ালে বৰুৱাটিং চাপৰিৰ নিজৰ মাটিত বসবাস কৰি আছিল যদিও একাংশ দুষ্ট চৰিত্ৰৰ লোকে দা, জোং, লাঠি লৈ মাৰপিট কৰে। চাপৰিৰ মাটি কেইজনমান গুণ্ডা প্ৰকৃতিৰ লোকে বিভিন্ন ঠাইত লোকক বিক্ৰী কৰি আহিছে।

## জামুগুৰিহাটত দুই সন্তানসহ বোৱাৰী নিৰুদ্দেশ

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ১৮ অক্টোবৰ ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ এগৰাকী বোৱাৰী দুই সন্তানসহ কালিৰে পৰা নিৰুদ্দেশ হৈ থকা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। পৰিয়ালৰ সূত্ৰে জানিব পৰা মতে, অঞ্চলটোৰ চামধৰা পানীগাঁৱৰ আচাৰউদ্দিন নামৰ লোকজনৰ পত্নী গুলজাৰ বেগম (২৮)-এ কালি দিনৰ ১১ মান বজাত দুই পুত্ৰ-কন্যা ক্ৰমে আচিকুল আলী (৮) আৰু আৰপিনা বেগম (১০)ক লগত লৈ ধলাইবিলস্থিত উত্তৰ জামুগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কৰ'না প্ৰতিষেধক ল'বলৈ গৈছিল। পাছত সন্ধিয়া পৰ্যন্ত পৰিয়ালটো ঘৰলৈ উভতি নহাত স্বামীৰ লগতে ঘৰখনৰ অন্যান্য লোকসকল চিন্তিত হৈ পৰি বিভিন্ন আত্মীয়ৰ ঘৰত খবৰ কৰে যদিও আজি পৰ্যন্ত কোনো সম্ভেদ নোপোৱাত উপায়হীন হৈ জামুগুৰি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। স্বামী আচৰ উদ্দিনে এজাহাৰত উল্লেখ কৰা মতে গুলজাৰ বেগমে নগদ ৩৫,৭০০ টকা আৰু দুই সন্তানৰ জন্মৰ প্ৰমাণপত্ৰ দুখন লগত লৈ গৈছে।

## নিশা গৃহত অগ্নিসংযোগ

**অগ্ৰদূত বাৰ্তা**
**হোজাই, ১৮ অক্টোবৰ ঃ** হোজাই জিলাৰ মোৱাঝাৰত যোৱা নিশা এটা গৃহত দুবৃত্তই অগ্নিসংযোগ কৰা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ চেষ্টা কৰিছে। তথ্য মতে মোৱাঝাৰ থানাৰ অন্তৰ্গত অকচেক পথাৰৰ আবুছিদ্দিক নামৰ এজন লোকৰ ঘৰত দুৰ্বৃত্তই অগ্নিসংযোগ কৰাৰ ঘটনা সংঘটিত হয়। তদুপৰি লোকজনৰ পৰিয়ালৰ এগৰাকী মহিলাক দুৰ্বৃত্তই গুৰুতৰ আঘাত কৰে। অগ্নিকাণ্ডৰ ফলত লোকজন আহত হোৱাৰ লগতে গৃহৰ সকলো আচবাবৰ লগতে মূল্যৱান নথিপত্ৰ জুইত জাহ যায়। ইপিনে, মোৱাঝাৰ আৰক্ষীয়ে গুৰুতৰ আঘাতপ্ৰাপ্ত হোৱা লোকজনক ঘটনাস্থলীৰ পৰা উদ্ধাৰ কৰি হাস্পতাললৈ প্ৰেৰণ কৰে। ভুক্তভোগীয়ে একাংশ লোকক অভিযুক্ত কৰি মোৱাঝাৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে।

## এসপ্তাহে কিশোৰ সন্ধানহীন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ১৮ অক্টোবৰ ঃ** নগৰৰ উপকণ্ঠ পুলিবৰ আৰক্ষী থানাৰ অন্তৰ্গত পৰ্বতীয়া গাঁৱৰ কিশোৰ বিতোপন সাউদ (১৫) যোৱা এসপ্তাহে সন্ধানহীন হৈ আছে। যোৱা ১২ অক্টোবৰৰ নিশা নিজ ঘৰৰ পৰা ওলাই যোৱাৰ পাছৰে পৰা কিশোৰজন সন্ধানহীন হয়। মানসিক আৰু শাৰীৰিকভাৱে দুৰ্বল বিতোপন নিৰুদ্দেশ হোৱাত হতাশাত ভাগি পৰিছে পিতৃ-মাতৃ। উল্লেখ্য যে পিতৃও উচ্চ ৰক্তচাপত ভুগি বৰ্তমান শয্যাশায়ী হৈ আছে। ঘৰৰ পৰা ওলাই যোৱাৰ সময়ত তেওঁ হাফ ছাৰ্ট আৰু হাফ পেণ্ট পৰিধান কৰি আছিল।

■ নকল ঔষধে ভাবুকি কঢ়িয়াই আনিছে মানৱ জীৱনলৈ ■ নীৰৱ সংশ্লিষ্ট কৰ্তৃপক্ষ-ব্যৱস্থা গ্ৰহণৰ দাবী স্থানীয় ৰাইজৰ ■ প্ৰশাসনে লোৱা নাই ব্যৱস্থা

# নগাঁও জিলাৰ পশ্চিমাঞ্চলত অনুজ্ঞাপত্ৰ বিহীন ফাৰ্মাচী

অগ্ৰদূত বাৰ্তা

**বটদ্ৰৱা, ১৮ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দুৰ্নীতিমুক্ত অসম গঢ়া লক্ষ্যৰে কেতবোৰ কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে যদিও নগাঁও জিলা পশ্চিমাঞ্চলত ইয়াৰ বিপৰীত ছবিখনহে দেখা পোৱা গৈছে। জীৱনদাইনী ঔষধ বিক্ৰীৰ নামত মানুহৰ জীৱনৰ নামত নকল ঔষধ বিক্ৰী কৰি অহাৰ গুৰুতৰ অভিযোগ উঠিছে। উল্লেখ্য যে নগাঁও জিলাৰ ধিঙকে বটদ্ৰৱা, ডুমডুমীয়া, কদমনি, ধূপগুৰি, আমলক্ষী, টুকটুকী, বাৰুৱাটী, বৰিবজাৰ, বেছামাৰী, লহকৰ বান্দৰ চাৰিআলি, ৰজাবাৰী কট্টি বজাৰ আৰু মাটখলা বজাৰত বিগত বহু বছৰ ধৰি একাংশ সাধাৰণ লোকেই অনুজ্ঞাপত্ৰ বিহীন ফাৰ্মাচী খুলি নকল ঔষধ বিক্ৰী কৰি অহাৰ গুৰুতৰ অভিযোগ উঠিছে। কেৱল নকল ঔষধ বিক্ৰী কৰাই নহয়, ঔষধ বিক্ৰী অথবা ফাৰ্মাচীৰ জ্ঞান নথকা এই সকল লোকে ৰোগীক নজনাকৈ জধে-মধে ঔষধ বিক্ৰী কৰি আহিছে। যাৰ ফলত সংশ্লিষ্ট অঞ্চলসমূহত ৰাইজ এতিয়া ভীষণ সমস্যাৰ সন্মুখীন হ'ব লগাত পৰিছে। আচৰিত কথা যে সাধাৰণ জ্বৰ, চৰ্দি, গাৰ বিষ, পেটৰ বিষ, দাঁতৰ বিষ, মূৰৰ বিষ আদি সাধাৰণ বেমাৰতে এণ্টিবায়'টিক টেবলেট দিয়াৰ ফলত বিপদাপন্ন হৈ পৰিছে বহুতৰে জীৱন। আনকি দুৰ্ঘটনাগ্ৰস্ত লোকক লুণ্ঠন চলোৱাৰো গুৰুতৰ অভিযোগ উঠিছে। এই ক্ষেত্ৰত স্বাস্থ্য বিভাগ অথবা ড্ৰাগছ পৰিদৰ্শকে নীৰৱ ভূমিকা পালন কৰি অহা পৰিলক্ষিত হৈছে। বিশেষকৈ নৈপৰীয়া অঞ্চলৰ অজ্ঞতাৰ সুযোগ লৈ মাটখলা বজাৰত এনে অনুজ্ঞাপত্ৰবিহীন ফাৰ্মাচী অথবা মুন্না ভাই এমবিবিএছে চিকিৎসা প্ৰদানৰ নামত অধিক মুনাফা লুটি অহাৰ ফলত দুৰ্বিষহ হৈ পৰিছে বহুতৰে জীৱন। এই ক্ষেত্ৰত অতি শীঘ্ৰেই বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে স্থানীয় ৰাইজে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে।



ডিমৌৰ খেতি পথাৰত কাতি বিহু উপলক্ষে বন্তি প্ৰজ্বলন, সোমবাৰে।

## হাজোত অজাপৰ কৰ্মীসভা-যোগদান কাৰ্যসূচী সম্পন্ন

■ কংগ্ৰেছ আমাৰ শত্ৰু নহয় ঃ আহমেদ

অগ্ৰদূত বাৰ্তা

**হাজো, ১৮ অক্টোবৰ ঃ** অসম জাতীয় পৰিষদৰ কামৰূপ জিলা সমিতিৰ উদ্যোগত কালি হাজো বিধানসভা সমষ্টিৰ কৰ্মী আৰু যোগদান কাৰ্যসূচী আধিয়াৰপাৰাৰ এডিএম হাইস্কুল প্ৰাংগণত অনুষ্ঠিত হয়। অজাপৰ কামৰূপ জিলা সমিতিৰ সভাপতি সঞ্জীৱ মহন্তৰ পৌৰোহিত্যত অনুষ্ঠিত কৰ্মী আৰু যোগদান কাৰ্যসূচীত অজাপৰ উপ-সভাপতি দুলু আহমেদে কয়, 'হাজোত বিজেপিক পৰাভূত কৰিবলৈ হ'লে কংগ্ৰেছক সমালোচনা কৰিব লাগিব। কংগ্ৰেছ আমাৰ শত্ৰু নহয়'। অনুষ্ঠানত অজাপ নেতা পংকজলোচন গোস্বামীয়ে কয়, শাসক গোষ্ঠীয়ে জনগণক সদায়েই বান্দৰৰ নাচ দেখুৱাই আহিছে। গণতান্ত্ৰিক দেশত এনেকুৱা আচৰণ প্ৰদৰ্শন কৰাটো অনুচিত। বিজেপিয়ে সমাজখনত সাম্প্ৰদায়িক বিষবাষ্প বিয়পাইছে। সভাত অজাপ নেতা তাহেৰ আলী, তফজুল হক, ৰমণী মালাকাৰ, অজাপৰ যুৱনেতা তথা অধিবক্তা চাহিদ চান হকৰ উপস্থিতিত অগপ, কংগ্ৰেছৰ কে'বাগৰাকী নেতা-কৰ্মীয়ে অজাপত যোগদান কৰে।

## শুৱালকুছিৰ সমস্যা সমাধানৰ বাবে মুখ্যমন্ত্ৰীক সাংবাদিক সন্থাৰ স্মাৰকপত্ৰ

■ শুৱালকুছিৰ নামত ৰাজহ চক্ৰৰ দাবী

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১৮ অক্টোবৰ ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী তথা স্থানীয় বিধায়ক ড° হিমন্ত বিশ্ব শৰ্মাক শুৱালকুছি সাংবাদিক সন্থাই বৃহত্তৰ অঞ্চলৰ একাধিক সমস্যা সমাধানৰ বাবে এখন স্মাৰকপত্ৰ প্ৰদান কৰে। যোৱা ১৬ অক্টোবৰত শুৱালকুছি ক্ৰীড়া প্ৰকল্প পৰিদৰ্শনৰ সময়ত শুৱালকুছি আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ ছপা আৰু বৈদ্যুতিন মাধ্যমৰ উমৈহতীয়া মঞ্চ শুৱালকুছি সাংবাদিক সন্থাৰ দৃষ্টিগোচৰ হোৱা সমস্যাসমূহ ক্ৰমে ঐতিহ্যমণ্ডিত শুৱালকুছিৰ তাঁতশিল্পটো এক সু-পৰিকল্পিত আঁচনিৰে পুনৰ উজ্জীৱিত, স্থানীয় চৰকাৰী হাস্পতালত কমেও দুই তিনিখন আইচিইউ বিচনাৰ ব্যৱস্থা, শুৱালকুছি সাংবাদিক সন্থাৰ নামত ভূমি বা কোঠা আৱণ্টন, শুৱালকুছিত এটা স্থায়ী বাঁছ আস্থান, মহিলাৰ বাবে গুৱাহাটীৰ পৰা শুৱালকুছিলৈ গোলপীয়া বাছৰ ব্যৱস্থা, শুৱালকুছি পলাশবাৰী পাৰঘাটত বন্ধ হৈ থকা আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ উন্নতমানৰ জাহাজৰ ব্যৱস্থা, বৃহত্তৰ অঞ্চলৰ ঠাই বিশেষে খোৱা পানীৰ সমস্যা দুৰ আৰু শুৱালকুছি বংশৰ দদৰা পছৰীয়াৰ বাবে প্ৰস্তাৱিত ৰাজহ চক্ৰটো শুৱালকুছি ৰাজহ চক্ৰ নামকৰণ কৰাৰ বাবে সন্থাৰ সভাপতি দিলীপ মেধি আৰু সম্পাদক ৰত্ন কুমাৰ দাসৰ নেতৃত্বত সন্থাৰ সদস্যসকলে মুখ্যমন্ত্ৰীৰ হাতত দিয়ে। স্মাৰকপত্ৰ গ্ৰহণ কৰি বিধায়ক তথা মুখ্যমন্ত্ৰীয়ে পৰ্যায়ক্ৰমে সমস্যাসমূহ সমাধান কৰাৰ আশ্বাস দিয়ে। সাংবাদিকৰ দলটোত সভাপতি-সম্পাদকৰ লগত উপদেষ্টা কিশোৰ গোস্বামী, কাৰ্যকৰী সভাপতি হৰিপ্ৰসাদ দাস, উপ-সভাপতিদ্বয় প্ৰবীণ কুমাৰ দাস আৰু পুলিন দাস, সহ-সম্পাদক মৃণাল ডেকা শৰণীয়া, সদস্য দীপু গোপী আৰ দাস, মৃদুল প্ৰতীম ডেকা নৱজ্যোতি কলিতা আদি উপস্থিত থাকে।

## সামৰণি পৰিল বেজগাঁও যুৱক প্ৰগতি সংঘৰ তিনিদিনীয়া গুৰু জয়ন্তী উৎসৱ

■ ভোগপুৰ সত্ৰৰ সত্ৰাধিকাৰক 'বাকসিদ্ধ' উপাধি প্ৰদান

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ১৮ অক্টোবৰ ঃ** মাজুলীৰ অন্যতম সামাজিক অনুষ্ঠান বেজগাঁও যুৱক প্ৰগতি সংঘৰ দ্বাৰা আয়োজন কৰা ৫৭৩ সংখ্যক শংকৰদেৱৰ জন্মজয়ন্তীৰ যোৱা ১৭ অক্টোবৰত সামৰণি পৰে। তিনিদিনীয়া কাৰ্যসূচীৰে যুৱক সংঘৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা গুৰু জয়ন্তীৰ আজি মাংগলিক ধ্বনিৰ মাজত ভোগপুৰ সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীৰ ভাগৱত পাঠেৰে সমাপন কৰা হয়। ১৯৭১ত শংকৰদেৱৰ জন্মজয়ন্তীৰ দিনাই আধ্যাত্মিক অনুষ্ঠানৰ মাজেদি যুৱক সংঘটিয়ে প্ৰতিষ্ঠা লাভ কৰিছিল। উক্ত দিনাৰ পৰাই যুৱক সংঘৰ প্ৰতিষ্ঠা দিৱস গুৰুজয়ন্তীৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰি অহা হৈছে। মহাপুৰুষ গুৰুজনাক প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত গুৰুজয়ন্তী ভাগি তিনিদিনীয়া কাৰ্যসূচীৰে সম্পন্ন কৰি অহা হৈছে। সাংস্কৃতিক প্ৰতিযোগিতা, ধৰ্মালোচনী সভা, নামভাওনা আৰু অবিৰত ভাগৱত পাঠ অনুষ্ঠানৰ দ্বাৰা সম্পন্ন কৰি অহা এই অনুষ্ঠান ভাগি এইবাৰ তিনিদিনীয়াকৈ অখণ্ড ভাগৱত পাঠ অনুষ্ঠানৰ দ্বাৰা সম্পন্ন কৰা হয়।

১৫ অক্টোবৰ পুৱা ঊষা কীৰ্তন, পৰিৱেশ নিকাকৰণ, আয়তীৰ নাম, গছপুলি ৰোপণ, ধৰ্মধ্বজা উত্তোলন, ভাগৱত শোভাযাত্ৰা আদিৰে আৰম্ভ হয়। উক্ত দিনা দুপৰীয়া ভোগপুৰ সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱে গোস্বামীয়ে আৰম্ভ কৰা অবিৰত ভাগৱত পাঠ অনুষ্ঠান আজি সত্ৰাধিকাৰজনে পাঠ কৰা নাম-প্ৰসংগৰে অনুষ্ঠানৰ সামৰণি মাৰে।

**সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীক 'বাকসিদ্ধ' উপাধি প্ৰদান ঃ** ইপিনে, ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীভোগপুৰ সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীক বেজগাঁও যুৱক প্ৰগতিসংঘৰ দ্বাৰা আয়োজিত শংকৰদেৱৰ জন্মজয়ন্তীৰ সামৰণিৰ অনুষ্ঠানত 'বাক্‌সিদ্ধ' উপাধি প্ৰদান কৰা হয়। স্থানীয় ৰাইজ ভোগপুৰ সত্ৰৰ বৈষ্ণৱ, বৃহৎ সংখ্যক শিষ্য প্ৰশিষ্যৰ উপস্থিতিত সত্ৰাধিকাৰজনক মাংগলিক ধ্বনি মাজত গুৰুজয়ন্তীৰ আয়োজক সমিতিৰ সভাপতি দীপক বৰা আৰু সম্পাদক দিগন্ত দত্তই উপাধি প্ৰদানৰ স্মাৰক প্ৰদান কৰে। প্ৰশস্তি পত্ৰ, চেলেংচাদৰ আৰু গামোচাৰে সত্ৰাধিকাৰজনক জনোৱা এই সন্মানক উপস্থিত ৰাইজে আদৰণি জনায়। ধৰ্মচৰ্চাৰ ক্ষেত্ৰত সত্ৰাধিকাৰ জনাই ১৪খনকৈ আধ্যাত্মিক গ্ৰন্থ ৰচনা কৰি ৰাইজৰ মাজলৈ উলিয়াই দিয়াৰ লগতে সামাজিক ক্ষেত্ৰখনত সত্ৰাধিকাৰজনাৰ যথেষ্ট অৱদান আছে।

মাজুলীৰ সুৰক্ষাৰ ক্ষেত্ৰত মাজুলীৰ সত্ৰাধিকাৰসকলৰ লগত একাধিক বাৰ নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনাত মিলিত হোৱা সত্ৰাধিকাৰজনে অসম সত্ৰ মহাসভাৰ দৰে জাতীয় অনুষ্ঠানৰ বিভিন্ন দায়িত্ব পালন কৰি আহিছে। বাকপটুতা আৰু আধ্যাত্মিক সমাজত আগবঢ়োৱা অৱদানৰ ভিত্তিত বেজগাঁও হৰিমন্দিৰত অনুষ্ঠিত আধ্যাত্মিক সমাজৰ দ্বাৰা প্ৰদান কৰা 'বাকসিদ্ধ' উপাধি প্ৰসংগত আবেগবিহ্বল হৈ এই উপাধিৰগৰাকী আপোনাসব বুলিহে তেওঁ উল্লেখ কৰে। ভোগপুৰ সত্ৰৰ বৈষ্ণৱবৃন্দ আৰু আমাৰ শিষ্য প্ৰশিষ্যসকলৰ শ্ৰদ্ধা ভক্তিয়ে আমাক ধৰ্মচৰ্চাৰ বাবে প্ৰেৰণা যোগাইছিল। ৰাইজৰ আশীস আৰু ভগৱন্তৰ কৃপা নহ'লে আমি কোনো ক্ষেত্ৰতে আগুৱাই যাব নোৱাৰিম বুলি সত্ৰাধিকাৰ দত্তগোস্বামীয়ে প্ৰকাশ কৰে।

## ভগৱানৰ দৰ্শন পাবলৈ নামঘৰক জীৱন্ত জ্ঞান কৰিব লাগিব

■ চাৰিং এক নম্বৰ বাৰুৱতী নামঘৰৰ তোৰণ উন্মোচন

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ১৮ অক্টোবৰ ঃ** 'মহাপুৰুষ শংকৰদেৱৰ মহান অৱদান নামঘৰৰ প্ৰতিটো কোণত নিহিত থাকে ভগৱানৰ অস্তিত্ব। অসমীয়া সমাজ জীৱনৰ লাইখুঁটা স্বৰূপ নামঘৰক সকলোৰে অন্তৰেৰে শ্ৰদ্ধা আৰু ভক্তি কৰিব জানিলেহে এখন সুস্থ সমাজৰ আশা কৰিব পাৰি।' যোৱা ১৭ অক্টোবৰত চাৰিং এক নম্বৰ বাৰুৱতী নামঘৰৰ মূল প্ৰৱেশ পথৰ গগৈ আলিৰ মূৰত গাঁওখনৰ বিশিষ্ট সমাজকৰ্মী তথা গড়কাপ্টানী বিভাগৰ অভিযন্তা গজেন গগৈৰ প্ৰায় সাত লাখ টকা ব্যয়েৰে নিৰ্মিত নামঘৰৰ মূল তোৰণ উন্মোচন কৰি স্থানীয় শ্ৰীশ্ৰীজকাই সত্ৰৰ অধিকাৰ গিৰিশ চন্দ্ৰ মহন্তই এইদৰে কয়। যুৱ সাংস্কৃতিক কৰ্মী কৈলাশ বড়াই আঁত ধৰা তোৰণ উন্মোচনী অনুষ্ঠানত মহন্তই প্ৰসংগ ক্ৰমে আৰু কয়- 'ভগৱানৰ দৰ্শন পাবলৈ সকলোৰে নামঘৰক জীৱন্ত জ্ঞান কৰিব লাগিব।' উল্লেখ্য যে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অধ্যক্ষ মানজিৎ গগৈ আৰু চাৰিং ৰাসমহোৎসৱ উদ্‌যাপন সমিতিৰ সহকাৰী সম্পাদক তথা সমাজকৰ্মী যদুমণি বৰুৱা উপস্থিত থকা অনুষ্ঠানত তোৰণৰ দাতা গজেন গগৈ আৰু পত্নী আভাৰাণী গগৈকে ধৰি আন কে'বাগৰাকী বিশিষ্ট লোকক নামঘৰ নিৰ্মাণ সমিতিৰ হৈ সভাপতি পৰমা গগৈ, সম্পাদক বিপুল গগৈয়ে আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনায়। পুৱা নামঘৰ প্ৰাংগণত বহু সংখ্যক ভকত-বৈষ্ণৱৰ উপস্থিতিত লোকশিল্পী কমলা গগৈয়ে দিহানাম পৰিৱেশন কৰাৰ পাছতে গায়ন-বায়নেৰে তোৰণ উন্মোচনৰ বাবে উন্মোচক গিৰিশ চন্দ্ৰ মহন্তক আদৰি নিয়ে গাঁওখনৰ ডেৰ শতাধিক ভকত-বৈষ্ণৱ আৰু ৰাইজে।

## মাতৃৰ আদ্যশ্ৰাদ্ধৰ দিনাই দুখনকৈ হুইল চেয়াৰ

ষ্টাফ ৰিপৰ্টাৰ

**যোৰহাট, ১৮ অক্টোবৰ ঃ** 'আইৰ সমান হ'ব কোন, নৈৰ সমান ব'ব কোন?' পৃথিৱীৰ প্ৰতিজন ব্যক্তিৰ বাবে মাতৃৰ মৰম আৰু ত্যাগ চিৰযুগমীয়া। সেই মাতৃৰ প্ৰতি শ্ৰদ্ধা জনাই উত্তৰ যোৰহাটৰ কমাৰমাটি গাঁৱৰ এটি পৰিয়ালে নিজ মাতৃৰ আদ্যশ্ৰাদ্ধৰ দিনা দিব্যাংগসকলৰ উপকাৰৰ বাবে অগ্ৰণী বেচৰকাৰী সংস্থা সেৱালৈ প্ৰদান কৰে দুখনকৈ হুইল চেয়াৰ। বিদূষী মহিলা কলমপ্ৰভা বৰাৰ যোৱা ১৭ অক্টোবৰত আদ্যশ্ৰাদ্ধৰ দিনা হুইল চেয়াৰ প্ৰদান কৰা অনুষ্ঠানত পুত্ৰ ক্ৰমে পৰেশ বৰা, প্ৰকাশ বৰা, ৰঞ্জিত বৰা, বিজিত বৰা, তিলক বৰাই মাতৃৰ স্মৃতিত আগবঢ়োৱা হুইল চেয়াৰ দুখন সেৱাৰ হৈ কাৰ্যকৰী সমিতিৰ সভাপতি জগন্নাথ অগ্নিবৰা, সম্পাদক ৰাজীৱ কুমাৰ নাজিৰ, কাৰ্যালয় সম্পাদক শ্ৰীমন্ত মাধৱ বৰুৱাৰ লগতে সদস্য প্ৰশান্ত কুমাৰ দত্তই গ্ৰহণ কৰে।



## সূৰ্যোদয় উচ্চ ইংৰাজী বিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহ উদ্‌যাপনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১৮ অক্টোবৰ ঃ** তেজপুৰৰ এক গ্ৰাম্য অঞ্চল গোটলুং অঞ্চলত অৱস্থিত সূৰ্যোদয় উচ্চ ইংৰাজী বিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপনৰ উদ্দেশ্যৰে যোৱা ১৭ অক্টোবৰত সূৰ্যোদয় উচ্চ ইংৰাজী বিদ্যালয়ৰ শংকৰ আজান প্ৰেক্ষাগৃহত এক ৰাজহুৱা সভা অনুষ্ঠিত হয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নয়ন কাকতিৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভাত ভোমোৰাগুৰি জিলা পৰিষদৰ সদস্য ৰফিজ উদ্দিন আহমেদ, অধ্যাপক আব্দুল মজিদ, কাদিৰ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক শ্বেইখ চাহাবুদ্দিন, আব্দুল কাদিৰ, অধিবক্তা ফজলুল হক জ্যেষ্ঠ সাংবাদিক চিৰাজ খান, যুৱ সাংবাদিক শম্ভু বড়ো, ছাইদুল ইছলাম, শোণিতপুৰ জিলা আমছুৰ উপ-সভাপতি আইনুল ইছলামকে আদি কৰি বিভিন্ন দল-সংগঠনৰ নেতৃত্বৰ লগতে স্থানীয় ৰাইজ আৰু অভিভাৱক উপস্থিত থাকে। সহকাৰী শিক্ষক মনচুৰ আলীয়ে আঁত ধৰা সভাত উদ্দেশ্য ব্যাখ্যা কৰা সূৰ্যোদয় উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক অতুল চন্দ্ৰ বৰুৱাই। ২০১৩ৰ আৰু ১৯ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া সোণালী জয়ন্তী উপলক্ষে সভাত ৰাইজৰ সমৰ্থন আৰু সহমতত তেজপুৰ সমষ্টিৰ বিধায়ক পৃথ্বীৰাজ ৰাভাক সভাপতি, ৰফিজ উদ্দিন আহমেদ আৰু দিলীপ নাথক কাৰ্যকৰী সভাপতি হিচাপে নিৰ্বাচিত কৰি সোণালী জয়ন্তী উদ্‌যাপন সমিতি গঠন কৰা হয়ষ উদ্‌যাপন সমিতিয়ে অঞ্চলটোৰ ৰাইজ, বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সহযোগিতা কামনা কৰিছে। উল্লেখ্য যে, ১৯৭২ত নিম্ন বুনিয়াদী বিদ্যালয় হিচাপে স্থানীয় ৰাইজ আৰু প্ৰয়াত শিক্ষক আব্দুল গনি, ড° হাদি আলম বৰা, ওচমান গনি, ৰাজ্যিক শিক্ষক বঁটাপ্ৰাপক প্ৰয়াত হাফিজুদ্দিন, ডিম্বেশ্বৰ কেওঁট, হামিদ মুণ্ডি, আব্দুল মতলেব বেপাৰী আদিৰ লগতে বহুকেইজন বিদ্যানুৰাগী ব্যক্তি তথা সমাজকৰ্মীৰ তৎপৰতা বিদ্যালয়খন স্থাপন কৰা হৈছিল। ১৯৮৫ত উচ্চ বুনিয়াদী বিদ্যালয় আৰু ২০১৮ত উচ্চ মাধ্যমিক বিদ্যালয়ৰ স'তে একত্ৰিকৰণ কৰা এইখন বিদ্যালয়ত বৰ্তমান প্ৰায় এহেজাৰ দুশ ছাত্ৰ-ছাত্ৰী আৰু ৩৮ জন শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী আছে।

## মেৰাগুৰীয়া সমাজ উন্নয়ন পৰিষদত শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**লালুক, ১৮ অক্টোবৰ ঃ** লালুকৰ সমীপৰ দক্ষিণ লালুক গাঁও পঞ্চায়তৰ বৃহত্তৰ অঞ্চল সামৰি ১৯৮৪তে প্ৰাণ পাই উঠা মেৰাগুৰীয়া সমাজ উন্নয়ন পৰিষদৰ উদ্যোগত বিগত বৰ্ষসমূহৰ দৰে এইবাৰো ১৫ আৰু ১৬ অক্টোবৰত মহাপুৰুষ শ্ৰীশ্ৰীমন্ত শংকৰদেৱৰ ৫৭৩ সংখ্যক জন্মোৎসৱ মেৰাগুৰীয়া সমাজ উন্নয়ন পৰিষদৰ আঞ্চলিক নাম ঘৰত অনুষ্ঠিত হয়। প্ৰথমদিনা পতাকা উত্তোলন কৰে মেৰাগুৰীয়া সমাজ উন্নয়ন পৰিষদৰ স্থায়ী সমিতিৰ সভাপতি প্ৰণৱ মহন্তই। মহাপুৰুষজনাৰ প্ৰতিছৱিৰত বন্তি প্ৰজ্বলন কৰে মেৰাগুৰীয়া সমাজ উন্নয়ন পৰিষদৰ প্ৰাক্তন সভাপতি প্ৰদীপ ফুকনে স্মৃতি তৰ্পণ কৰে মেৰাগুৰীয়া সমাজ উন্নয়ন পৰিষদৰ স্থায়ী সমিতিৰ সম্পাদক জয়ন্ত গগৈ আৰু অনুষ্ঠানৰ প্ৰাক্তন সম্পাদক যোগেশ্বৰ বৰুৱাই। দুপৰীয়া নাম-প্ৰসংগ কৰে শ্ৰীশ্ৰী গজলা সত্ৰৰ ডেকা সত্ৰীয়া অজিত মহন্তই। ভাগৱত পাঠ অনুষ্ঠান ৰূপায়ণ কৰে প্ৰদীপ শৰ্মা, অৰুণ দাস, কমল দাস আৰু নগেন বৰাই। নিশালৈ আমন্ত্ৰিত শিল্পীসকলৰ দ্বাৰা 'ৰোহিতেশ্বৰ ধৰ্ম পৰীক্ষা' নাটৰ ভাওনা প্ৰদৰ্শন কৰা হয়। নাট উদ্বোধন কৰে মেৰাগুৰীয়া সমাজ উন্নয়ন পৰিষদৰ স্থায়ী সমিতিৰ সভাপতি প্ৰণৱ মহন্তই।



হিন্দু জাগৰণ মঞ্চ বৰপেটা জিলাৰ উদ্যোগত আৰু টাপা আঞ্চলিকৰ সহযোগত বামুণবড়িত কাতি বিহু পালন, সোমবাৰে।

## গোৱৰ্ধনত ছহিদ যতীন চন্দ্ৰ কলিতাৰ নামেৰে পথ মুকলি

**ছয়গাঁও, ১৮ অক্টোবৰ ঃ** দেশৰ হৈ প্ৰাণ বলি দিয়া চিআৰপিএফৰ ছহিদ জোৱান তথা ছয়গাঁৱৰ সু-সন্তান যতীন চন্দ্ৰ কলিতাৰ নামেৰে যোৱা ১৬ অক্টোবৰত ছয়গাঁৱৰ এটা ৰাজপথ নামকৰণ কৰা হয়। ১৯৭২ত চিআৰপিএফত যোগদান কৰা বীৰ জোৱান যতীন চন্দ্ৰ কলিতা পঞ্জাৱৰ অমৃতচৰত ১৯৮৬ৰ ১৯ নৱেম্বৰত সন্ত্ৰাসবাদীৰে হোৱা এক সংঘৰ্ষত ছহিদ হয়। ছহিদ গৰাকীৰ স্মৃতি যুগমীয়া কাৰাৰ স্বাৰ্থত ১৭৫ নম্বৰ চিআৰপিএফ বেটেলিয়নে ছয়গাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ পৰা গণকপাৰালৈ যোৱা পথটো যতীন চন্দ্ৰ কলিতা পথ নামেৰে নামকৰণ কৰি চিআৰপিএফৰ তৰফৰ পৰা উন্নয়নৰ ব্যৱস্থা গ্ৰহণ কৰে। এই উপলক্ষে অনুষ্ঠিত এখন সভাত উপস্থিত থাকে ছয়গাঁও সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ, কমাণ্ডেণ্ট সুভাষ চন্দ্ৰ শৰ্মা, ছহিদ পত্নী ললিতা বালা কলিতা, চক্ৰ বিষয়া সূৰোজ সোণোৱাল সহিতে ভালেমান বিশিষ্ট ব্যক্তি। উল্লেখ্য যে বিধায়ক আহমেদে আধাৰশিলা স্থাপন কৰা অনুষ্ঠানত ভাষণ প্ৰদান কৰি চিআৰপিএফে দেশৰ হৈ কিমান সেৱা আগবঢ়াইছে এই বিষয়ে উল্লেখ কৰি ছহিদ পত্নী ললিতা বালা কলিতাক স্বামীৰ হৈ জন্মস্থান বেলগুৰি নেপালীপাৰা অঞ্চলটোত যাতে কিবা এটা কৰিব পাৰে তাৰ বাবে আৰ্থিক অনুদান দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। ইয়াৰ উপৰি ছহিদৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে ছহিদৰ পৰিয়াল সহ চিআৰপিএফৰ কে'বাজনো জ্যেষ্ঠ বিষয়াই।

## নগৰবেৰাত ছমৰীয়া শিক্ষা খণ্ডৰ উদ্যোগত আলোচনাচক্ৰ

**আলোপতি, ১৮ অক্টোবৰ ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত ছমৰীয়া শিক্ষা খণ্ডৰ উদ্যোগত যোৱা ১৭ অক্টোবৰত নগৰবেৰাৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় প্ৰাংগণত এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। ক'ভিড সৃষ্ট পৰিস্থিতিত হোৱা শিকন ঘাটি পূৰণ কৰিবলৈ অনুষ্ঠিত কৰা আলোচনাচক্ৰ সঞ্চালনা কৰে কামৰূপ জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই। আলোচনাচক্ৰত অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ গণেশ্বৰ চহৰীয়া, বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিভূতি ভূষণ পাণ্ডা, পৰিচালনা সমিতিৰ সভাপতি শ্যামাচৰণ ঠাকুৰীয়া, ছমৰীয়া শিক্ষা খণ্ডৰ বিষয়া নিত্য প্ৰসাদ মহন্ত, নগৰবেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি মদন পাঠক, শংকৰদেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ৰবিলোচন ঠাকুৰীয়া আদিয়ে ভাষণ প্ৰদান কৰে। জিলাখনৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াৰ লগতে বক্তাসকলে ভাষণ প্ৰসংগত বিগত প্ৰায় দুটা বছৰত মহামাৰী ক'ভিডৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ হোৱা শৈক্ষিক ক্ষতি কেনেকৈ পূৰণ কৰিব পাৰি সেই সন্দৰ্ভত আলোচনা কৰে। বক্তাসকলে উপস্থিত শিক্ষকসকলক ছাত্ৰ-ছাত্ৰীক আনন্দময় শিক্ষা প্ৰদানেৰে উৎসাহী কৰি বিদ্যালয়মুখী কৰিবলৈ, অতিৰিক্ত শ্ৰেণী, মূল্যায়ন, বিদ্যালয় পৰিচালনা সমিতি, শিক্ষক আৰু অভিভাৱকৰ সমূহীয়া সভা আদি বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰি সততাৰে সংঘবদ্ধ আৰু পৰিকল্পিতভাৱে শিকন ঘাটি পূৰণ কৰাৰ আহ্বান জনায়। তদুপৰি নতুন শিক্ষা নীতি, অনলাইন পাঠদান আৰু ম'বাইলৰ ব্যৱহাৰ আদিৰ প্ৰসংগও উল্লেখ কৰে।

## নামঘৰসমূহৰ পৰিচয়মূলক গ্ৰন্থৰ বাবে তথ্য পাতি পঠিওৱাৰ তাৰিখ নিৰ্ধাৰণ

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ১৮ অক্টোবৰ ঃ** আউনীআটী সত্ৰৰ সত্ৰাধিকাৰৰ চ'ৰাত যোৱা ১৭ অক্টোবৰত অসমৰ নামঘৰসমূহৰ পৰিচয়মূলক গ্ৰন্থ (দ্বিতীয় খণ্ড) সম্পাদনা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। গ্ৰন্থৰ অগ্ৰগতিৰ খতিয়ান আগবঢ়ায় সম্পাদক ৰঞ্জিৎ কুমাৰ ভূএগ আৰু তুলসী ৰাজখোৱাই। সভাত সম্পাদনা সমিতিৰ সভাপতি ড° পীতাম্বৰ দেৱগোস্বামীয়ে আগন্তুক অসম ভাওনা সমাৰোহত দ্বিতীয় খণ্ড প্ৰকাশ কৰা হ'ব বুলি ঘোষণা কৰি বাকীখিনি কাম খৰতকীয়াকৈ কৰিবলৈ আহ্বান জনায়। সভাই সৰ্বসন্মতি ক্ৰমে এতিয়াও থাকি যোৱা নামঘৰসমূহৰ তথ্যপাতি পঠিয়াব পৰাকৈ ২৯ কাতিলৈকে সময় সীমা বৃদ্ধি কৰিবলৈ সিদ্ধান্ত কৰে। সমিতিৰ তৰফৰ পৰা অসমৰ ৰাইজলৈ আহ্বান জনায় ২৯ কাতিৰ ভিতৰত থাকি যোৱা নামঘৰসমূহৰ তথ্যপাতি পঠাবলৈ আহ্বান জনায়। তথ্যপাতিসমূহ ড° পীতাম্বৰ দেৱগোস্বামী, সভাপতি সম্পাদনা সমিতি, ডাক- আউনীআটী সত্ৰ, মাজুলী, ৭৮৫১০৬, দূৰভাষ ৭০০২৪০৭৪৪২। ৰঞ্জিৎ কুমাৰ ভূএগ, সম্পাদক, সম্পাদনা সমিতি, ডাক ঃ কমলাবাৰী, মাজুলী, ৭৮৫১০৬ দূৰভাষ ঃ ৮৬৩৮৭৭১৪৩৩ আৰু তুলসী ৰাজখোৱা, সম্পাদক, সম্পাদনা সমিতি। ডাকঃ আউনীআটী, মাজুলী- ৭৮৫১০৬, দূৰভাষ ঃ ৯১০১১৩২৯১১১ ঠিকনাত পঠিয়াব পাৰিব।

■ ১১ ফেব্ৰুৱাৰীৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ

## ৰঙিয়াত অসম ব্ৰাহ্মণ সমাজৰ দশম দ্বি-বাৰ্ষিক সন্মিলনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ১৮ অক্টোবৰ ঃ** অসম ব্ৰাহ্মণ সমাজৰ দশম দ্বি-বাৰ্ষিক সন্মিলনখন এইবেলি ৰঙিয়াত অনুষ্ঠিত হ'ব। কামৰূপ জিলা ব্ৰাহ্মণ সমাজৰ উদ্যোগত অহা ১১, ১২ আৰু ১৩ ফেব্ৰুৱাৰীত বৰ্ণাঢ্য কাৰ্যসূচী আৰু ব্ৰাহ্মণ সমাজৰ ধৰ্মীয় পৰম্পৰা অনুসৰি আয়োজন কৰা এই সন্মিলন প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰিবৰ বাবে যোৱা ১৭ অক্টোবৰত ৰঙিয়া শিৱ মন্দিৰ বাকৰিত এক সভা অনুষ্ঠিত হয়। কামৰূপ জিলা ব্ৰাহ্মণ সমাজৰ সভাপতি ড° নীতিশ চন্দ্ৰ শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত অসম ব্ৰাহ্মণ সমাজৰ সভাপতি সুনীল গোস্বামী, অসম ব্ৰাহ্মণ যুৱ সমাজৰ সভাপতি নৱজ্যোতি মিশ্ৰ, নলবাৰী সংস্কৃত মহাবিদ্যালয়ৰ অধ্যক্ষ দ্বীপজ্যোতি বৰপূজাৰী, কামৰূপ জিলা যুৱ ব্ৰাহ্মণ সমাজৰ সভাপতি নিপু কুমাৰ শৰ্মা, সদৌ অসম দেৱালয় সংঘৰ সম্পাদক মনোজ শৰ্মা দলৈৰ উপৰি কামৰূপ জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা দ্বিপেন চক্ৰৱৰ্তী, মুনমুন শৰ্মা, দেৱেন শৰ্মা, শিশিৰ ভাগৱতীসহ কে'বাজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাত বক্তাসকলে সন্মিলনখন সৰ্বতো প্ৰকাৰে সফল কৰি তুলিবলৈ বিভিন্ন পৰামৰ্শ আগবঢ়ায়। সভাত আগন্তুক সন্মিলন পৰিচালনাৰ বাবে তিনিশজনীয়া এখন অভ্যৰ্থনা সমিতি গঠন কৰা হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি হিচাপে সৰ্বসন্মতিক্ৰমে মনোনীত কৰা হয় ৰাজ্যিক বিজেপিৰ সভাপতি তথা ৰঙিয়া সমষ্টিৰ বিধায়ক ভবেশ কলিতাক। সমিতিৰ অন্যান্য বিষয়ববীয়াসকল হ'ল কাৰ্যকৰী সভাপতি ড° নীতিশ শৰ্মা আৰু ৰমেশ শৰ্মা, সম্পাদক নিপু কুমাৰ শৰ্মা আৰু মুনমুন শৰ্মা। মূল সমিতিৰ উপৰি কে'বাখনো উপ-সমিতি গঠন কৰা হৈছে। সন্মিলনৰ বিতং তথ্যৰ বাবে ৰাজ্যৰ সকলো ভাষা-ভাষীৰ ব্ৰাহ্মণ সমাজক ৯৪৩৫৫৪৪৫৮৮ নাইবা ৯১০১৭০০৬৭৫ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

## নগালেণ্ডৰ চাৰি গাড়ী চোৰক হাতে- লোটে গ্ৰেপ্তাৰ মেৰাপানী আৰক্ষীৰ

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ১৮ অক্টোবৰ ঃ** পোনপ্ৰথম বাৰৰ বাবে নগালেণ্ডৰ এটা গাড়ী চুৰি চক্ৰক হাতে-লোটে কৰায়ত্ত কৰিবলৈ সক্ষম হৈছে মেৰাপানী আৰক্ষীয়ে। সচৰাচৰ অসমৰ পৰা চুৰি কৰা গাড়ীসমূহ নগালেণ্ডত বিক্ৰী কৰা হয় যদিও, এইবাৰ নগালেণ্ডৰ চুৰি গাড়ী অসমত বিক্ৰী কৰাৰ জাল পেলাইছে আন্তঃৰাজ্যিক গাড়ী চুৰি চক্ৰই। আজি তেনে এখন চুৰি গাড়ীসহ নগালেণ্ডৰ দুজন চোৰক কৰায়ত্ত কৰিবলৈ সক্ষম হয় মেৰাপানী আৰক্ষীয়ে। ক'হিমাৰ পৰা চুৰি কৰি অনা এন এল-০১ পি-০৩৫১ নম্বৰ এখন মাৰুতি ইক' গাড়ী মেৰাপানী টাউনত বিক্ৰীৰ যো-জা চলাওতেই আৰক্ষীৰ জালত পৰে নগালেণ্ডৰ দুজন চোৰ। চিয়েচিলী হল (১৯) আৰু আশীস ৰায় (১৯) নামৰ চোৰ দুজনক সোধপোছ কৰাৰ অন্তত পুনৰ গাড়ীচোৰৰ দলটোৰ স'তে সম্পৰ্ক থকা মেৰাপানীৰ দুজন যুৱকক আটক কৰে আৰক্ষীয়ে। আটকাধীন আন দুজন যুৱক ক্ৰমে মেৰাপানীৰ নাৰায়ণপুৰ গাঁৱৰ নীৰেন বৰা (২৪) আৰু ভেলৌগুৰি গাঁৱৰ ভাইকণ টুডু (২৪)। চোৰকেইজনৰ স্বীকাৰোক্তি অনুসৰি ক'হিমাৰ পপুলাৰ বেকাৰীৰ মালিকাধীন গাড়ীখন চুৰি কৰি আনি মেৰাপানীত মাত্ৰ ৬০ হেজাৰ টকাত বিক্ৰীৰ যো-জা চলাইছিল। সম্প্ৰতি চোৰকেইজনৰ বিৰুদ্ধে মেৰাপানী আৰক্ষী থানাত ১১৫/২০২১ নম্বৰত এটা গোচৰ ৰুজু কৰি জেললৈ প্ৰেৰণ কৰে। উল্লেখ্য যে অসম-নগালেণ্ড সীমান্তৱৰ্তী মেৰাপানীক ট্ৰেনজিট পইন্ট হিচাপে ব্যৱহাৰ কৰি এক বৃহৎ গাড়ীচোৰৰ বজাৰ গঢ় লৈ উঠিছে। উল্লেখ্য যে যোৱা ২১ ছেপ্টেম্বৰতো কাছমাৰী উত্তৰ নেঘেৰী গাঁৱৰ পৰাও তিনি আন্তঃৰাজ্যিক গাড়ী চোৰক মেৰাপানী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছিল।

# বিশ্বনাথৰ সাধাৰুৰ ডকাইতি কাণ্ডৰ স'তে জড়িত চাৰিজনক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৮ অক্টোবৰ ঃ** ২৪ ঘন্টা নৌহওতেই বিশ্বনাথৰ সাধাৰুত সংঘটিত চাঞ্চল্যকৰ ডকাইতি কাণ্ডৰ স'তে জড়িত চাৰিজনক আজি গ্ৰেপ্তাৰ কৰে বিশ্বনাথ আৰক্ষীয়ে। উল্লেখ্য যে যোৱা ১৬ অক্টোবৰৰ নিশা ১৮ মাইলৰ পৰা ডিব্ৰুগড় অভিমুখে গৈ থকা কেঁচা পাচলি সামগ্ৰী কঢ়িওৱা এ এছ-১২ বিচি-৫১০৮ নম্বৰৰ ডিআইখনৰ চালকক বিশ্বনাথৰ সাধাৰুত নিশা এটি চাৰিজনীয়া ডকাইতৰ দলে পিষ্টল দেখুৱাই লুটি নিছিল নগদ ধন। নিশা ১১.৩০ বজাত ১৮ মাইলৰ পৰা কেঁচা শাক-পাচলি লৈ অহা ডি আই গাড়ীখনৰ চালক শুকুৰ আলীয়ে আন এজন সহযোগীৰ লগতে ডিব্ৰুগড় অভিমুখে গৈ থকা অৱস্থাত হঠাৎ গাড়ীখন বিশ্বনাথৰ সাধাৰুত যান্ত্ৰিক বিজুতিৰ বাবে ৰৈ যাব লগীয়া হয়। সেই সময়তে তেজপুৰৰ পৰা বিশ্বনাথৰ দিশে আহি থকা বগা ৰঙৰ ছুইফ্ট ডিজায়েৰ গাড়ীখনৰ চাৰিজন অস্ত্ৰধাৰী যুৱক আহি আক্ৰমণ কৰে গাড়ী চালক শুকুৰক। হাতত পিষ্টল লৈ থকা দুৰ্বৃত্তৰ দলটোয়ে গাড়ী চালক আৰু সহযোগীক চিঞৰ-বাখৰ কৰিলে প্ৰাণে মৰাৰ ভাবুকি প্ৰদান কৰে আৰু গাড়ী চালকজনৰ পকেটত থকা ১৭,৫০০ টকা ডকাইতি কৰি সেই স্থানৰ পৰা দুৰ্বৃত্তৰ দলটো পলায়ন কৰে। আনহাতে গাড়ীৰ চালক শুকুৰে অভিযোগ কৰা মতে দুৰ্বৃত্তৰ দলটোয়ে লৈ আনিছিল এখন বগা ৰঙৰ এ এছ ১২ ওৱাই-৮৮৮৩ নম্বৰৰ ছুইফ্ট ডিজায়েৰ। ভুক্তভোগী শুকুৰে বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষী থানাত এই ডকাইতি ঘটনাৰ সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰাৰ মাত্ৰ ২৪ ঘন্টা নৌহওতেই এই চাঞ্চল্যকৰ ডকাইতি ঘটনাৰ স'তে জড়িত চাৰিজন ক্ৰমে ঋতুপৰ্ণ ভূঞা (৩৪), জামুগুৰিহাটৰ কাজল শইকীয়া (২১) কল্পজ্যোতি দাস (২৭) আৰু অঞ্জন বৰা (৩২)ক গ্ৰেপ্তাৰ কৰি স্বাস্থ্য পৰীক্ষা কৰোৱাই ন্যায়িক জিম্মাত হাজিৰ কৰি জেললৈ প্ৰেৰণ কৰে। ইতিমধ্যে দুৰ্বৃত্তৰ দলটোয়ে ব্যৱহাৰ কৰা ছুইফ্ট ডিজায়েখন জব্দ কৰিছে।

# কাতি বিহুৰ উৎসাহ নাই বাহাৰঘাট অঞ্চলত

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১৮ অক্টোবৰ ঃ** এতিয়া শৰৎকাল। শাৰদী ৰাণীৰ আগমনৰ লগে লগে উৎসৱৰ যেন ধল বয় ৰাজ্যৰ প্ৰতিটো প্ৰান্তত। ব্যতিক্ৰম নহয় বাহাৰঘাট অঞ্চলো। হিন্দু-মুছলমানৰ সমন্বয়ৰ ঠাই হিচাপে সকলোৰে পৰিচিত বাহাৰঘাট অঞ্চল। কামৰূপ আৰু নলবাৰী জিলাৰ সংগমস্থলী উক্ত অঞ্চলৰ বেছিভাগ লোকে কৃষিকৰ্মৰ লগত জড়িত। সেয়েহে কৃষিভিত্তিক উৎসৱ পালনসমূহ উলহ-মালহেৰে অতীতৰে পৰা উদ্‌যাপন কৰি আহিছে অঞ্চলটোৰ সৰ্বসাধাৰণ ৰাইজে। এইবেলিও তাৰ ব্যতিক্ৰম দেখা নাই। বিগত দুটা বছৰে কাল কৰ'নাই কোঙা কৰা ৰাইজে এইবেলি অলপ মুকলিকৈ শাৰদীয় উৎসৱ উদ্‌যাপন কৰিছে। কিন্তু ইয়াৰ মাজতে একাংশ সাধাৰণ লোকে বয়বস্তুৰ আকাশলংঘী মূল্যৰ বাবে থমকিব লগা হৈছে। বিশেষকৈ খাদ্য সামগ্ৰীৰ অতিপাত মূল্যবৃদ্ধিত হতাশ হৈছে সাধাৰণ ৰাইজ। বয়বস্তুৰ অতিপাত মূল্যৰ পাছতো কোনোমতে জোৰা-টাপলি মৰি

## ■ বয়বস্তুৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে কোঙা কৰিছে ৰাইজক

দুৰ্গোৎসৱৰ লগতে গুৰুজনাৰ জন্মজয়ন্তী সাধাৰণভাৱে উদ্‌যাপন কৰিলে। আজি কাতি বিহু। কৃষক ৰাইজে আগ্ৰহেৰে উদ্‌যাপন কৰাৰ পৰা বিৰত থাকি সাধাৰণভাৱে চাকি-বন্তি জ্বলাই সামৰণি মাৰিব বুলি একাংশ কৃষকে সাংবাদ মাধ্যমৰ আগত সদৰী কৰিছে। উল্লেখ্য যে অঞ্চলটোত বৰ্তমান মিঠাতেল প্ৰতি লিটাৰত দুশৰ পৰা ২২০ টকা, আলু প্ৰতি কিলোগ্ৰামত ২০ পৰা ৪০ টকা, পিঁয়াজ ৫০ টকা, পটল ৬০-৭০ টকা, ভাত কেৰেলা ৭০-৮০ টকা, ফুলকবি এশৰ পৰা ১২০ টকা, বন্ধা কবি ৪০-৫০ টকা আদি দামত বিক্ৰী হৈ আছে। ইয়াৰ উপৰি বুট, মুগ বুটৰ দাইল আদিৰো পূৰ্বৰ তুলনাত যথেষ্ট দাম বৃদ্ধি হোৱাত ৰাইজ হতাশ হৈ পৰিছে। মুঠৰ ওপৰত বয়বস্তুৰ অতিপাত মূল্যবৃদ্ধিৰ বাবে এইবেলি কাতি বিহুৰ উৎসাহ বাহাৰঘাট অঞ্চলৰ ৰাইজৰ মাজত পৰিলক্ষিত হোৱা নাই। তদুপৰি দুদিন পাছতে লক্ষ্মী পূজা, তাতো মূল্যবৃদ্ধিৰ প্ৰভাৱ পৰিব ৰাইজে সন্দেহ প্ৰকাশ কৰিছে।

# দুলীয়াজানত আৰক্ষীৰ জিম্মাৰ পৰা গভাইত চোৰ পলাতক



**অগ্ৰদূত বাৰ্তা**

**দুলীয়াজান, ১৮ অক্টোবৰ ঃ** দুলীয়াজান আৰক্ষী থানাৰ জিম্মাত থকা অৱস্থাত যোৱা নিশা এজন গভাইত চোৰ থানাৰ পৰাই পলায়ন কৰা ঘটনাই তৈলনগৰী দুলীয়াজানত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আৰক্ষী সূত্ৰই সদৰী কৰা মতে, গভাইত চোৰজন তিনিচুকীয়া জিলাৰ ফিল'বাৰী অঞ্চলৰ নিবাসী তথা দুলীয়াজানৰ দ-হুকুটাত ভাড়াতীয়া হিচাপে বাস কৰা বিষ্ণু থাপা (৩৫)। উল্লেখ্য যে যোৱা ১৬ অক্টোবৰত দুলীয়াজানৰ কমলাবাৰীৰ নিবাসী ইন্দ্ৰ কুমাৰ ছেত্ৰীৰ বাসগৃহত বিষ্ণুৱে চুৰি কৰিবলৈ গৈছিল যদিও চুৰিকাৰ্য সম্পাদন কৰিব নোৱাৰি মালিক ছেত্ৰীৰ চিচি টিভি কেমেৰা পৰ্যন্ত ভাঙি থৈ যায়। পাছত স্থানীয় ৰাইজে চোৰজনক আটক কৰি দুলীয়াজান আৰক্ষী থানাত চমজাই দিয়ে। চুৰিৰ ঘটনাত অভিযুক্ত ধৃত চোৰজনে যোৱা নিশা আহাৰ গ্ৰহণৰ পাছত খোৱাপাত পেলাবলৈ যোৱাৰ ছলেৰে থানাৰ পকীবেৰ জঁপিয়াই পলাই যাবলৈ সক্ষম হয়। থানাৰ আৰক্ষীয়ে নিশাই পলাতক গভাইত চোৰজনক আটক কৰাৰ উদ্দেশ্যে বিভিন্ন ঠাইত অভিযান চলায় যদিও কোনো সন্ধান উলিয়াবলৈ সক্ষম নহয়। আৰক্ষীক চমজাই দিয়া গভাইত চোৰজন থানাৰ পৰা পলায়ন কৰা ঘটনাৰ বিষয়ে জানিবলৈ পাই কমলাবাৰীৰ স্থানীয় লোক দুলীয়াজান আৰক্ষী থানাৰ চৌহদত প্ৰতিবাদ সাব্যস্ত কৰি গভাইত চোৰজনক অতি শীঘ্ৰে আটক কৰিবলৈ দাবী জনায়। দুলীয়াজান আৰক্ষীয়ে পলাতক চোৰজনৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধিৰ ৩৮০ ধাৰাৰ ৫০৬/২১ নম্বৰত এটা গোচৰ পঞ্জীয়ন কৰি আজিও অভিযান অব্যাহত ৰাখিছে।

## ■ ষ্টাম্প ৰাজহ বৃদ্ধিৰ সিদ্ধান্তৰ বিৰোধিতা মঙলদৈ উকীল সন্থাৰ

# ই-ষ্টাম্প মূল্য ৩০ শতাংশ বৃদ্ধিৰে মাধমাৰ ৰাইজক



*কাতি বিহুত তুলসীৰ তলত বন্তি প্ৰজ্বলন মাজুলীত, সোমবাৰে।*

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ১৮ অক্টোবৰ ঃ** ৰাজ্য চৰকাৰে ১৮৮৯ৰ ভাৰতীয় ষ্টাম্প আইনৰ সংশোধন ঘটাই শেহতীয়াকৈ ষ্টাম্প ৰাজহ ব্যাপক হাৰত বৃদ্ধি কৰাৰ সিদ্ধান্তৰ বিৰোধিতা কৰিছে মঙলদৈ উকীল সন্থাই। এই সন্দৰ্ভত উকীল সন্থাটোৰ এখন বিশেষ সাধাৰণ সভাৰ প্ৰস্তাৱৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰিছে এখন স্মাৰকপত্ৰ। উক্ত পত্ৰত এই সংশোধনী আইনৰ জৰিয়তে চৰকাৰে ষ্টাম্প ৰাজহ কিছু কিছু ক্ষেত্ৰত ২,৫০০ শতাংশ পৰ্যন্ত বৃদ্ধি কৰাৰ সিদ্ধান্ত সম্পূৰ্ণ অবিবেচক আৰু অযুক্তিকৰ বুলি প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে আৰু ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ লোকৰ ওপৰত মাধমাৰ শোধোৱা হৈছে বুলি উল্লেখ কৰিছে। মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা স্মাৰকপত্ৰখনত এই সংশোধনী আইনখন অসম বিধানসভাৰ আগন্তুক শীতকালীন অধিবেশনত বাতিল কৰি ইয়াৰ পৰিৱৰ্তে সংশ্লিষ্ট সংস্থা, ব্যক্তি আদিৰ স'তে আলোচনা মৰ্মে সাধাৰণ ৰাইজৰ বাবে গ্ৰহণযোগ্য এখন অইন প্ৰণয়নৰ পোষকতা কৰিছে। উকীল সংস্থাটোৱে স্মাৰকপত্ৰখনত তেওঁলোকৰ সাধাৰণ সভাৰ প্ৰস্তাৱৰ প্ৰতিলিপিৰ লগতে ষ্টাম্প ৰাজহ বৃদ্ধিৰ ফলত বিভিন্ন চৰকাৰী ব্যাপক হাৰত মূল্যবৃদ্ধিৰ পাৰ্থক্যৰ তালিকা এখনো সংলগ্ন কৰি দিছে। আনহাতে, ৰাজ্য চৰকাৰে ষ্টাম্প শুল্ক বৃহৎ পৰিসৰত বৃদ্ধি কৰাৰ সময়তে মঙলদৈৰ আদালতত দলিল তথা ই-ষ্টাম্প ভেণ্ডৰসকলেও দলিলৰ দাম নিৰ্ধাৰিত নিৰিখতকৈ ৩০ শতাংশ বেছিকৈ লোৱাৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে ষ্টাম্প শুল্ক বৃদ্ধিৰ লগে লগে পত্ৰ শপতত এশ টকা, সাধাৰণ চুক্তিপত্ৰত এশ টকা আৰু চুক্তিপত্ৰৰ মূল্য অনুযায়ী এখন চুক্তি পত্ৰত এহেজাৰৰ পৰা কে'বা হেজাৰৰ ষ্টাম্প শুল্ক দিব লাগে। এই বৰ্ধিত শুল্কৰ গইনা লৈ মঙলদৈ আদালতৰ দুজনকৈ ই-ষ্টাম্পৰ বিক্ৰেতাই ই-ষ্টাম্পৰ মূল্য ৩০ শতাংশকৈ অধিক লোৱাত সাধাৰণ ৰাইজ, উকীল, তৰণী আদিৰ ওপৰত মাধমাৰ শোধাইছে। নাম প্ৰকাশত অনিচ্ছুক এজন ব্যক্তিয়ে এনে অধিক ধন আদায় লোৱাৰ কাৰণ জানিব বিচাৰাত ই-ষ্টাম্প ভেণ্ডৰে বিভিন্ন অজুহাত দেখুৱাই কথাটো আওকাণ কৰা বুলি কয়। ই-ষ্টাম্প বিক্ৰেতাৰ উপৰি সাধাৰণ দলিল বিক্ৰেতাসকলেও দলিলৰ নিৰ্ধাৰিত মূল্যতকৈ অধিক মূল্য লোৱাৰো অভিযোগ আছে। এই বিষয়ত ব্যক্তিজনে জিলা উপায়ুক্তক লিখিত অভিযোগ দাখিল কৰিব বুলি অৱগত কৰে। ইপিনে, ষ্টাম্প শুল্ক বৃদ্ধি হোৱাৰ লগে লগে অধিবক্তাসকলো বিমোৰত পৰিছে বুলি কে'বাজনো অধিবক্তাই জানিবলৈ দিছে। তেওঁলোকে মোৱাক্কিলৰ পৰা এতিয়াৰ পৰা অতি কমেও এখন পত্ৰ শপতত পাঁচশ টকা ল'ব লাগিব। কাৰণ চৰকাৰী বৰ্ধিত ষ্টাম্প শুল্কৰ উপৰি অধিবক্তাসকলে অতিৰিক্ত ৩০ শতাংশ অবৈধ মূল্য দিবলগীয়া হৈছে। অৱশ্যে এই পৰ্যন্ত উপায়ুক্ত প্ৰভাতী থাওচেনৰ প্ৰতিক্ৰিয়া জানিব পৰা হোৱা নাই।

# আমগুৰি-হালোৱাটিঙত জাঁজী নদীৰ অবৈধ বালিৰ ৰমৰমীয়া ব্যৱসায়

## ■ নিধিৰাম চৰ্দাৰৰ ৰূপত বন বিভাগ ভূমি সংৰক্ষণৰ বিষয়া-কৰ্মচাৰী

**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ১৮ অক্টোবৰ ঃ** চৰকাৰী বিয়াগোম বিষয়া-কৰ্মচাৰীৰে গিজগিজাই থকা এটা বিভাগ থকাৰ পাছতো শিৱসাগৰ জিলাৰ আমগুৰিৰ বিভিন্ন ঠাইত সম্প্ৰতি একাংশ চোৰাং বালি ব্যৱসায়ীয়ে চৰকাৰক লাখ লাখ টকাৰ ৰাজহ ফাকি দি বালিৰ ৰমৰমীয়া ব্যৱসায় চলাইছে। এনে অনিয়ম চাবলৈ সংশ্লিষ্ট বিভাগ অথবা চৰকাৰী কোনো পক্ষই আগবাঢ়ি নহাত জাঁজী নদীত এতিয়া অবৈধভাৱে বালি খন্দাৰ অঘোষিত প্ৰতিযোগিতাত নামি পৰিছে একাংশ সহজলভ্য টকাৰ পাছত দৌৰি চুৰি বালিৰ ছিণ্ডিকেট চলোৱা যুৱক। এই সকল যুৱকে প্ৰশাসনৰ সহযোগত আমগুৰিত দীৰ্ঘদিনে বালিৰ ছিণ্ডিকেট চলাই কম সময়ৰ ভিতৰতে চকুত লগাকৈ উত্থান হৈছে। আনহাতে, এই অবৈধ বালি খননৰ লগতে নৈৰ পাৰৰ মাটিও সমানে জেচিবি লগাই খন্দাৰ ফলত জাঁজী নদীৰ খহনীয়া বাঢ়িছে। নগাপাহাৰৰ পৰা বৈ অহা জাঁজী নদীৰ বুকুত বৃহৎ বৃহৎ বৈদ্যুতিক মটৰ সংস্থাপন কৰি একাংশ চোৰাং বালি ব্যৱসায়ীয়ে দৈনিক লাখ লাখ টকাৰ বালি খান্দি ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। শিৱসাগৰ জিলাৰ হালোৱাটিঙৰ পৰা জাঁজী জামুগুৰিলৈকে জাঁজী নদীৰ কাষৰীয়া প্ৰায় অৰ্ধশতাধিক ঠাইত এতিয়া পূৰ্ণোদ্যমে চলি আছে জাঁজী নদীৰ পৰা অবৈধভাৱে বালি খন্দাৰ অঘোষিত প্ৰতিযোগিতা। মন কৰিবলগীয়া যে নদীখনৰ বিভিন্ন ঠাইত প্ৰত্যক্ষভাৱে এক্সেভেটৰৰ দ্বাৰা গাড়ীয়ে গাড়ীয়ে বালি খান্দি দৈনিক বিক্ৰী কৰি থকাৰ উপৰি প্ৰত্যক্ষভাৱে বালি খন্দাৰ অসুবিধা হোৱা ঠাইত বৃহৎ বৃহৎ বৈদ্যুতিক মটৰ সংস্থাপন কৰি দৈনিক লাখ লাখ টকাৰ বালি খান্দি বিক্ৰী কৰি থকা সত্ত্বেও বন বিভাগ অথবা চৰকাৰী ভূমি সংৰক্ষণ কোনোটো পক্ষই এই ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰাত অঞ্চলটোৰ জৈৱ-বৈচিত্ৰৰ প্ৰতি তীব্ৰ ভাবুকি কঢ়িয়াই অনাৰ লগতে নদীখনৰ কাষৰীয়া বিভিন্ন গ্ৰামাঞ্চলৰ পথসমূহৰে চলাচল কৰা বালি সৰবৰাহ কৰা গাড়ীয়ে গ্ৰাম্যপথসমূহ বিধ্বস্ত কৰাৰ উপক্ৰম হৈছে। লক্ষ্যণীয় যে লাদৈগড় মিচিং গাঁও, বৰবাম, হিলৈদাৰী গাঁৱৰ শ্মশান ঘাট, সাউদ গাঁও, চাউদাং গাঁও, তেতেলিগুৰি, জামুগুৰি আদি বিভিন্ন ঠাইত একাংশ লোকে কোনো ধৰণৰ চৰকাৰী অনুমোদন নোলোৱাকৈ নিজ খেয়াল খুচিৰে জাঁজী নদীত বালিৰ অবৈধ খনন চলাই ৰমৰমীয়া ব্যৱসায় চলাই আহিছে যদিও বন বিভাগ অথবা জিলা প্ৰশাসনে এই ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰা কাৰ্যক সহজভাৱে ল'ব পৰা নাই। তাৎপৰ্যপূৰ্ণ যে এই চোৰাং বালি ব্যৱসায়ীয়ে দৈনিক লাখ লাখ টকাৰ বিনিময়ত মজুত কৰা বালি আমগুৰি নগৰৰ মাজেৰেই দৈনিক সৰবৰাহ হয় যদিও তেনে বালিৰ কোনো টিপি বা চালান নাথাকে। গতিকে চৰকাৰে ইয়াৰ পৰা পাব লগা ৰাজহৰ পৰা বঞ্চিত হৈ অহাৰ পাছতো কাৰ পৃষ্ঠপোষকতাত আৰু কি শক্তিৰ বলত বিনাদ্বিধাই এই অবৈধ বালিৰ ৰমৰমীয়া ব্যৱসায় চলি থাকিব পাৰিছে সেইটো এতিয়া সকলোৰে বাবে অবুজ সাঁথৰ। ইয়াৰ উপৰি এই বালি মাফিয়া কেইটামানে স্থানীয় বিধায়কৰ ঘনিষ্ঠ লোকৰ লগত সম্পৰ্ক আছে বুলি জহাই ফুৰাৰ বাবেই প্ৰশাসনে এওঁলোকক নেদেখা ভাও জুৰি থাকে বুলিও অভিযোগ কৰিছে।

# জামুগুৰিহাটত বনৰীয়া হাতীৰ উপদ্ৰৱ

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৮ অক্টোবৰ ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনৰ পৰা ওলাই অহা জাক জাক বন্যহস্তীয়ে জামুগুৰিহাটৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কে'বাখনো গাঁৱত উপদ্ৰৱ চলাইছে। নিশাৰ ভাগত পাঁচ-ছয়জনীয়া কে'বাটাও গোটত বিভক্ত হৈ ওলাই অহা বন্যহস্তীয়ে অঞ্চলটোৰ লালেটাপু, দীঘলীচাপৰি, আমদৰা, লুঙিবজাৰ, কাছমাৰী, ভৈৰৱীকে আদি কৰি কে'বাখনো গাঁৱত সোমাই খেতিপথাৰৰ অনিষ্ট সাধন কৰিছে। যোৱা কে'বাদিনো ধৰি ধাৰাবাহিকভাৱে গাঁওসমূহত বন্যহস্তীয়ে উপদ্ৰৱ চলোৱাত শংকিত হৈ পৰিছে জামুগুৰিহাটৰ দক্ষিণ-পশ্চিম প্ৰান্তত গাঁওসমূহৰ বাসিন্দা। উল্লেখ্য যে জামুগুৰিহাটৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ বিগত কে'বাদশক ধৰি হস্তী-মানুহৰ সংঘাত চলি আহিছে যদিও অঞ্চলটোত বন্যহস্তীৰ উপদ্ৰৱ ৰোধ কৰাৰ ক্ষেত্ৰত আজিলৈকে কোনো এখন চৰকাৰৰ ফালৰ পৰা বাস্তৱসন্মত পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত নহ'ল।

# দুৰ্নীতিগ্ৰস্ত সাংবাদিকৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ

**চানক্য বৈশ্য**

**বাগানপাৰা, ১৮ অক্টোবৰ ঃ** বাগ্‌সা জিলাৰ সদৰ মুছলপুৰকে ধৰি অন্যান্য ঠাইত বিগত সময়ছোৱাত বিভিন্ন চৰকাৰী কাৰ্যালয় আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা একাংশ সাংবাদিকে বিভিন্ন অজুহাত দেখুৱাই প্ৰায়ে ধন সংগ্ৰহ কৰি থকাৰ অভিযোগ উত্থাপিত হৈছে। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যমৰ একাংশ এনে সাংবাদিকৰ শেহতীয়া কিছু কৰ্মকাণ্ডত বিটিএডি সাংবাদিক সন্থাৰ বাগ্‌সা জিলা সমিতিয়ে গভীৰ উদ্বেগ প্ৰকাশ কৰাৰ লগতে ভৱিষ্যতে সেইসকল সাংবাদিকক এনে কাৰ্যৰ পৰা বিৰত থাকিবলৈ সকীয়াই দিয়ে। আজি এক বিবৃতিযোগে সন্থাই সংশ্লিষ্ট বিভাগীয় কাৰ্যালয়সমূহৰ কৰ্তৃপক্ষকো সাংবাদিক সংগঠনৰ সভা-সমিতি সংক্ৰান্তীয় বা কোনো সাংবাদিকৰ প্ৰাকৃতিক দুৰ্যোগ তথা চিকিৎসাজনিত কাৰণৰ বাহিৰে আৰ্থিক বৰঙণি প্ৰদান নকৰিবলৈ সন্থাই আহ্বান জনায়। ইয়াৰ বাহিৰে বিটিএডি সাংবাদিক সন্থাৰ বাগ্‌সা জিলা সমিতিৰ কোনো সদস্যই যদি বেআইনীভাৱে কোনো চৰকাৰী কাৰ্যালয়ত ধন সংগ্ৰহ কৰে তাৎক্ষণিকভাৱে সন্থাৰ জিলা সভাপতি বিনয় কুমাৰ বড়োক ৯১০১১০৩৫২৮ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে। যদি ভৱিষ্যতে কোনো সাংবাদিকে চৰকাৰী কাৰ্যালয়ত বেআইনীভাৱে ধন সংগ্ৰহ কৰা তথা কোনো অনৈতিক কাৰ্যত লিপ্ত হোৱাৰ উপযুক্ত তথ্য-প্ৰমাণ লাভ কৰে তেন্তে বিটিএডি সাংবাদিক সন্থাৰ বাগ্‌সা জিলা সমিতিয়ে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলিও বিবৃতিটোত প্ৰকাশ কৰে।

# টিহুৰ গোপেশ বৰ্মনৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**

**টিহু, ১৮ অক্টোবৰ ঃ** আজি টিহুৰ গোৰৰাদলত এজন যুৱকৰ মৃত্যু হয়। লংকা চুবুৰিৰ বিদ্যা বৰ্মনৰ কনিষ্ঠ পুত্ৰ গোপেশ বৰ্মন (২৫)ৰ কালি হঠাৎ পেটৰ বিষ অনুভৱ কৰাত ততাতৈয়াকৈ তেওঁক গুৱাহাটী মেডিকেল কলেজ হাস্পতালত ভৰ্তি কৰাই চিকিৎসা প্ৰদান কৰে যদিও আজি দুপৰীয়া তেওঁৰ মৃত্যু হয়। গুৱাহাটী মহানগৰীত টেম্প' চলাই পৰিয়াল পোহপাল দিয়া যুৱকজনে মৃত্যুৰ সময়ত পিতৃ-মাতৃ, এজন ককায়েক, এজনী ভগ্নীক এৰি যায়। যুৱকজনৰ আকস্মিক বিয়োগত লংকা চুবুৰিৰ লগতে বৃহত্তৰ গোৰৰাদল অঞ্চলতো শোকৰ ছাঁ পৰে। আজি আবেলি যুৱকজনৰ মৃতদেহ গোৰৰাদল-লংকাস্থিত নিজ গৃহত উপস্থিত হোৱাৰ পাছতে এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়।

# অসমীয়া গল্প সাহিত্যই পৃথিৱীৰ শ্ৰেষ্ঠ সাহিত্যৰ লগত প্ৰতিযোগিতা কৰিব পাৰে ঃ আহমেদ

## ■ আলোপতি ছাত্ৰ সন্থাৰ সোণালী জয়ন্তী উৎসৱৰ উদ্বোধনী অনুষ্ঠান ■ লাইখুঁটা স্থাপন

**আলোপতি, ১৮ অক্টোবৰ ঃ** বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ অন্তৰ্গত আলোপতি ছাত্ৰ সন্থাৰ সোণালী জয়ন্তী মহোৎসৱ অহা ২২ৰ পৰা ২৬ ডিচেম্বৰলৈ বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত হ'ব। এই উপলক্ষে যোৱা ১৭ অক্টোবৰত দিনজোৰা কাৰ্যসূচীৰে সোণালী জয়ন্তীৰ উদ্বোধনী অনুষ্ঠান আৰু লাইখুঁটা স্থাপন কৰা হয়। আলোপতি ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি আলহাজ চুলতান আহমেদে ড° জাকিৰ হুছেইন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰ প্ৰাংগণত সোণালী জয়ন্তী উৎসৱৰ লাইখুঁটা স্থাপন কৰে। বিভিন্ন কাৰ্যসূচীৰ অন্তত সোণালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি গাজী ৰহমান আৰু সম্পাদক ৰফিকুল হাছানে পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ মুকলি কৰে। ইয়াৰ পাছত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা চৰাঞ্চলৰ কলা-কৃষ্টিৰে সম্বলিত এক বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। আলোপতি ছাত্ৰ সন্থাৰ সভাপতি হান্নানুল আহমেদে সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে। আবেলি মৰহুম আবু বাহাৰ প্ৰেক্ষাগৃহত আলোপতি ছাত্ৰ সন্থা আৰু সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ এখন যৌথ সভা অনুষ্ঠিত হয়। সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি তথা বিধায়ক আলহাজ আব্দুল ৰছিদ মণ্ডলৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে উদ্‌যাপন সমিতিৰ সম্পাদক ৰফিকুল হাছানে। সভাত আলোপতিৰ ঐতিহ্য কেনেকৈ ধৰি ৰাখিব পাৰি আৰু ১৯৬৮ত জন্মলাভ কৰা আলোপতি ছাত্ৰ সন্থাৰ সোণালী জয়ন্তী কেনেকৈ জাকত-জিলিকাকৈ পাৰ কৰিব পাৰি তাৰ ওপৰত আলোচনা কৰা হয়। আলোপতি ছাত্ৰ সন্থা আৰু সোণালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতিৰ যৌথ সভাৰ অন্তত ড° জাকিৰ হুছেইন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ এম আব্দুল মজিদে লিখি উলিওৱা 'বিচাৰ লাগে' নামৰ গল্প সংকলন পুথিখন উন্মোচন কৰে 'দৈনিক গণ অধিকাৰ'ৰ মুখ্য সম্পাদক তথা প্ৰাক্তন যুটীয়া শিক্ষা সঞ্চালক খবিৰ আহমেদে। তেওঁ ছাত্ৰ-ছাত্ৰীক পাঠ্যপুথিৰ বাহিৰেও বেলেগ গল্প পুথিকে ধৰি বিভিন্ন উপন্যাস পঢ়িবলৈ উপদেশ দি কয় যে অসমীয়া গল্প সাহিত্যই পৃথিৱীৰ শ্ৰেষ্ঠ সাহিত্যৰ লগত প্ৰতিযোগিতা কৰিব পাৰে। সেয়েহে সাহিত্য চৰ্চাৰ প্ৰতি মনোনিৱেশ কৰা দৰকাৰ বুলি আহমেদে উল্লেখ কৰে। সভাত 'দৈনিক গণ অধিকাৰৰ' পৰিচালনা সঞ্চালক ছাহজাহান তালুকদাৰেও অংশগ্ৰহণ কৰে। সভাৰ অন্তত সভাৰ সভাপতি তথা পশ্চিম গোৱালপাৰা সমষ্টিৰ বিধায়ক আলহাজ আব্দুৰ ৰছিদ মণ্ডলে সোণালী জয়ন্তী উৎসৱ উদ্‌যাপনৰ ক্ষেত্ৰত সকলোকে সহায়-সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাই শিক্ষাৰ প্ৰতি গুৰুত্বাৰোপ কৰিবলৈ ৰাইজক আহ্বান জনায়।



# ১২ দিনেও সন্ধান নাই চিমেন চাপৰিৰ নিৰুদ্দিষ্ট ছাত্ৰৰ

**অগ্ৰদূত বাৰ্তা**

**চিলাপথাৰ, ১৮ অক্টোবৰ ঃ** ধেমাজি জিলাৰ চিমেন চাপৰিত নিৰুদ্দিষ্ট হৈ থকা ষষ্ঠ শ্ৰেণীৰ এজন ছাত্ৰ ১২ দিন ধৰি সন্ধানহীন হৈ থকা ঘটনাই পৰিয়ালত হতাশাৰ সৃষ্টি কৰিছে। চিমেন চাপৰি আৰক্ষী থানাৰ সন্দিকৈ মিলন বালি গাঁৱৰ ৰিংকু বৰা আৰু পাপলী বৰাৰ পুত্ৰ তথা চিমেন চাপৰি হাইস্কুলৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ প্ৰণৱজ্যোতি বৰা (১৩)ই ঘৰৰ পৰিয়ালৰ লোক টোপনিৰ পৰা নুঠাৰ আগতে সাত আক্টোবৰৰ পুৱা চাৰি বজাতেই ঘৰৰ পৰা ওলাই যায়। তাৰ পাছৰ পৰাই ছাত্ৰজন সন্ধানহীন হৈ আছে। ক'লা হাফ পেন্ট, ৰঙা স্প'ৰ্টিং পৰিধান কৰি যোৱা ছাত্ৰজনক পৰিয়ালৰ লোকে বহু বিচাৰ-খোচাৰ কৰাৰ পাছতো আজিলৈকে সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই। নিৰুদ্দেশ সম্পৰ্কে চিমেন চাপৰি আৰক্ষী থানাত পৰিয়ালৰ লোকে এজাহাৰ দাখিল কৰে যদিও আৰক্ষীয়েও সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই। ফলত পৰিয়ালত দুঃশ্চিন্তা বৃদ্ধি পাইছে। ছাত্ৰজনৰ কোনো সদাশয় ব্যক্তিয়ে সন্ধান পালে ৯৯৫৭৩৫৬০২৫, ৯৬৭৮৪৭৬১৯৯ আৰু ৯৮৬৪৫২০২৬২ নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে কাতৰ অনুৰোধ জনাইছে।

# শক্তি আশ্ৰমত আক্ৰাছুৰ ছহিদ বেদীৰ আধাৰশিলা স্থাপন



**অগ্ৰদূত বাৰ্তা**

**দোতমা, ১৮ অক্টোবৰ ঃ** কোকৰাঝাৰ জিলাৰ অন্তৰ্গত শক্তি আশ্ৰমত আক্ৰাছুৰ শক্তি আশ্ৰম আঞ্চলিক সমিতিৰ উদ্যোগত কোচ ৰাজবংশী জাতীয় ছহিদসকলৰ স্মৃতি ৰক্ষাৰ্থে নিৰ্মাণ হ'বলগীয়া ছহিদ বেদীৰ আধাৰশিলা স্থাপন কৰা হয়। ছহিদ বেদীৰ আধাৰশিলা স্থাপন কৰে কমতাপুৰ স্বায়ত্ত পৰিষদ(কেএচি)ৰ ই এম কৰ্মেশ্বৰ ৰায়ে। আধাৰশিলা স্থাপন অনুষ্ঠানত উপস্থিত থাকে চিলাৰায় সেনাৰ উপাধ্যক্ষ দ্বীপজ্যোতি ৰায় চৌধুৰী, আক্ৰাছুৰ উপদেষ্টা বিষ্ণুজ্যোতি ৰায়, ৰাজীৱ ৰায়, ফকিৰাগ্ৰাম থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অজয় সাহা, আক্ৰাছুৰ শক্তি আশ্ৰম আঞ্চলিকৰ নেতৃবৃন্দৰ লগতে মহিলা সমিতিৰ নেতৃবৰ্গ আৰু সেই অঞ্চলৰ বিশিষ্ট ব্যক্তিসকল।

## ■ পৰম্পৰা ৰক্ষা কৰি ছন পৰা পথাৰতে কাতি বিহু পালন

# মেৰাপানীৰ কাছমাৰীত উকা পথাৰত কৃষকৰ বিষাদ

**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ১৮ অক্টোবৰ ঃ** আজি কাতিবিহু। অসমীয়া চহা গ্ৰাম্য জীৱনত কাতি বিহুৰ গুৰুত্ব অপৰিসীম। আহিন আৰু কাতিৰ সংক্ৰান্তিৰ দিনা পৰম্পৰাগতভাৱে কাতি বিহু পালন কৰে চহা অসমীয়াই। কাতি বিহুত অসমীয়াই ঘৰে ঘৰে তুলসীৰ পুলি ৰুই গধূলি তাৰ গুৰিত চাকি জ্বলাই নাম গায়- 'তুলসীৰ তলে তলে মৃগ পহু চৰে'— ইয়াৰ লগতে ঘৰৰ চোতালৰ চাৰিওফালে আৰু খেতিপথাৰত শস্যৰ মংগল কামনা কৰি লখিমী আদৰিবলৈ চাকি জ্বলায়। ঠাই বিশেষে কোনো কোনো ঠাইত আকাশ বন্তি জ্বলোৱাৰো পৰম্পৰা আছে কাতি বিহুত। কিন্তু কাতি বিহুৰ দিনটোতেই সম্পূৰ্ণ এক বিপৰীত প্ৰতিচ্ছবি পৰিলক্ষিত হৈছে এইখন অসমৰে এটা প্ৰান্তত। কাতি বিহুৰ আনন্দময় পৰিৱেশৰ বিপৰীতে গোলাঘাট জিলাৰ অসম-নগালেণ্ড সীমান্তৰ মেৰাপানীৰ কাছমাৰীৰ কৃষকসকলে মাথোঁ এতিয়া হা-হুমুনিয়াহ কাঢ়িছে ছন পৰা



খেতিপথাৰলৈ চাই। বৰষুণৰ অভাৱত নষ্ট হৈ পৰা হেজাৰ হেজাৰ বিঘা ধাননি পথাৰত কাতি বিহুত চাকি এগছ জ্বলাবলৈও এতিয়া সাহস গোটাব পৰা নাই অঞ্চলটোৰ দুৰ্ভগীয়া কৃষকসকলে। মেৰাপানীৰ কাছমাৰী অঞ্চলত পৰিস্থিতি এনে পৰ্যায় পাইছেগৈ যে অধিকাংশ কৃষকেই এতিয়া আশাৰ ধাননি পথাৰখনত গৰু এৰাল দিবলৈ বাধ্য হৈছে। উল্লেখ্য যে বিগত প্ৰায় চাৰিটা মাহ ধৰি অঞ্চলটোত বৰষুণ নোহোৱাৰ বাবে ধানৰ কঠীয়া ৰোপণ কৰাৰ পাছতে চিৰাল ফাট মেলিছে খেতিপথাৰসমূহত। ফলত আজি পৰ্যন্ত এক ইঞ্চিও বাঢ়িব নোৱাৰিলে শালিধানৰ কঠীয়াসমূহ। ইফালে, জলসিঞ্চনৰ নামমাত্ৰও ব্যৱস্থা নথকা অঞ্চলটোত পানীযোগানৰ বিকল্পও হাতত ল'ব নোৱাৰিলে কৃষকসকলে। তেনেস্থলত ছন পৰা পথাৰলৈ চাই কাতি বিহুৰ দিনটোত মাথোঁ হা-হুমুনিয়াহ কাঢ়ি সময় পাৰ কৰিছে দুৰ্ভগীয়া কৃষকসকলে। তথাপিও পৰম্পৰা ৰক্ষাৰ স্বাৰ্থত এগছি বন্তি জ্বলাই কাতি বিহু পালনৰ সংকল্প লৈছে কৃষকসকলে। চৰকাৰী পক্ষই এইসকল কৃষকৰ বাবে বিশেষভাৱে চিন্তা নকৰিলে ৰাজ্যৰ গ্ৰাম্য অৰ্থনীতি আৰু অধিক থৰকবৰক হৈ পৰাৰ আশংকা আছে।



# ৱেষ্টইণ্ডিজৰ বিৰুদ্ধে পাকিস্তানৰ জয়লাভ

**ডুবাই, ১৮ অক্টোবৰ ঃ** চলিত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেটৰ আজি অনুষ্ঠিত হোৱা অনুশীলন মেচত ডিফেণ্ডিং চেম্পিয়ন ৱেষ্ট ইণ্ডিজ সাত উইকেটত পৰাস্ত হৈছে পূৰ্ব চেম্পিয়ন পাকিস্তানৰ বিৰুদ্ধে। পোনতে বেটিং কৰি কেৰিবিয়ান দলে সাত উইকেটত 130 ৰাণ কৰে। দলৰ হৈ হেটমীয়েৰে 28, প'লাৰ্ডে 23 আৰু গেইলে 20 ৰাণ কৰে। প্ৰত্যুত্তৰত, পাকিস্তানে 15.3 অভাৰত তিনি উইকেটত 131 ৰাণ কৰি বিজয়লক্ষ্যত উপনিত হয়। দলৰ হৈ 50 ৰাণ কৰে বাবৰ আজমে। আনহাতে, ফখৰ জামানে 46 ৰাণৰ অবদান আগবঢ়ায়। উল্লেখ্য যে চলিত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেটত পাকিস্তানে প্ৰথম মেচ খেলিব ভাৰতৰ বিৰুদ্ধে। অহা 24 অক্টোবৰত অনুষ্ঠিত হ'ব মেচখন।




# অনুশীলন মেচত দক্ষিণ আফ্ৰিকাৰ জয়লাভ

**ডুবাই, ১৮ অক্টোবৰ ঃ** চলিত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেটৰ আজি অনুষ্ঠিত হোৱা অনুশীলন মেচত দক্ষিণ আফ্ৰিকাই 41 ৰাণত পৰাস্ত কৰে আফগানিস্তানক। পোনতে বেটিং কৰি দক্ষিণ আফ্ৰিকাই পাঁচ উইকেটত 145 ৰাণ কৰে। দলৰ হৈ মাৰ্কৰামে 48, বাভুমাই 31, ডুছানে 21 আৰু মিলাৰে 20 ৰাণ কৰে। আফগানিস্তানৰ হৈ তিনিটা উইকেট দখল কৰে মুজিবে। প্ৰত্যুত্তৰত, আফগানিস্তানে আঠ উইকেটত 104 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। দলৰ হৈ সৰ্বাধিক 34 ৰাণ কৰে মহম্মদ নবীয়ে। উল্লেখ্য যে চলিত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেটৰ কোৱালিফায়িং ৰাউণ্ডৰ মেচসমূহ অন্ত পৰিব 22 অক্টোবৰত। ইয়াৰ পাছতে আৰম্ভ হ'ব গ্ৰুপ মেচ। অহা 23 অক্টোবৰৰ পৰা আৰম্ভ হ'ব মূল ৰাউণ্ডৰ মেচ।






ভাৰত আৰু ইংলণ্ডৰ মাজৰ টি-২০ বিশ্বকাপৰ অনুশীলন মেচত বিৰাট-ছামি

## আই চি চি টি-২০ বিশ্বকাপৰ কোৱালিফাইং ৰাউণ্ডৰ গ্ৰুপ মেচ


# নেদাৰলেণ্ডছক হৰুৱালে আয়াৰলেণ্ডে



**ওমান, ১৮ অক্টোবৰ ঃ** আয়াৰলেণ্ডে চলিত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেটত জয়েৰে নিজৰ অভিযান আৰম্ভ কৰিছে। আজি অনুষ্ঠিত হোৱা কোৱালিফায়িং ৰাউণ্ডৰ প্ৰথম মেচত আয়াৰলেণ্ডে সাত উইকেটত পৰাস্ত কৰে নেদাৰলেণ্ডছক। পোনতে বেটিং কৰা নেদাৰলেণ্ডছে 20 অভাৰত 106 ৰাণ কৰি ইনিংছ সামৰে। দলৰ হৈ মেক্স অ'ড'ৱডে 51 ৰাণ কৰাৰ বিপৰীতে অধিনায়ক ছীলাৰে কৰে 21 ৰাণ। উল্লেখ্য যে নেদাৰলেণ্ডছৰ বেটিং বিপৰ্যয়ৰ মুলতে হ'ল আয়াৰলেণ্ডৰ দুই বলাৰ কামফাৰ আৰু মাৰ্কৰ অনবদ্য বলিং। কামফাৰে চাৰিটা উইকেট দখল কৰাৰ বিপৰীতে মাৰ্কে তিনিটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত, 107 ৰাণৰ বিজয়লক্ষ্য আয়াৰলেণ্ডে তিনিটা উইকেট হেৰুৱাই 15.1 অভাৰত পূৰ্ণ কৰে। দলৰ হৈ গাৰেথে 44 আৰু ষ্টাৰলিঙে 30 ৰাণ কৰে। স্মৰ্তব্য যে চলিত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেটৰ কোৱালিফায়িং ৰাউণ্ডত আছে দুটা গ্ৰুপ। ইয়াৰে এটা গ্ৰুপত শ্ৰীলংকা, আয়াৰলেণ্ড, নেদাৰলেণ্ডছ আৰু নামিবিয়া থকাৰ বিপৰীতে আনটো গ্ৰুপত আছে বাংলাদেশ, স্কটলেণ্ড, ওমান আৰু পাপুৱা-নিউ গিনি। উল্লেখ্য যে কোৱালিফায়িং ৰাউণ্ডৰ প্ৰতিটো গ্ৰুপৰ পৰা দুটাকৈ শীৰ্ষ দল যোগ্যতা অৰ্জন কৰিব মূল ৰাউণ্ডলৈ। আয়াৰলেণ্ডে পৰৱৰ্তী মেচত মুখামুখি হ'ব পূৰ্ব চেম্পিয়ন শ্ৰীলংকাৰ। আনহাতে, নেদাৰলেণ্ডছে খেলিব নামিবিয়াৰ বিৰুদ্ধে।

# ২০০৭ৰ টীম ইণ্ডিয়াৰ গৌৰৱৰ কাহিনীৰে বিৰাটৰ দলক শুভেচ্ছা জনাই গীত মুক্তি

**কোচি, ১৮ অক্টোবৰ ঃ** চলিত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ৰোমাঞ্চ ইতিমধ্যে দেশত আৰম্ভ হৈছে। উল্লেখ্য যে 2007 ত হোৱা প্ৰথম আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতীয় দলে চেম্পিয়ন ট্ৰফী হাতত লৈছিল। এই গৌৰৱ লৈ তথা টীম ইণ্ডিয়াক শুভেচ্ছা জনোৱাৰ উদ্দেশ্যে কেৰেলাৰ ক্ৰিকেটপ্ৰেমী এম চি বশিষ্টে এটা গীত ৰছনা কৰিছে। পেছাত অধ্যাপক বশিষ্টৰ গীতত কণ্ঠদান কৰিছে সূপৰ্ণা আৰু গিৰিধৰে। উল্লেখ্য যে এইবাৰ টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতীয় দলত মেণ্টৰ হিচাপে আছে প্ৰাক্তন অধিনায়ক মহেন্দ্ৰ সিং ধোনি। 2007 ত হোৱা প্ৰথম আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা ধোনিৰ নেতৃত্ব খেলিয়েই ভাৰতীয় দলে চেম্পিয়ন ট্ৰফী হাতত লৈছিল। পৰৱৰ্তী সময়ত ধোনিৰ নেতৃত্বত খেলি এবাৰ ফাইনেল আৰু দুবাৰ ছেমিফাইনেল খেলিছে টীম ইণ্ডিয়াই। এইবাৰ বিৰাটৰ নেতৃত্বত প্ৰথমবাৰৰ বাবে আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট খেলিব লগা ভাৰতে। উল্লেখ্য যে টীম ইণ্ডিয়াই আসন্ন আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত পাকিস্তানৰ বিৰুদ্ধে খেলি নিজৰ অভিযান আৰম্ভ কৰিব। অহা 24 অক্টোবৰত ডুবাইত অনুষ্ঠিত হ'ব ভাৰত আৰু পাকিস্তানৰ মাজৰ হাইভ'ল্টেজ মেচখন। ভাৰতে দ্বিতীয় মেচ খেলিব নিউজিলেণ্ডৰ বিৰুদ্ধে ডুবাইত 31 অক্টোবৰত। আনহাতে, তিনি নবেম্বৰত আবু ঢাবিত আফগানিস্তানৰ বিৰুদ্ধে খেলিব ভাৰতে। গ্ৰুপৰ পৰৱৰ্তী মেচ দুখন ভাৰতে পাঁচ আৰু আঠ নৱেম্বৰত খেলিব আবু ঢাবি আৰু ডুবাইত। অৱশ্যে এই মেচত ভাৰতৰ প্ৰতিদ্বন্দ্বী কোন হ'ব সেয়া নিৰ্ণয় হ'ব কোৱালিফায়িং ৰাউণ্ডৰ মেচৰ অন্তত।






ইণ্ডিয়ান ৱেলছৰ খিতাপ লৈ বডোছা।

## জুনিয়ৰ আন্তঃজিলা ফুটবল প্ৰতিযোগিতা

# গুৱাহাটী-শালবাৰীৰ পইণ্ট অৰ্জন

অগ্ৰদূত বাৰ্তা

**টিহু, ১৮ অক্টোবৰ ঃ** অসম ফুটবল সন্থাৰ জুনিয়ৰ আন্তঃজিলাৰ প্ৰতিযোগিতাৰ মাণ্ডলিক খেল ইতিমধ্যে আৰম্ভ হৈছে টিহু আৰু মাখিবাহাত। আজিৰ খেলত শালবাৰীয়ে 3-1 গ'লত পৰাস্ত কৰে নলবাৰীক। আনহাতে, গুৱাহাটীৰ বিৰুদ্ধে 3-1 গ'লত পৰাস্ত হয় বৰপেটা। উল্লেখ্য যে প্ৰতিযোগিতাখন সামৰণি পৰিব 22 অক্টোবৰত। উল্লেখ্য যে টিহুৰ লগতে মাখিবাহাতো জুনিয়ৰ আন্তঃজিলাৰ মাণ্ডলিক খেল অনুষ্ঠিত হৈছে। সন্তোষ লহকৰ সোঁৱৰণী উক্ত জুনিয়ৰ আন্তঃজিলা ফুটবল প্ৰতিযোগিতাৰ টিহুৰ আৰু মাখিবাহাত চলি থকা খেলত অংশ লৈছে গুৱাহাটী, কামৰূপ, তামুলপুৰ, বাকসা, বজালী, শালবাৰী, নলবাৰী, ওদালগুৰী আৰু বৰপেটা দলে।



# বড়োলেণ্ড গেলেণ্ট ছহিদ ফুটবল

অগ্ৰদূত বাৰ্তা

**মঙলদৈ ১৮ অক্টোবৰ ঃ** চলিত বড়োলেণ্ড গেলাণ্ট ছহিদ সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত কবিৰালি আদিবাসী ফুটবল ক্লাবে টাইব্ৰেকাৰত 6-4 গ'লত পৰাস্ত কৰে ছিপাঝাৰ আঞ্চলিক ফুটবল দলক। উল্লেখ্য যেবড়োলেণ্ড গেলাণ্ট ছহিদ সোঁৱৰণী প্ৰতিযোগিতাৰ উদ্বোধনী মেচত ভকতপাৰা ৰেভেঞ্জাৰ ফুটবল ক্লাবে 2-0 গ'লত পৰাস্ত কৰিছিল মঙলদৈ ফুটবল ক্লাবক।

## প্ৰথম মেচত জয় অৰ্জন কৰি আত্মবিশ্বাসী ওমান

# আজি ব্যৰ্থতা মানেই টি-২০ বিশ্বকাপৰ পৰা বাংলাদেশৰ বিদায়



**ওমান, ১৮ অক্টোবৰ ঃ** বাংলাদেশে চলিত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেটত ব্যৰ্থতাৰে নিজৰ অভিযান আৰম্ভ কৰিছে। উল্লেখ্য যে বিশ্বকাপৰ উদ্বোধনীৰ দিনাই অঘটনৰ সন্মুখীন হৈ টেষ্ট খেলা দল বাংলাদেশ নিজৰ প্ৰথম মেচতে পৰাস্ত হয় স্কটলেণ্ডৰ বিৰুদ্ধে। কাইলৈ বাংলাদেশ নিজৰ দ্বিতীয় মেচত মুখামুখি হ'ব ওমানৰ। প্ৰথম মেচত ব্যৰ্থতাৰ ফলত বাংলাদেশৰ বাবে বাকী থকা দুয়োখন মেচ এতিয়া মৰণপণ। কাইলৈ বাংলাদেশক নিশ্চিত জয়ৰ প্ৰয়োজন। ব্যৰ্থতা মানেই বিদায়। সেয়ে চাপৰ সন্মুখীন হৈছে দল। ইফালে, প্ৰথম মেচতে 10 উইকেটত চমকপ্ৰদ জয় অৰ্জন কৰাৰ পাছত আত্মবিশ্বাসী হৈ কাইলৈ খেলিব ওমানে। কাইলৈ দ্বিতীয়খন মেচত ওমান সফল হ'লেই কোৱালিফায়িং ৰাউণ্ডৰ পৰা যোগ্যতা অৰ্জন কৰিব মূল ৰাউণ্ডলৈ। গৃহভূমিত সফল হোৱাৰ লক্ষ্য লৈছে ওমানে। উল্লেখ্য যে ওমানে আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেটৰ উদ্বোধনী মেচত 10 উইকেটত পাপুৱা-নিউ গিনিক পৰাস্ত কৰি চমকপ্ৰদ অভিযান আৰম্ভ কৰিছে। মেচত পোনতে বেটিং কৰা পি এন জিয়ে ন উইকেটত সংগ্ৰহ কৰে 129 ৰাণ। দলৰ হৈ আছাদ বালাই 56 আৰু অমিনিয়ে 37 ৰাণ কৰে। ওমানৰ মাকছুদে চাৰিটা উইকেট পায়। প্ৰত্যুত্তৰত, ওমানে দুই অপেনাৰ যতীন্দৰ সিং (73] আৰু আকিব ইয়াছৰ (50] অপৰাজিত বেটিঙৰে 13.4 অভাৰত 131 ৰাণ কৰি সহজ বিজয় অৰ্জন কৰে। ইফালে, কোৱালিফায়িং ৰাউণ্ডৰ এখন মেচত স্কটলেণ্ডৰ হাতত ছয় ৰাণৰ ব্যৱধানত পৰাস্ত হয় বাংলাদেশ। পোনতে বেটিং কৰি স্কটলেণ্ডে ন উইকেটত সংগ্ৰহ কৰে 140 ৰাণ। দলৰ হৈ ক্ৰিছ গ্ৰেভেছে 45, জৰ্জে 29 আৰু মাৰ্ক ৱাটে 22 ৰাণ কৰে। প্ৰত্যুত্তৰত, বাংলাদেশে সাত উইকেটত 134 ৰাণ কৰি কৰি পৰাজয় স্বীকাৰ কৰে। দলৰ হৈ মুছফিকুৰ ৰহিমে 38, মেহমুদুল্লাহে 23 আৰু ছাকিব আল হাছানে 20 ৰাণ কৰে।

# আজি স্কটলেণ্ডৰ বিৰুদ্ধে মৰণপণ মেচ খেলিব পাপুৱা-নিউ গিনিয়ে

**ওমান, ১৮ অক্টোবৰ ঃ** চলিত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ দুখন মেচ অনুষ্ঠিত হ'ব। ইয়াৰে প্ৰথম মেচত স্কটলেণ্ডে খেলিব পাপুৱা-নিউ গিনিৰ বিৰুদ্ধে। উল্লেখ্য যে জয়েৰে আৰম্ভণি কৰা স্কটলেণ্ডে কাইলৈ দ্বিতীয়খন মেচত সফল হ'লেই কোৱালিফায়িং ৰাউণ্ডৰ পৰা যোগ্যতা অৰ্জন কৰিব মূল ৰাউণ্ডলৈ। সেয়ে দলে এই লক্ষ্যত উপনীত হোৱাৰ চেষ্টা কৰিব। বিপৰীতে প্ৰথম মেচত পৰাজয়ৰ সন্মুখীন হোৱা পাপুৱা-নিউ গিনিৰ বাবে কাইলৈ মেচ মৰণপণ। পৰাজয় মানেই বিদায় নিশ্চিত। আশা সজীৱ ৰখাৰ বাবে দলক জয়ৰ প্ৰয়োজন। উল্লেখ্য যে কোৱালিফায়িং ৰাউণ্ডৰ নিজৰ প্ৰথম মেচত স্কটলেণ্ডে ছয় ৰাণৰ ব্যৱধানত পৰাস্ত কৰে বাংলাদেশক। পোনতে বেটিং কৰি স্কটলেণ্ডে ন উইকেটত সংগ্ৰহ কৰে 140 ৰাণ। দলৰ হৈ ক্ৰিছ গ্ৰেভেছে 45, জৰ্জে 29 আৰু মাৰ্ক ৱাটে 22 ৰাণ কৰে। প্ৰত্যুত্তৰত, বাংলাদেশে সাত উইকেটত 134 ৰাণ কৰি কৰি পৰাজয় স্বীকাৰ কৰে। দলৰ হৈ মুছফিকুৰ ৰহিমে 38, মেহমুদুল্লাহে 23 আৰু ছাকিব আল হাছানে 20 ৰাণ কৰে। ইফালে, ওমানৰ বিৰুদ্ধে প্ৰথম মেচত 10 উইকেটত পৰাস্ত হৈছিল পাপুৱা-নিউ গিনি। মেচত পোনতে বেটিং কৰা পি এন জিয়ে ন উইকেটত সংগ্ৰহ কৰে 129 ৰাণ। দলৰ হৈ আছাদ বালাই 56 আৰু অমিনিয়ে 37 ৰাণ কৰে। ওমানৰ মাকছুদে চাৰিটা উইকেট পায়। প্ৰত্যুত্তৰত, ওমানে দুই অপেনাৰ যতীন্দৰ সিং (73] আৰু আকিব ইয়াছৰ (50] অপৰাজিত বেটিঙৰে 13.4 অভাৰত 131 ৰাণ কৰি সহজ বিজয় অৰ্জন কৰে।



## প্ৰথম মেচতে পৰাস্ত বাংলাদেশ

# টি-২০ বিশ্বকাপত জয়েৰে অভিযান আৰম্ভ স্কটলেণ্ডৰ

**ওমান, ১৮ অক্টোবৰ ঃ** চলিত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেটৰ উদ্বোধনীৰ দিনাই অঘটন ঘটিল। টেষ্ট খেলা দল বাংলাদেশ নিজৰ প্ৰথম মেচতে পৰাস্ত হ'ল স্কটলেণ্ডৰ বিৰুদ্ধে। উল্লেখ্য যে কোৱালিফায়িং ৰাউণ্ডৰ এখন মেচত স্কটলেণ্ডে ছয় ৰাণৰ ব্যৱধানত পৰাস্ত কৰে বাংলাদেশক। পোনতে বেটিং কৰি স্কটলেণ্ডে ন উইকেটত সংগ্ৰহ কৰে 140 ৰাণ। দলৰ হৈ ক্ৰিছ গ্ৰেভেছে 45, জৰ্জে 29 আৰু মাৰ্ক ৱাটে 22 ৰাণ কৰে। প্ৰত্যুত্তৰত, বাংলাদেশে সাত উইকেটত 134 ৰাণ কৰি কৰি পৰাজয় স্বীকাৰ কৰে। দলৰ হৈ মুছফিকুৰ ৰহিমে 38, মেহমুদুল্লাহে 23 আৰু ছাকিব আল হাছানে 20 ৰাণ কৰে। উল্লেখ্য যে বাংলাদেশে পৰৱৰ্তী মেচ খেলিব ওমানৰ বিৰুদ্ধে। আনহাতে, স্কটলেণ্ডে পৰৱৰ্তী মেচত মুখামুখি হ'ব পাপুৱা-নিউ গিনিৰ। স্মৰ্তব্য যে চলিত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেটৰ কোৱালিফায়িং ৰাউণ্ডত আছে দুটা গ্ৰুপ। ইয়াৰে এটা গ্ৰুপত শ্ৰীলংকা, আয়াৰলেণ্ড, নেদাৰলেণ্ডছ আৰু নামিবিয়া থকাৰ বিপৰীতে আনটো গ্ৰুপত আছে বাংলাদেশ, স্কটলেণ্ড, ওমান আৰু পাপুৱা-নিউ গিনি। উল্লেখ্য যে কোৱালিফায়িং ৰাউণ্ডৰ প্ৰতিটো গ্ৰুপৰ পৰা দুটাকৈ শীৰ্ষ দল যোগ্যতা অৰ্জন কৰিব মূল ৰাউণ্ডলৈ। সেয়ে বাংলাদেশৰ বাবে বাকী থকা দুয়োখন মেচ মৰণপণ হ'ব।



# শ্ৰীলংকাই কোৱালিফাইং ৰাউণ্ড খেলাটো চিন্তনীয়



■ **ৰাজেশ বৰা**

এইবাৰৰ আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেটৰ মূল ৰাউণ্ডৰ মেচতকৈ অধিক আকৰ্ষন হৈছে কোৱালিফায়িং ৰাউণ্ডৰ মেচ। কাৰণ প্ৰতিটো দলে মূল ৰাউণ্ডলৈ যোৱাৰ চেষ্টা কৰিছে যাতে বিশ্বকাপৰ যাত্ৰা আৰম্ভণিতে সমাপন নহয়। দলৰ মাজত এনে প্ৰতিযোগিতাৰ মানসিকতাই কোৱালিফায়িং ৰাউণ্ডৰ মেচ ৰোমাঞ্চকৰ কৰি তুলিছে। লগতে ক্ৰিকেট বিশ্বই দেখা পাইছে বহু নতুন নতুন তাৰকাক। স্মৰ্তব্য যে কোৱালিফায়িং ৰাউণ্ডত আছে দুটা গ্ৰুপ। ইয়াৰে এটা গ্ৰুপত শ্ৰীলংকা, আয়াৰলেণ্ড, নেদাৰলেণ্ডছ আৰু নামিবিয়া থকাৰ বিপৰীতে আনটো গ্ৰুপত আছে বাংলাদেশ, স্কটলেণ্ড, ওমান আৰু পাপুৱা-নিউ গিনি। উল্লেখ্য যে কোৱালিফায়িং ৰাউণ্ডৰ প্ৰতিটো গ্ৰুপৰ পৰা দুটাকৈ শীৰ্ষ দল যোগ্যতা অৰ্জন কৰিব মূল ৰাউণ্ডলৈ। এই চাৰিটা দলে খেলিব উচ্চ ৰেংকিঙৰ দলৰ লগত।



মূল গ্ৰুপত এটাত ভাৰত, পাকিস্তান, নিউজিলেণ্ড আৰু আফগানিস্তান থকাৰ লগতে আনটো গ্ৰুপত আছে ৱেষ্টইণ্ডিজ, ইংলণ্ড, অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকা। ইতিমধ্যে হোৱা কোৱালিফায়িং ৰাউণ্ডৰ মেচত ওমানৰ অনবদ্য জয় যিদৰে প্ৰশংসনীয় বিপৰীতে বাংলাদেশৰ পৰাজয় অপত্যাশিত। কিন্তু শ্ৰীলংকাই কোৱালিফায়িং ৰাউণ্ডৰ মেচ খেলাটোহে এছিয়াৰ ক্ৰিকেটৰ বাবে চিন্তাজনক। উল্লেখ্য যে টি-20 বিশ্বকাপৰ তিনিবাৰ ফাইনেল খেলা একমাত্ৰ দল শ্ৰীলংকাই এইবাৰ কোৱালিফায়িং ৰাউণ্ডৰ মেচ খেলিব লগা হৈছে। স্বাভাৱিকতে এয়া সিংহলী বাহিনীৰ বাবে লজ্জা আৰু চিন্তাৰ বিষয়। শ্ৰীলংকা ক্ৰিকেটৰ গৌৰৱ আৰু ঐতিহ্য বিশ্বই জানে। কিন্তু কি কাৰণত দেশত ক্ৰিকেট উত্তৰণ হোৱা নাই সেয়া ক্ৰিকেট ব'ৰ্ডে প্ৰৰ্যবেক্ষণ কৰি ব্যৱস্থা লোৱাৰ সময় হৈছে।

*(লেখক প্ৰাক্তন ক্ৰিকেটাৰ তথা ৰাষ্ট্ৰীয় নিৰ্বাচক)*

## বিলাসনন্দন চ'ৰা




# তেলৰ দাম নাকত তেল

**তেলৰ** দামে চেঞ্চুৰী কোবাইছে! একো ডাঙৰ কথা হোৱা নাই! বাঢ়িব পাৰে। সৱ বস্তুৰে দাম বাঢ়িছে তেলৰ দাম কিয় নাবাঢ়িব? কিয় বাঢ়িছে তাৰ কাৰণবোৰ দিল্লীৰ ৰাজসভাত বৰ গভীৰভাৱে আলোচনা-বিলোচনা চলি আছে। তাৰ পৰা ৰিজাল্ট এটা নিশ্চয় ওলাব। কিন্তু তেলৰ দামক লৈ চিন্তা ভাৱনা কৰিবলৈ এৰি এই মাধমাৰৰ পৰা কেনেকৈ বাচি থাকিব পাৰি, তাৰ বাবে আমাৰ পাৰিষদবৰ্গই বহু এডভাইচ দি ফুৰিছে ৰাইজক। এডভাইচবোৰ তলত দিয়া ধৰণৰ—

(১) চাইকেল চলাওক। স্বাস্থ্যও বাচিব আৰু তেলৰ মাধমাৰৰ পৰাও বাচিব।

(২) অফিচ-কাছাৰীলৈ ৰিক্সাত যাওক। ই-ৰিক্সাতো যাব পাৰে। ৰিক্সাত গ'লে অফিচ আহি পাওঁতে দেৰি হোৱাৰ উচিত কাৰণ দেখুৱাব পৰা যাব—ৰিক্সাৰ টায়াৰ পাম্পচাৰ হ'ল, ৰিক্সাৰ চেইন পৰি গ'ল, ই-ৰিক্সাৰ বেটাৰী ডাউন হ'ল ইত্যাদি।

(৩) ঠেলাগাড়ীৰে শ্বপিং কৰিব যাব পাৰে। ঠেলাত ফেমিলী উঠাই দিয়ক আৰু আপুনি ঠেলি ঠেলি লৈ যাওক।

(৪) দূৰলৈকে যাব লগা হ'লে ভাবি লওক যে দেশত লকডাউন চলি আছে। লকডাউনৰ টাইমত যদি কোনোবাই কাশ্মীৰৰ পৰা অসমলৈ খোজ কাঢ়ি আহিব পাৰে, তেন্তে যিকোনো দূৰত্ব পাৰ কৰিব পৰা যায়।

(৫) বেলেগত ফ'ৰ হুইলাৰ বা টু হুইলাৰত লিফ্‌ট বিচৰাৰ নতুন নতুন টেকনিক আৱিষ্কাৰ কৰক।

(৬) আৰু ওপৰত দিয়া এটা কামো যদি কৰিব নোৱাৰে, তেন্তে অপেক্ষা কৰক—অচ্ছে দিন আহিব।

সিপিনে দিল্লীৰ ৰাজসভাত বৰ গভীৰভাৱে আলোচনা চলিছে—তেলৰ দাম কিয় বাঢ়িছে? তেলৰ দামে কিয় চেঞ্চুৰী কোবাইছে? ৰাজসভাত বহি থকা মন্ত্ৰীবোৰৰ বিভিন্নজনে বিভিন্ন কাৰণ দৰ্শাইছে। কোনোবাই কৈছে—অত্যধিক গৰমত পাইপবোৰো গৰম হৈ গৈছে কাৰণে সেইফালেদি তেলবোৰ বৰ লাহে লাহে আহিব লগাত পৰিছে। সেই কাৰণে তেলৰ দাম বাঢ়িছে। কোনোবাই কৈছে—আম্বানীতকৈ আদানী বেছি ধনী হ'বলৈ গৈ আছে। সেই কাৰণে তেলৰ দাম বাঢ়িছে। কোনোবাই কৈছে—পাকিস্তান আৰু বাংলাদেশে কম দামত তেল বেচা কাৰণে আমাৰ দেছত তেলৰ দাম বাঢ়ি গৈছে। কোনোৱে কৈছে—তেলীয়াবোৰে বৰ



বেছিকৈ তেল মাৰিবলৈ লোৱা কাৰণে তেলৰ দাম বাঢ়িছে। খেনোৱে কৈছে—অচ্ছে দিন অহা কাৰণে তেলৰ দাম বাঢ়ি গৈছে, যাতে এশ টকাতো তেল কিনি ৰাইজে গাড়ী-মটৰ চলাব পাৰে। বহুতে আকৌ কৈছে যে তেল ডিপোবোৰৰ কাৰণে তেলৰ দাম বাঢ়িছে। সিহঁতে বেছিভাগ খুচুৰা দিব নোৱাৰে। গতিকে ডিৰেক্ট এশ টকা কৰি দিছে!

যিয়ে যিহকে নকওক কিয়, আচল কথাটো কিন্তু বাদশ্বাহেহে ক'ব। এই কথাটো ৰাজসভাৰ মন্ত্ৰীবৰ্গইও জানে যে তেওঁলোকে এইবোৰ এনেয়েহে বলকি আছে। বাদশ্বাহে কাৰোৰে কথা নুশুনে। বেলেগে কথা কোৱাৰ সময়ত গালত হাতখন থৈ বৰ মনোযোগ দি শুনাৰ প'জ দি থাকে যদিও কাণত বৰ বিশেষ কথা নোসোমায়। অৱশেষত সঠিক জ্ঞান দিয়াৰ ভাওনা প্ৰকাশ কৰি বাদশ্বাহে হাতখন দাঙি দি ক'লে—'সেইবোৰ একো নহয়। মইহে জানো তেলৰ দাম কিয় বাঢ়িছে।'

ঃ কিয় বাঢ়িছে জাহাপনা?

ঃ আচল কাৰণটো কওনে?

ঃ কওক জাহাপনা!

ঃ কাকো নকয়তো?

ঃ নকও জাহাপনা।

ঃ তেন্তে শুনক—তেলৰ দাম বঢ়াৰ মূল কাৰণ হ'ল আমাৰ নাককেইটা।

ঃ আমাৰ নাকে কি কৰিলে জাহাপনা?

ঃ সদায় বহু বহু তেল খৰচ কৰি পেলায়।

ঃ কেনেকৈ জাহাপনা?

ঃ বাদশ্বাহে ইফালে সিফালে চাই ফুচফুচ ফাচফাচকৈ ক'লে—'অত বছৰে আমি নাকত তেল দি শুই থকা নাই জানো? কম তেল খৰচ হৈছে নাকবোৰত!'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# শিষ্যক হত্যাৰ অভিযোগত যাৱজ্জীৱন কাৰাদণ্ড ৰাম ৰহিমক

## ১৯ বছৰৰ পূৰ্বৰ হত্যাকাণ্ডত দোষী সাব্যস্ত ডেৰা ছাচ্চা ছৌদাৰ গুৰুসহ পাঁচ অভিযুক্ত



■ নিউজ ব্যুৰ'

**চণ্ডীগড়, ১৮ অক্টোবৰ ঃ** শিষ্যক হত্যাৰ অভিযোগত যাৱজ্জীৱন কাৰাদণ্ড হ'ল ডেৰা ছাচ্চা ছৌদা প্ৰধান গুৰমিত ৰাম ৰহিমৰ। স্বয়ম্ভু ধৰ্মগুৰুজনৰ লগতে আন চাৰিজন অভিযুক্তকো ১৯ বছৰৰ পূৰ্বৰ হত্যাকাণ্ডৰ গোচৰত চিবিআইৰ আদালতে যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় দিছে। হাৰিয়ানাৰ পঞ্চকুলাৰ চিবিআইৰ আদালতে যাৱজ্জীৱন কাৰাদণ্ডৰ সমান্তৰালকৈ ধৰ্মগুৰুজনক ৩১ লাখ আৰু আন চাৰিজন অভিযুক্তক ৫০ হেজাৰকৈ জৰিমনা বিহে। ২০০২ত সংঘটিত উক্ত হত্যাকাণ্ডৰ গোচৰৰ ষষ্ঠজন অভিযুক্তৰ কিছুদিনৰ পূৰ্বে মৃত্যু হয়।

ৰোহটকৰ ছুনাৰিৰ কাৰাগাৰত বন্দী হৈ থকা স্বয়ম্ভু ধৰ্মগুৰুজনক ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে আজিৰ শুনানিত হাজিৰ কৰোৱা হৈছিল। সেইদৰে কোনো অশান্ত পৰিস্থিতি সৃষ্টি হোৱাৰ আশংকা কৰি ৰোহটক, ছিৰছাসহ বিভিন্ন অঞ্চলত আৰক্ষীৰ কঠোৰ নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছিল। উল্লেখ্য যে ২০১৭ৰ আগষ্টত আশ্ৰমৰ ভিতৰতে দুগৰাকী শিষ্যাক ধৰ্ষণ আৰু এজন সাংবাদিকক হত্যাৰ গোচৰত দোষী সাব্যস্ত হোৱা ৰাম ৰহিমে সম্প্ৰতি ২০ বছৰৰ কাৰাদণ্ডৰ শাস্তি ভোগ কৰি আছে।

২০০২ৰ ১০ জুলাইত কুৰুক্ষেত্ৰৰ খানপুৰ ক'লিয়া গাঁৱত ধৰ্মগুৰুজনৰ শিষ্য ৰঞ্জিৎ সিঙৰ গুলিবিদ্ধ মৃতদেহ উদ্ধাৰ হৈছিল। ৰঞ্জিতৰ পুত্ৰই ৰাম ৰহিমৰ বিৰুদ্ধেই পিতৃক হত্যাৰ অভিযোগ উত্থাপন কৰিছিল। চিবিআয়ে দাবী কৰিছে যে ধৰ্মগুৰুজনে তেওঁৰ শিষ্যাসকলৰ ওপৰত যৌন নিৰ্যাতন চলাইছিল। এই খবৰ আশ্ৰমৰ বাহিৰলৈ যোৱাত ৰঞ্জিতৰ হাত থকা বুলি তেওঁ সন্দেহ কৰিছিল। সেই বাবেই ৰঞ্জিতক হত্যা কৰা হয় বুলি চিবিআয়ে দাবী কৰিছে। যোৱা পাঁচ অক্টোবৰত চিবিআইৰ আদালতে ৰাম ৰহিমসহ পাঁচ অভিযুক্তক দোষী সাব্যস্ত কৰে। ইয়াৰ পাছতে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে নিজা আদালতত ৰঞ্জিতৰ হত্যাৰ গোচৰত দোষী সাব্যস্ত ৰাম ৰহিমৰ ফাঁচিৰ শাস্তিৰ আবেদন জনাইছিল। ইয়াৰ বিপৰীতে নিজৰ নানা সমাজসেৱা মূলক কামৰ দোহাই দি ধৰ্মগুৰুজনে প্ৰাণভিক্ষাৰ আবেদন জনাইছিল। ইয়াৰ পৰিপ্ৰেক্ষিতে তেওঁক যাৱজ্জীৱন কাৰাদণ্ড বিহা হয়।



# গামলাত উঠি মন্দিৰত বিয়া কৰাবলৈ গ'ল দৰা-কইনা

■ নিউজ ব্যুৰ'

**তিৰুঅনন্তপুৰম, ১৮ অক্টোবৰ ঃ** সমগ্ৰ অঞ্চল পানীৰ তলত। ভৰি দিবলৈ সামান্য ঠাই নাই। তাৰ মাজতে কেৰালাৰ এখন গাঁৱত অনুষ্ঠিত হ'ল এখন অভিনৱ বিবাহ। খাদ্য ৰন্ধা এলুমিনিয়ামৰ ডাঙৰ গামলা এটাত উঠি বিয়া কৰাবলৈ মন্দিৰলৈ গ'ল এহাল দৰা-কইনা। বানাক্ৰান্ত কেৰালাত দেখা পোৱা অলেখ বীভৎস দৃশ্যৰ মাজতে সংবাদ মাধ্যমত ভাহি উঠিল আলাপুঝা জিলাৰ থালাভাডি গাঁৱৰ এই দৃশ্য।

উল্লেখ্য যে দৰা আকাশ আৰু কইনা ঐশ্বৰ্য হৈছে চেংগান্নুৰৰ এখন হাস্পতালৰ স্বাস্থ্যকৰ্মী। আজি তেওঁলোকৰ বিবাহৰ দিন ধাৰ্য কৰা হৈছিল। ইপিনে, বিগত তিনি দিন ধৰি ৰাজ্যখনৰ কোট্টায়াম, ইদুক্কি, আলাপুঝাসহ একাধিক জিলাত ধাৰাষাৰ বৰষুণৰ ফলত বানৰ সৃষ্টি হয়। তৎসত্ত্বেও তেওঁলোকে বিবাহ পিছুৱাই দিয়াৰ সিদ্ধান্ত নল'লে। এই সন্দৰ্ভত আকাশ আৰু ঐশ্বৰ্যই কয়, 'বহু দিনৰ পাছত আমাৰ বিয়া ঠিক হৈছে। ক'ভিড বিধি মানি মানুহো কমকৈ মতা হৈছে। জানো যে প্ৰবল বৰষুণ হৈছে, পৰিস্থিতি অত্যন্ত বেয়া। তথাপি বিয়াখন পিছুৱাব নোৱাৰিলো।'

## প্ৰবল বৃষ্টিৰ ফলত হোৱা বানত কেৰালাৰ ২৬জনৰ মৃত্যু

আৰব সাগৰত গভীৰ নিম্নচাপৰ প্ৰকোপত যোৱা শুকুৰবাৰৰ পৰা কেৰালাৰ বহু অঞ্চলত প্ৰচুৰ বৰষুণ হৈছে। যাৰ ফলতে অধিকাংশ অঞ্চলত বান পৰিস্থিতিৰ সৃষ্টি হোৱাৰ উপৰি কোট্টায়াম আৰু ইদ্দুকিৰ একাধিক স্থানত ভূমিস্খলনৰ ঘটনাও ঘটিছে। প্ৰশাসনৰ সূত্ৰই জনোৱা মতে, প্ৰাকৃতিক দুৰ্যোগৰ বলি হৈ কেৰালাত এই পৰ্যন্ত ২৬জন লোকে প্ৰাণ হেৰুৱাইছে। লগতে বহু লোক এতিয়াও সন্ধানহীন হৈ আছে। অৱশ্যে কালিৰে পৰা বৰষুণৰ মাত্ৰা কিছু হ্ৰাস পাবলৈ ধৰিছে। অৱশ্যে পৰিমাণ কমিলেও বতৰ বিভাগৰ সূত্ৰৰ মতে, কাইলৈ পৰ্যন্ত ৰাজ্যখনৰ একাধিক জিলাত বৰষুণ দিব।



# দিল্লীৰ হাস্পতালত 'হাঁহি বিক্ৰী' কৰে শীতলে

## চিকিৎসাধীন শিশুৰ কষ্ট দূৰ কৰিবলৈ বিশেষ পদক্ষেপ অধ্যাপিকাৰ

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ১৮ অক্টোবৰ ঃ** প্ৰতিদিনে পুৱাই চাৰ্কাছৰ জোকাৰৰ দৰে ৰঙীন পোছাক পিন্ধি আৰু নাক-গালত ৰঙা ৰং সানি ঘৰৰ পৰা ওলাই যায় শীতল আগৰৱালা। প্ৰতিদিনেই তেওঁৰ গন্তব্য স্থান দিল্লীৰ বিভিন্ন হাস্পতাল। এই হাস্পতালসমূহত চিকিৎসাধীন হৈ থকা ৰোগগ্ৰস্ত শিশুসকলক সাক্ষাৎ কৰাৰ বাবেই শীতলৰ এই ব্যস্ততা। এই শিশুসকল তেওঁৰ পৰিচিত নহয়। অথচ শীতলক দেখাৰ লগে লগেই চিকিৎসাধীন হৈ থকা শিশুসকলৰ মুখত হাঁহি ফুটি উঠে। শৰীৰৰ কষ্ট যেন শিশুসকলে পাহৰি যায়। কাৰণ জোকাৰৰ ছদ্মবেশত শীতলে শিশুসকলৰ স'তে ফূৰ্তি-তামাচা আৰম্ভ কৰে। আচলতে এইদৰেই প্ৰতিদিনে বিভিন্ন হাস্পতালত 'হাঁহি বিক্ৰী' কৰি আহিছে শীতল আৰু তেওঁৰ সংস্থা 'ক্লাউনছেলাৰ্চ'ৰ সদস্যসকলে।

এই সন্দৰ্ভত শীতলে জনায় যে 'ক্লাউনছেলিং' বা 'মেডিকেল ক্লাউনিং' হৈছে এক পদ্ধতি, যাৰ মাধ্যমেৰে হাস্পতালত ভৰ্তি হৈ থকা শিশুসকলৰ কষ্ট, মানসিক চাপ দূৰ কৰি তেওঁলোকৰ মুখত হাঁহি বিৰিঙাব পৰা যায়। সেয়ে পেছাত অধ্যাপিকা হোৱা সত্ত্বেও দিনটোৰ কিছু নিৰ্দিষ্ট সময় তেওঁ ৰোগগ্ৰস্ত শিশুৰ বাবে ৰাখে। এই কামৰ ধাৰণাটো মনলৈ অহাৰ ক্ষেত্ৰতো এক কাহিনী আছে। ২০১৬ত এবাৰ গুৰুতৰভাৱে অসুস্থ হৈ শীতল হাস্পতালত ভৰ্তি হৈছিল। তেতিয়াই এগৰাকী যুৱতীয়ে এইদৰে জোকাৰৰ বেশ ধৰি চিকিৎসাধীন লোকসকলক হঁহুওৱা তেওঁ দেখিছিল। সেই যুৱতীয়েও বিভিন্ন হাস্পতালত উপস্থিত হৈ এই কাম কৰিছিল। যুৱতীগৰাকীৰ কামৰ দ্বাৰা অনুপ্ৰাণিত হৈয়ে সুস্থ হোৱাৰ পাছত শীতলে 'ক্লাউনছেলাৰ্চ' নামৰ সংস্থাটো প্ৰতিষ্ঠা কৰে।

অৱশ্যে হাস্পতালত উপস্থিত হৈ এনে কাম কৰাৰ বাবে শীতলে দিল্লী চৰকাৰৰ পৰা অনুমতি ল'বলগীয়া হৈছিল। শীতলৰ আবেদনৰ প্ৰতি সঁহাৰি জনাই আন পাঁচজনেও তেওঁৰ সংস্থাত যোগ দিয়ে। তেওঁলোকেই এতিয়া হাস্পতালসমূহত ঘূৰি ঘূৰি সৰু সৰু ল'ৰা-ছোৱালীসমূহৰ মুখত হাঁহি বিৰিঙাই আছে। এইদৰেই অসুস্থ শিশুক সুস্থ কৰি তোলাৰ আন এক পথৰ সন্ধান দিছে শীতল আৰু তেওঁৰ সংস্থাই।



## ২৪ বছৰ বয়সতে নাম লিখালে গিনিজ বুকত

বিশ্বৰ সবাতোকৈ ওখ মহিলাগৰাকীৰ সন্ধান ওলাল তুৰ্কীত। কিছু বছৰৰ পূৰ্বেই বিশ্বৰ দীৰ্ঘতম মহিলাৰূপে 'গিনিজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ড্‌ছ'ত নিজৰ নাম লিখাইছিল ৰুমেইছা গেলগি নামৰ ২৪ বছৰীয়া যুৱতীগৰাকীয়ে।



# বিশ্বৰ সবাতোকৈ ওখ মহিলাৰ সন্ধান ওলাল তুৰ্কীত

■ নিউজ ব্যুৰ'

**আংকাৰা, ১৮ অক্টোবৰ ঃ** বিশ্বৰ সবাতোকৈ ওখ মহিলাগৰাকীৰ সন্ধান ওলাল তুৰ্কীত। কিছু বছৰৰ পূৰ্বেই বিশ্বৰ দীৰ্ঘতম মহিলাৰূপে 'গিনিজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ড্‌ছ'ত নিজৰ নাম লিখাইছিল ৰুমেইছা গেলগি নামৰ ২৪ বছৰীয়া যুৱতীগৰাকীয়ে।

ৰুমেইছাৰ উচ্চতা হৈছে সাত ফুট ০.৭ ইঞ্চি। অৰ্থাৎ প্ৰায় ২১৫.৬ চেণ্টিমিটাৰ। ২০১৪ত ১৮ বছৰ বয়সতে তেওঁ বিশ্বৰ সবাতোকৈ ওখ মহিলাৰ আখ্যা লাভ কৰিছিল গিনিজ বুকৰ পৰা। আচলতে জন্মৰে পৰা ৰুমেইছা 'উইভাৰ ছিণ্ড্ৰ'ম'ত আক্ৰান্ত। 'উইভাৰ ছিণ্ড্ৰ'ম' হৈছে এবিধ বিৰল জিনগত ৰোগ, যাৰ কবলত পৰিলে ৰোগাক্ৰান্ত লোকজন অস্বাভাৱিক হাৰত দ্ৰুতগতিৰে ওখ হ'বলৈ ধৰে। অত্যধিক ওখ হোৱাৰ বাবে ৰুমেইছাই খোজকাঢ়িবলৈ অসুবিধা অনুভৱ কৰে। সেয়ে তেওঁ সততে হুইলচেয়াৰ ব্যৱহাৰ কৰে। অৱশ্যে মাজে মাজে 'ৱাকাৰ'ত ভৰ দি তেওঁ খোজকঢ়াৰো চেষ্টা কৰে। তেওঁ কয়, 'সকলো দৰণৰ অসুবিধাক সুযোগলৈ ৰূপান্তৰিত কৰাটো সম্ভৱ। অৱশ্যে ইয়াৰ বাবে নিজৰ বৰ্তমানৰ অৱস্থাটোকো মানি ল'ব লাগিব। নিজে কি পাৰো বা নাপাৰো, সেয়া জনাটোও অত্যন্ত জৰুৰী।' উল্লেখ্য যে বিশ্বৰ সবাতোকৈ ওখ পুৰুষজনো তুৰ্কীয়ে নাগৰিক। চুলতান ক'ছেন নামৰ লোকজনৰ উচ্চতা আঠ ফুট ২.৮ ইঞ্চি।

# তেজপুৰত কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰীৰ পুত্তলিকা দাহ

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১৮ অক্টোবৰ ঃ** কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী হৰদ্বীপ সিং পুৰীৰ পুত্তলিকা দাহৰে আজি তেজপুৰত আছুৰ তেজপুৰ আঞ্চলিকে সংগঠনটোৰ ১৪টা শাখাৰ সহযোগত ইন্ধনৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদ সাব্যস্ত কৰে। সংগঠনটোৰ প্ৰতিবাদকাৰীসকলে আজি দিনৰ ২-৩০ বজাত তেজপুৰৰ বৰগোলা চাৰিআলিত 'বিজেপি চৰকাৰ হুচিয়াৰ, নৰেন্দ্ৰ মোদী গ'বেক, ইন্ধনৰ মূল্য বৃদ্ধি ৰোধ কৰক' আদি ধ্বনিৰে পৰিস্থিতি উত্তাল কৰে। আছুৱে অভিযোগ কৰে যে প্ৰধানমন্ত্ৰী মোদীয়ে শাসনলৈ অহাৰ পূৰ্বে সৰ্বসাধাৰণক মূল্যবৃদ্ধি ৰোধৰ প্ৰতিশ্ৰুতি দি বিভিন্ন প্ৰতিশ্ৰুতি দিছিল। কিন্তু বৰ্তমান প্ৰধানমন্ত্ৰীৰ লগতে বিভাগীয় মন্ত্ৰীয়েও ইন্ধনৰ মূল্য বৃদ্ধি সন্দৰ্ভত অদ্ভুত মন্তব্য কৰা বুলি কয় আছু নেতা অৰূপ তালুকদাৰে। তদুপৰি কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে ক'ভিড প্ৰতিষেধক ৰাইজক বিনামূলীয়াকৈ দিয়াৰ বাবে পেট্ৰ'ল-ডিজেলৰ মূল্য বৃদ্ধি হোৱা বুলি কৰা মন্তব্যক তুলুঙা আৰু অবান্তৰ বুলি উল্লেখ কৰি এনেবোৰ কথাৰে বিজেপি চৰকাৰে এই সমস্যা তথা বিষয়ৰ পৰা সৰ্বসাধাৰণক অন্য দিশে ঢাল খুৱাবলৈ চক্ৰান্ত কৰা বুলি কৈ এনে মন্তব্য ভৱিষ্যতে নকৰিবলৈ সকীয়াই দিয়ে।





# ভাৰতীয় ৰেলৰ আছে ১১ প্ৰকাৰৰ হৰ্ণ

## প্ৰত্যেক উকিৰ শব্দৰ অৰ্থ ভিন্ন ঃ যাত্ৰীকো বাৰ্তা দিয়ে চালকে

■ নিউজ ব্যুৰ'

**কলকাতা, ১৮ অক্টোবৰ ঃ** ৰেলৰ উকি বা হৰ্ণ নিশ্চয় সকলোৱে শুনিছে। ৰেলত দীঘলীয়া যাত্ৰা কৰাৰ সময়ত ৰেলৰ উকি যাত্ৰীৰ কাণত অনেকবাৰ পৰে। অথবা কোনো ষ্টেছনত নোৰোৱাকৈ গুচি যোৱা ৰেলখনৰ উকিও নিশ্চয় ষ্টেছনত থকা অৱস্থাত বহুতেই শুনিছে। অৱশ্যে সেই উকিসমূহত যে ভিন্নতা আছে, সেই কথা হয়তো বহুতেই লক্ষ্য কৰা নাই। বহুতেই নাজানে যে ভাৰতীয় ৰেলত মুঠ ১১ প্ৰকাৰৰ হৰ্ণ বজোৱা হয় বা ১১ প্ৰকাৰে উকি মাৰে এখন ৰেলে। এই ১১ প্ৰকাৰৰ উকিৰ প্ৰত্যেক শব্দৰ অৰ্থও ভিন্ন। ৰেলচালকে বিভিন্ন ধৰণৰ বাৰ্তা প্ৰেৰণৰ বাবে এই পৃথক হৰ্ণসমূহ বজায়। কোনো উকিৰে যদি চালকে ৰেলৰ গাৰ্ডজনক সতৰ্ক কৰে, তেনে আন কোনো উকিৰে যাত্ৰীসকলকো সতৰ্ক কৰে। এই হৰ্ণ বা উকিসমূহৰ পৃথক নামো আছে।

'ৱান শ্বৰ্ট হৰ্ণ' হৈছে এবাৰ সামান্য সময়ৰ বাবে বজোৱা উকি। ইয়াৰ অৰ্থ হৈছে ৰেলখন চাফাইৰ বাবে ট্ৰেন য়াৰ্ডলৈ যাব। সততে বৃহৎ ৰেলষ্টেছনসমূহত এই হৰ্ণ শুনা যায়। যিবোৰ ৰেল কাৰশ্বেডলৈ যাব, সেইবোৰ ৰেলত এই হৰ্ণ বজায়। 'টু শ্বৰ্ট হৰ্ণ' হৈছে একেৰাহে দুবাৰ কম সময়ৰ বাবে বজোৱা হৰ্ণ। এই ধৰণে হৰ্ণ বজোৱা প্ৰায়েই শুনা যায়, কিন্তু বহুতেই লক্ষ্য নকৰে। ৰেল এৰাৰ সময়ত এইদৰে হৰ্ণ বজায়। এই হৰ্ণ বজাই চালকে গাৰ্ডৰ পৰা ৰেল এৰাৰ সংকেত বিচাৰে। 'থ্ৰী শ্বৰ্ট হৰ্ণ' তিনিবাৰ একেলেথাৰিয়ে চমুকৈ বজায়। এই উকিয়ে বিপদৰ কথা কয়। চালকে যদি ৰেলখনৰ পৰা কিবা প্ৰকাৰে নিয়ন্ত্ৰণ হেৰুৱাই পেলাইছে বুলি বুজিব পাৰে, তেতিয়া এই 'থ্ৰী শ্বৰ্ট হৰ্ণ' বজায়। এই হৰ্ণ বাজিলে গাৰ্ডে বুজিব পাৰে যে চালকে ৰেলখন ৰখাব পৰা নাই। তেতিয়া গাৰ্ডে ভেকুৱাম ব্ৰেকৰ সহায়ত ৰেলখন ৰখায়।

'ফ'ৰ শ্বৰ্ট হৰ্ণ' হৈছে চাৰিবাৰ সৰু সৰুকৈ হৰ্ণ বজোৱা, এয়াও হৈছে বিপদৰ সংকেত। অৱশ্যে ইয়াৰ অৰ্থ হৈছে ৰেলত এনে কোনো যান্ত্ৰিক ত্ৰুটি আছে, যাৰ বাবে আৰু আগবাঢ়ি যোৱা সম্ভৱ নহয়। 'ৱান লং, ৱান শ্বৰ্ট হৰ্ণ' হৈছে এবাৰ দীঘলকৈ উকি মৰাৰ পাছতে আকৌ এবাৰ চুটিকৈ হৰ্ণ বজোৱা। এইদৰে হৰ্ণ বজাই মটৰমেন অৰ্থাৎ চালকে গাৰ্ডলৈ নিৰ্দেশ প্ৰেৰণ কৰে। ৰেল চলোৱাৰ পূৰ্বে এই হৰ্ণ শুনি গাৰ্ডে ব্ৰেক পাইপ ছিষ্টেম সক্ৰিয় কৰে। দুবাৰ দীঘলকৈ আৰু তাৰ পাছতে এবাৰ চুটিকৈ হৰ্ণ বজোৱা কাৰ্যক কোৱা হয় 'টু লং, ৱান শ্বৰ্ট হৰ্ণ'। ইয়াৰ দ্বাৰা চালকে গাৰ্ডক ইঞ্জিনৰ নিয়ন্ত্ৰণ ল'বলৈ নিৰ্দেশ দিয়ে। 'একেৰাহে বজোৱা হৰ্ণ' দ্ৰুতগামী ৰেলত বেছিকৈ বজোৱা হয়। আকৌ গেল'পিং লোকেল ৰেলৰ ক্ষেত্ৰতো এই হৰ্ণ শুনা যায়। ইয়াৰ অৰ্থ হৈছে ৰেলখনে একেৰাহে কে'বাটাও ষ্টেছনত নৰয়। 'ৰৈ ৰৈ দুটা হৰ্ণ'ৰ শব্দও কেতিয়াবা শুনা যায়। ৰেল এখনে যেতিয়া ৰেলৰে ক্ৰ'ছিং পাৰ হয়, তেতিয়াই এনে হৰ্ণ বজায়। 'টু লং এণ্ড ৱান শ্বৰ্ট হৰ্ণ', এই হৰ্ণ বজোৱাৰ অৰ্থ হৈছে ৰেলখনে ট্ৰেক বা লাইন সলনি কৰিব। 'টু শ্বৰ্ট এণ্ড ৱান লং হৰ্ণ' হৈছে প্ৰথমে দুবাৰ সৰুকৈ বজোৱাৰ পাছত এবাৰ দীঘলীয়াকৈ বজোৱা হৰ্ণ। এই হৰ্ণ বাজিলেই বুজিব লাগিব যে কোনো যাত্ৰীয়ে চেইন টানি ৰেলখন ৰখোৱাৰ চেষ্টা কৰিছে বা গাৰ্ডে ভেকুৱাম ব্ৰেক ব্যৱহাৰ কৰিছে। 'ছিক্স শ্বৰ্ট হৰ্ণ' বা ছবাৰ একেৰাহে চুটি হৰ্ণ বজোৱাৰ অৰ্থ হৈছে ৰেলত ডাঙৰ বিপদ হৈছে। আপৎকালীন পৰিস্থিতিত এই হৰ্ণ বজাই চালকে। ইয়াৰ দ্বাৰা চালকে গাৰ্ড আৰু যাত্ৰীসকলক সতৰ্ক কৰে।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com